● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

**দিগ্‌দৰ্শন**



যিয়ে শোচনীয়ভাৱে ব্যৰ্থ হোৱাৰ সাহস ৰাখে, তেৱেঁই বিপুল সাফল্যৰ অধিকাৰীও হ'ব পাৰে।

জন এফ কেনেডী
*প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি*

৫ কিছু ল'ব লাগে, কিছু দিব লাগে জীণ যাবলৈ হ'লে
১৫ ১০ জনৰে খেলি ছেমিফাইনেলত ব্ৰাজিল
৪ তেল, দালি মহাৰ্ঘ্য, কিন্তু মৃত্যু তেনেই সস্তা



RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৬৪তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৯ আহাৰ ১৪২৮ ভাস্কৰাব্দ ৪ জুলাই ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 4 July 2021 মূল্য ঃ ৭.০০ টকা

■ দিল্লী-উত্তৰ প্ৰদেশৰ ছটাকৈ স্থানত ই ডিৰ তালাচী ঃ নথিপত্ৰ উদ্ধাৰ ■ আই এছ আইৰ পৰাও আহিছিল ধন

# বিদেশী পুঁজিৰে ব্যাপক অবৈধ ধৰ্মান্তৰকৰণ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৩ জুলাই ঃ** বলপূৰ্বক ধৰ্মান্তৰকৰণৰ গোচৰৰ তদন্তত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ দিল্লী আৰু উত্তৰ প্ৰদেশৰ ছটাকৈ স্থানত তালাচী অভিযান চলায়। ই ডিৰ এক বিবৃতিত প্ৰকাশ যে অভিযুক্তসকলে অবৈধ ধৰ্মান্তৰকৰণৰ উদ্দেশ্যে বহু কোটি টকাৰ বিদেশী পুঁজি লাভ কৰিছিল। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে এই প্ৰসংগত তালাচী অভিযানত জব্দ কৰা আপত্তিজনক নথিপত্ৰৰ উদ্ধৃতি দিয়ে। দিল্লীৰ তিনি স্থান আৰু উত্তৰ প্ৰদেশৰ তিনি স্থানত এই অভিযান চলোৱা হৈছিল। অভিযোগ অনুসৰি এনে কিছু পুঁজি পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আইৰ পৰাও অভিযুক্তই লাভ কৰিছিল। 'তালাচীকালত জব্দ কৰা বহু পৰিমাণৰ আপত্তিজনক নথিপত্ৰত ফাদিল হৈছে যে অভিযুক্ত ওমৰ গৌতম আৰু দেশজুৰি থকা তেওঁৰ সংগঠনৰ দ্বাৰা ব্যাপক হাৰত ধৰ্মান্তৰকৰণ কৰা হৈছিল।' বিবৃতিত এইদৰে প্ৰকাশ কৰা হৈছে। বিবৃতিত উল্লেখ কৰা *১০ পৃষ্ঠাত চাওক*

## উত্তৰাখণ্ডত চাৰিমাহত তৃতীয় মুখ্যমন্ত্ৰী, কাইলৈ পুষ্কৰ সিঙৰ শপত

উপ-নিৰ্বাচন নোহোৱাৰ শংকাত পদত্যাগ ৰাৱটৰ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৩ জুলাই ঃ** উত্তৰাখণ্ডৰ নতুন মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত হ'ল পুষ্কৰ সিং ধামি। তেওঁ ৰাজ্যখনৰ একাদশ মুখ্যমন্ত্ৰীৰূপে কাইলৈ শপতগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী টিৰথ সিং ৰাৱটে দলীয় অন্তৰ্কন্দল তথা ১০ ছেপ্টেম্বৰৰ *১০ পৃষ্ঠাত চাওক*


## ৰাজ্যত পুনৰ ২৮ আক্ৰান্তৰ মৃত্যু, নতুনকৈ ২,৩৭৫ কৰ'না ৰোগী চিনাক্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ জুলাই ঃ** ৰাজ্যত ক্ৰমাৎ হ্ৰাস পাইছে সক্ৰিয় ক'ভিড-১৯ ৰোগীৰ সংখ্যা। অৱশ্যে দৈনিক আক্ৰান্ত আৰু মৃত্যুৰ তালিকাত বিশেষ হেৰফেৰ হোৱা নাই। আজিৰ দিনটোত ৰাজ্যত ২৮ জন আক্ৰান্তই প্ৰাণ *ছয় পৃষ্ঠাত চাওক*

## অখিলৰ অলপ গণ্ডগোল আছে, কথাবিলাক পাহৰিবও পাৰে

মন্ত্ৰী পীযুষৰ কটাক্ষ




**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুলাই ঃ** 'অখিল গগৈয়ে ২০১১ৰ পৰাই মোক *১০ পৃষ্ঠাত চাওক*

## গঁড়ৰ খৰ্গসহ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দুই বনকৰ্মীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**


**বোকাখাত, ৩ জুলাই ঃ** ৰক্ষকে ভক্ষক হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দুই বনকৰ্মী। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলত কৰ্মৰত বনকৰ্মী ক্ৰমে বনৰক্ষী ছোনিয়া ওৱাং আৰু গৃহৰক্ষী দ্বীপেন *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ৩৫° | ২৫° |
| দিল্লী | ৩৮° | ২৯° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৬° | ২১° |
| শ্বিলং | ২১° | ১৯° |

*৩ জুলাই, ২০২১*

## চেঙা তেল



*কৰ'নাৰ বিষয়ে বিশেষ নক'ব! মহান বিজ্ঞানী-দাৰ্শনিক হ'বলৈ গ'লে বিপদহে চপোৱা হ'ব!*

■ নতুন চাকনৈয়াত ৰাফেল কাণ্ড ■ দুৰ্নীতি ফাদিলৰ সন্ধানত ন্যায়াধীশক দায়িত্ব ফ্ৰান্স চৰকাৰৰ ■ প্ৰভাৱিত কৰিছিল ৰিলায়েন্সে

## ফৰাচী ন্যায়াধীশে তদন্ত কৰিব বিতৰ্কিত ৰাফেল বিমান ক্ৰয় চুক্তি



■ নিউজ ব্যুৰ'

**নতুন দিল্লী/পেৰিছ, ৩ জুলাই ঃ** পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ পৰা বৰ্তমানৰ বিজেপি চৰকাৰলৈ প্ৰতিৰক্ষা ক্ষেত্ৰত বিতৰ্ক-চৰ্চাৰ কেন্দ্ৰবিন্দুত থকা ৰাফেল যুঁজাৰু বিমান ক্ৰয় কাণ্ডই নতুন পাক লৈছে। ২০১৬ৰ বহু বিলিয়ন ডলাৰৰ বিনিময়ত ভাৰত চৰকাৰৰ ৰাফেল ক্ৰয়ৰ তদন্তৰ দায়িত্ব এইবাৰ এজন ফৰাচী ন্যায়াধীশক অৰ্পণ কৰা হৈছে। বিতৰ্কিত ৰাফেল যুদ্ধ বিমান চুক্তিক *১০ পৃষ্ঠাত চাওক*

■ গড়ভাঙাৰ পৰা ১৫জনীয়া অস্ত্ৰধাৰী দলে কৰিছিল অপহৰণ ■ আৰক্ষীৰ গুলিত আহত হৈ পলায়ন ■ উগ্ৰপন্থী নে ডকাইত স্পষ্ট নহ'ল ■ এক কোটিৰ পৰা ১০ লাখলৈ নামিল মুক্তিপণ

## ধন দিয়াৰ চলেৰে উদ্ধাৰ দুই অপহৃতক



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/আজাৰা, ৩ জুলাই ঃ** তিনিদিনীয়া শ্বাসৰুদ্ধকৰ অভিযানৰ অন্তত ঘন বনাঞ্চলৰ মাজৰ পৰা মহানগৰীৰ দুই অপহৃত যুৱ ঠিকাদাৰক সোঁ-শৰীৰে উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল আৰক্ষী। মহানগৰীৰ ৰাণী বনাঞ্চলৰ সমীপৰ পৰা অপহৰণকাৰীৰ কৱলৰ পৰা জয়ন্ত কছাৰী (৪১) আৰু কুশল কলিতা (৪৩)ক আৰক্ষীয়ে উদ্ধাৰ কৰি ঘটনাৰ স'তে জড়িত চাৰিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে যোৱা ৩০ জুনত *ছয় পৃষ্ঠাত চাওক*



## কথাবোৰ নজনাকৈয়ে অযথা বিতৰ্ক কৰা হৈছে বুলি মন্তব্য মুখ্যমন্ত্ৰীৰ

## টে'টৰ বাদে সকলো চাকৰিতেই প্ৰযোজ্য হ'ব পৰীক্ষাৰ এই প্ৰমাণপত্ৰ

**অসমত গৰুৰ চোৰাং বেহাত এহেজাৰ কোটিৰ লেনদেন**

**অগ্ৰদূত প্ৰতিবেদক**

**নতুন দিল্লী, ৩ জুলাই ঃ** ক'ভিডৰ বাবে বাতিল হোৱা মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ বাবে শিক্ষা বিভাগে গ্ৰহণ কৰা নীতিক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই প্ৰসংগতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াত এক সংবাদমেলত মন্তব্য কৰে যে কথাবোৰ নজনাকৈয়ে বিতৰ্কৰ সৃষ্টি কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰো কথাবোৰ বুজোৱাত কৰ'বাত কিবা অসুবিধা থাকি গৈছে; কাৰণ এইটো কোনো সমস্যাই নহয়। মুখ্যমন্ত্ৰীয়ে কয়, 'ফলাফল ঘোষণাক লৈ যি নীতি-নিৰ্দেশনা প্ৰকাশ কৰা হৈছে তাত ছাবষ্টেনচিয়েল শব্দ এটা ব্যৱহাৰ কৰা হৈছে। ইয়াৰ দ্বাৰা বুজোৱা হৈছে যে এইবাৰৰ ফলাফল ঘোষণাৰ *১০ পৃষ্ঠাত চাওক*



■ কেন্দ্ৰৰ লক্ষ্যপূৰণৰ বাবে বাকী আছে ১৮১ দিন ঃ প্ৰতিশ্ৰুতি ৰক্ষাৰ বিৰাট প্ৰত্যাহ্বান

## ছয় কোটি নাগৰিকেহে পালে প্ৰতিষেধকৰ দুয়োটা পালি

ঘোষণা অনুসৰি ১৪৮ কোটি কৰ'নাৰ প্ৰতিষেধক দিব লাগিব ৩১ ডিচেম্বৰৰ পূৰ্বে

■ নিউজ ব্যুৰ'

**নতুন দিল্লী/কলকাতা, ৩ জুলাই ঃ** দেশত টিকাকৰণৰ লক্ষ্যপূৰণৰ সন্দৰ্ভত সম্প্ৰতি বিৰাট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে নৰেন্দ্ৰ মোদী চৰকাৰ। প্ৰতিশ্ৰুতি পূৰণৰ নিৰ্দিষ্ট সময়সীমালৈ হাতত আৰু বেছি দিন নথকা বাবেই কেন্দ্ৰৰ বাবে এনে প্ৰত্যাহ্বান সৃষ্টি হৈছে। উল্লেখ্য যে ব্যাপক সমালোচনাৰ মুখত পৰি শেষত কেন্দ্ৰই টিকাকৰণৰ দায়িত্ব নিজৰ হাতত তুলি লৈছিল। তৎসত্বেও প্ৰতিষেধকৰ যোগানত ব্যাঘাত জন্মাৰ অনেক অভিযোগ উঠিছিল। অৱশ্যে কেন্দ্ৰই দাবী কৰি আহিছে যে *১০ পৃষ্ঠাত চাওক*




প্ৰতিষেধকৰ অভাৱত ৰাজ্যত মন্থৰ গতিত ক'ভিড টিকাকৰণ

## তিনি কোটি লোকৰ মাত্ৰ ১৩ লাখৰহে টিকাকৰণ সম্পূৰ্ণ

**১১ লাখ ক্ৰয় কৰিলে ৰাজ্য চৰকাৰে ঃ ৬৫ লাখ প্ৰদান কৰিলে কেন্দ্ৰই**


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ জুলাই ঃ** ৰাজ্যত ক'ভিড টিকাকৰণ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৬ জানুৱাৰীৰ পৰা স্বাস্থ্য বিভাগে সম্পন্ন কৰি আহিছে যদিও পৰ্যাপ্ত প্ৰতিষেধকৰ অভাৱত এই প্ৰক্ৰিয়া অতি মন্থৰ গতিৰে অব্যাহত থকাৰ কথা বিভাগৰ তথ্যতে পোহৰলৈ আহিছে। উল্লেখ্য যে তিনি কোটি ৩০ লাখ জনসংখ্যাৰ অসমত আজিৰ দিনটোলৈ মাত্ৰ ১২,৮১,০১৪ জন লোকৰহে টিকাকৰণ সম্পূৰ্ণ কৰা হৈছে। ৰাজ্যিক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰা তথ্য অনুসৰি, যোৱা ১৬ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই টিকাকৰণ *১০ পৃষ্ঠাত চাওক*

■ গাৰ ওপৰেদি একাধিক ৰেল পাৰ হোৱা সত্ত্বেও দৈৱক্ৰমে প্ৰাণৰক্ষা নমহীয়া শিশুৰ

## সৰভোগত ৰেলৰ আগত জাঁপ দি কন্যা সন্তানসহ আত্মহত্যা মহিলাৰ





**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**পাঠশালা/বৰপেটাৰোড, ৩ জুলাই ঃ** বৰপেটা জিলাৰ সৰভোগত দুই শিশু সন্তানক বুকুত লৈ এগৰাকী মহিলাই চলন্ত ৰেলৰ আগত জাঁপ দিয়া ঘটনাই আজি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। এই ঘটনাত মাতৃৰ লগতে তেওঁৰ আঠ বছৰীয়া শিশু কন্যাৰ মৃত্যু হ'লেও দৈৱক্ৰমে ৰক্ষা পৰিল এটি নমহীয়া দেৱশিশু। আজি পুৱতি নিশা *১০ পৃষ্ঠাত চাওক*

এবছু-বড়ো সাহিত্য সভাৰে বৈঠক শিক্ষামন্ত্ৰীৰ

## ৩১ জুলাইৰ ভিতৰতে ঘোষণা কৰা হ'ব পৰীক্ষাৰ ফলাফল ঃ পেগু

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ জুলাই ঃ** 'ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এটা শিক্ষাবৰ্ষ যাতে অবাবতে নষ্ট নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষজ্ঞ কমিটীৰ সিদ্ধান্তৰ্মে শিক্ষা *ছয় পৃষ্ঠাত চাওক*

■ ভাৰতত ক্ৰমাৎ নিম্নমুখী কৰ'নাৰ দৈনিক সংক্ৰমণ-মৃত্যুৰ সংখ্যা

## চৰিত্ৰ সলনি কৰি আছে ডেল্টাই, অতিশয় বিপজ্জনক প্ৰজাতি ঃ 'হু'



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৩ জুলাই ঃ** শেহতীয়াকৈ কিছু উন্নত হোৱাৰ দিশে আগবাঢ়িছে দেশৰ ক'ভিড-১৯ পৰিস্থিতি। দৈনিক সংক্ৰমণৰ হাৰৰ সমান্তৰালকৈ বিগত ২৪ ঘণ্টাত হ্ৰাস পাইছে আক্ৰান্তৰ মৃত্যুৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা তথ্যতে এই আশাৰ বতৰা দেখা গৈছে।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, সম্প্ৰতি ৪৫ হেজাৰৰ তললৈ নামিছে দেশত দৈনিক সংক্ৰমণৰ সংখ্যা। বিগত ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে ৪৪ হেজাৰ ১১১জন লোক। ফলত *১০ পৃষ্ঠাত চাওক*



## কোকৰাঝাৰত গুলিবিদ্ধ হ'ল আন্তঃৰাষ্ট্ৰীয় গৰু মাফিয়া


পলাবলৈ চেষ্টা চলাওতে আৰক্ষীৰ গুলিবৰ্ষণ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ জুলাই ঃ** আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাই গুলিবিদ্ধ হ'ল কুখ্যাত আন্তঃৰাষ্ট্ৰীয় গৰু মাফিয়া চৰাংগী চিন্নীয়া (৩৯)। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুৰজিত সিং পানেছাৰে সদৰী কৰা মতে, তিনিদিন পূৰ্বে অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমৰ *১০ পৃষ্ঠাত চাওক*

■ এপিএছচিৰ কেলেংকাৰি ■ নতুন নতুন এচিএছ-এপিএছ-সংলগ্ন সেৱাৰ বিষয়াৰ নাম তালিকাত অন্তৰ্ভুক্ত ■ দীঘলীয়া হৈ গৈছে তালিকা

## জালিয়াতি ঃ নতুনকৈ সংযোজন সাত এচিএছ-১৪ এপিএছ বিষয়াৰ নাম



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ জুলাই ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ ২০১৩ৰ নিযুক্তি প্ৰক্ৰিয়াৰ ফাইল পুনৰ খোল খোৱাৰ পাছত জালিয়াতিৰ আশ্ৰয় লোৱা বৰ্তমানৰ ৰাজপত্ৰিত বিষয়াৰ তালিকা দিন যোৱাৰ লগে লগে দীঘলীয়া হৈছে। ফৰেনচিক পৰীক্ষাগাৰৰ প্ৰতিবেদনৰ ভিত্তিত উত্তৰ বহীৰ লগত অন্যান্য নথিপত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া আগবঢ়াৰ *ছয় পৃষ্ঠাত চাওক*

## শোণিতপুৰ-গোলাঘাটত ক'ভিড পৰিস্থিতিৰ বুজ ল'লে মহন্তই

শীঘ্ৰে নিৰ্মাণ আৰম্ভ হ'ব শিশু আই চি ইউৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গোলাঘাট/তেজপুৰ, ৩ জুলাই ঃ** স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই যোৱা নিশা গোলাঘাট জিলাৰ উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত জিলাখনৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰে। গোলাঘাট জিলাক ক'ভিডমুক্ত কৰাৰ বাবে ক'ভিডৰ স্বাস্থ্যবিধি আৰু চৰকাৰী নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন নিশ্চিত কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। ক'ভিড বিৰোধী যুঁজখনত সফল হোৱাৰ বাবে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগক সহযোগ কৰিবলৈ *১০ পৃষ্ঠাত চাওক*

■ এইবাৰ উত্তপ্ত হৈ পৰিল কাছাৰ সীমান্ত

## অসমৰ মাটিতে আৰক্ষী-বনকৰ্মীক গুলীয়াই হত্যাৰ ভাবুকি মিজো আৰক্ষীৰ

**বিশেষ সংবাদদাতা**

**কৰিমগঞ্জ, ৩ জুলাই ঃ** এইবাৰ কাছাৰতো উত্তপ্ত হৈছে অসম-মিজোৰাম সীমান্ত। অসমৰ মাটিতে অসম আৰক্ষী তথা বনকৰ্মীক গুলীয়াই হত্যাৰ ভাবুকি দিছে মিজো আৰক্ষীয়ে। কেন্দ্ৰীয় নিৰাপত্তা বাহিনী নথকা হ'লে অসম আৰক্ষী তথা বন বিভাগৰ কৰ্মীক গুলীয়াই হত্যা *ছয় পৃষ্ঠাত চাওক*

## গাড়ী ভাড়ালৈ লৈ বিক্ৰী কৰে বহিঃৰাজ্যত

ৰঙিয়াত ধৰা পৰিল পাঁচজন

**অগ্ৰদূত বাৰ্তা**


**ৰঙিয়া, ৩ জুলাই ঃ** গাড়ী ভাড়াত লৈ পাছত গৰাকীৰ অজ্ঞাতে গাড়ী বিক্ৰী কৰা এটা *১০ পৃষ্ঠাত চাওক*

■ ম্যানমাৰ-নগালেণ্ডৰ উগ্ৰপন্থী সংগঠনৰ জৰিয়তে অসমলৈ আহে ড্ৰাগছ-অবৈধ মাৰণাস্ত্ৰ

## ম্যানমাৰলৈও যায় অসমৰ ড্ৰাগছ ব্যৱসায়ী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ জুলাই ঃ** অসমলৈ ড্ৰাগছৰ লগতে অবৈধ মাৰণাস্ত্ৰৰো যোগান চলিছে ম্যানমাৰৰ স্থানীয় অপৰাধী চক্ৰৰ লগতে নগালেণ্ডৰ উগ্ৰপন্থী সংগঠনৰ পৰা। সেয়েহে অসমত এই অবৈধ ব্যৱসায় চক্ৰৰ বিৰুদ্ধে অভিযান চলিলেই একাংশই নগালেণ্ডত আত্মগোপন কৰে। এই তথ্যৰ আধাৰতে কালি



কাৰ্বি আংলঙৰ দলদলি বনাঞ্চলৰ সমীপত গুৱাহাটীৰ এক অপহৰণ কাণ্ডৰ লগত জড়িত কানৱালদ্বীপ সিং সিদ্ধু নামৰ এজন আৰক্ষী বিষয়াৰ সন্ধানত আৰক্ষীয়ে অভিযান চলাইছিল। পাছত অৱশ্যে আৰক্ষীৰ গুলিত সিদ্ধু নিহত হয়। আজি একেটা ঘটনাত জড়িত থকাৰ অভিযোগত কাৰ্বি আংলঙৰ পৰাই ধৰম হৰিজন নামৰ *ছয় পৃষ্ঠাত চাওক*

**শ্ৰদ্ধাঞ্জলি/সোঁৱৰণী**

জন্ম ঃ ৬/৬/২০০০



মৃত্যু ঃ ৪/৭/২০২০

**স্বৰ্গীয় মুকুল চেতিয়া**

আজি ১৯ আহাৰ ইং ৪/০৭/২০২১ তাৰিখে তোমাৰ প্ৰথম মৃত্যু বাৰ্ষিকী তিথিত আমি সকলোৱে তোমাক শ্ৰদ্ধা আৰু মৰমেৰে সোঁৱৰিছো। তুমি সদায় আমাৰ অন্তৰত সজীৱ হৈ আছা। তুমি য'তেই আছা শান্তিৰে থাকা, এই কামনাৰে।

**পৰিয়ালবৰ্গৰ হৈ**
শ্ৰী ভোগবৰ চেতিয়া (ককা)
শ্ৰী সোণেশ্বৰ চেতিয়া (দেউতা)
শ্ৰীমতী দীপিকা চেতিয়া (মা)
আৰু দাই, খুড়ী, বাই, ভাই-ভনী সকলো

**বানমুখ চেতিয়া গাঁও, শিৱসাগৰ**

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৯ আহাৰ ১৪২৮ ভাস্কৰাব্দ ৪ জুলাই ২০২১



## প্ৰধানমন্ত্ৰীৰ আহ্বান




প্ৰতি মাহৰ শেষৰ দেওবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ 'মন কী বাত' অনাতাঁৰ ভাষণত কিছুমান গুৰুত্বপূৰ্ণ, প্ৰাসংগিক বিষয় বা সমস্যা আদিৰ বিষয়ে দেশবাসীৰ আগত দাঙি ধৰি আহিছে। দেশৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে দেখা দিয়া কৰ'নাৰ বিৰুদ্ধে চলোৱা যুদ্ধ আৰু সেই যুদ্ধৰ প্ৰথম শাৰীৰ ৰণুৱা স্বাস্থ্যকৰ্মী, চিকিৎসকৰ কথা, নাইবা দেশৰ কোনো ভিতৰুৱা অঞ্চলৰ সফলতা, কোনো বিশেষ ব্যক্তিৰ বিভিন্ন ক্ষেত্ৰত অৱদান আদি বহু বিষয় সামৰি লয় প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' ভাষণে। যোৱা দেওবাৰে (২৭ জুন)ও প্ৰধানমন্ত্ৰী মোদীয়ে 'মন কী বাত' অনাতাঁৰ ভাষণত একাধিক গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰিছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত এহাতে দেশৰ চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলৰ সেৱা আৰু ত্যাগ, তেওঁলোকে নিজৰ জীৱন দি হ'লেও দেশবাসীৰ প্ৰাণৰক্ষা কৰাৰ কথা উল্লেখ কৰি তেওঁলোকৰ প্ৰতি সন্মান জনাইছে আৰু আনহাতে অন্ধবিশ্বাস, উৰাবাতৰি তথা অপপ্ৰচাৰত বিশ্বাস নকৰি বিজ্ঞান আৰু বিজ্ঞানীসকলৰ ওপৰত বিশ্বাস তথা আস্থা ৰখাৰ বাবে আহ্বান জনাইছে। বিশেষকৈ কৰ'নাৰ বিৰুদ্ধে অব্যাহত থকা যুদ্ধৰ পৰিপ্ৰেক্ষিততে প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনাইছে। দেশজুৰি অব্যাহত থকা কৰ'না বিৰোধী যুদ্ধৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীৰ এই আহ্বান সময়োচিত আৰু জৰুৰী বিবেচিত হৈছে। বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি দেশৰ একাংশ লোকৰ মাজত কৰ'না আৰু ইয়াৰ চিকিৎসা সন্দৰ্ভত বহু ভুৱা প্ৰচাৰ তথা উৰাবাতৰিৰ প্ৰভাৱ অতি ব্যাপক আৰু গভীৰ। আনকি এনে কিছুমান অবৈজ্ঞানিক অপপ্ৰচাৰৰ বাবেই বহুতেই কৰ'নাৰ প্ৰতিষেধক লোৱাৰ পৰা বিৰত আছে নাইবা প্ৰতিষেধক লোৱাৰ ক্ষেত্ৰত আপত্তি জনাই আহিছে। আনকি কৰ'না স্বাস্থ্যবিধিসমূহ— যেনে মুখা পৰিধান, সঘনে হাত পৰিষ্কাৰ কৰা, সামাজিক দূৰত্ব ৰক্ষা কৰা আদি মানি চলিব নিবিচৰা লোকৰ ওপৰত এই ধৰণৰ অবৈজ্ঞানিক নাইবা অপপ্ৰচাৰৰ প্ৰভাৱ লক্ষ্য কৰিবলগীয়া। যিবিলাক ভুৱা অথবা অপপ্ৰচাৰ নাইবা অবৈজ্ঞানিক কথা কিছুমানে প্ৰচাৰ চলাইছিল বা চলাই আছে সেইবিলাক শুনিলে আচৰিত হ'বলগীয়া হয়। শুনিবলৈ পোৱা এটা ভুৱা অবৈজ্ঞানিক অপপ্ৰচাৰ হ'ল কৰ'না প্ৰতিষেধক পুৰুষত্বৰ বাবে হানিকাৰক। আনকি এগৰাকী ন'বেল বিজয়ী বিজ্ঞানীৰ মন্তব্যৰ ভুলকৈ উদ্ধৃতি দি এইবুলি অপপ্ৰচাৰ চলোৱা হৈছে যে কৰ'না প্ৰতিষেধক লোৱাসকলৰ দুবছৰৰ পাছতেই জীৱনলৈ ভাবুকি আহিব। এই ধৰণৰ উৰাবাতৰি, অসত্য বাতৰি অথবা অপপ্ৰচাৰে কৰ'না-বিৰোধী অভিযানৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। অপপ্ৰচাৰ, উৰাবাতৰি আদিয়ে যাতে দেশৰ জনসাধাৰণক বিপথে পৰিচালিত কৰিব নোৱাৰে, সেই উদ্দেশ্যে ব্যাপক সজাগতা সৃষ্টিৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত কেৱল চৰকাৰৰ ওপৰতে নিৰ্ভৰ নকৰি সমাজসেৱী অনুষ্ঠান অথবা এন জি অ' তথা বিভিন্ন অৰাজনৈতিক সংগঠনসমূহেও এই ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰা উচিত; কিন্তু কৰ'নাৰ পৰিপ্ৰেক্ষিতত থকা বিভিন্ন নিষেধাজ্ঞাৰ বাবেই হওক নাইবা আন কাৰণতেই হওক, ৰাইজৰ মাজত উৰাবাতৰি নাইবা বিজ্ঞান-বিৰোধী প্ৰচাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাত পলম হৈছে। ইয়াৰ বিপৰীতে কিছুমানে বেজৰ ঔষধৰ ওপৰত অধিক বিশ্বাস তথা আস্থা প্ৰদৰ্শন কৰিব বিচাৰে বুলিও প্ৰকাশ পাইছে। দেশৰ আগশাৰীৰ সন্মানীয় ব্যক্তি যোগগুৰু বাবা ৰামদেৱৰ এক বিতৰ্কিত মন্তব্যই দেশজোৰা ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। বাবা ৰামদেৱে এলোপেথী চিকিৎসাক 'মূঢ় বিজ্ঞান' (ষ্টুপিড ছায়েন্স) বুলি বিতৰ্কিত মন্তব্য কৰিছিল। যোগগুৰুৰ এনে বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে চৰকাৰে অৱশ্যে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে; কিন্তু দেশৰ চিকিৎসকসকলে এনে বিজ্ঞান-বিৰোধী বিতৰ্কিত মন্তব্যৰ প্ৰতিবাদ নকৰাকৈ নাথাকিল। 'ইণ্ডিয়ান মেডিকেল এছ'চিয়েছন' (আই এম এ)য়েও তীব্ৰ প্ৰতিবাদ কৰিছিল। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে বাবা ৰামদেৱক তেওঁৰ বিতৰ্কিত মন্তব্য প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনোৱাৰ পাছত অৱশ্যে যোগগুৰুৱে তেওঁৰ মন্তব্য প্ৰত্যাহাৰ কৰে।

যোগগুৰু বাবা ৰামদেৱৰ আগেয়ে আন একাংশ ৰাজনৈতিক নেতাৰ মুখতো সময়ে সময়ে বিজ্ঞান-বিৰোধী বিতৰ্কিত মন্তব্য শুনিবলৈ পোৱা গৈছিল। দেশৰ সমাজ-সংস্কৃতিৰ ওপৰত বিজ্ঞান-বিৰোধী বিতৰ্কিত মন্তব্যবিলাকে নেতিবাচক প্ৰভাৱ পেলায়। এনে ধৰণৰ বিতৰ্কিত মন্তব্যই জনসাধাৰণৰ মনত বিজ্ঞানসন্মত চিন্তাৰ পৰিৱৰ্তে বিজ্ঞান-বিৰোধী চিন্তাই গভীৰভাৱে শিপোৱাত সহায় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সেয়ে বিজ্ঞান আৰু বিজ্ঞানীৰ ওপৰত বিশ্বাস, আস্থা ৰখাৰ বাবে আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীৰ এই আহ্বানে দেশবাসীৰ মনত বিজ্ঞান আৰু বিজ্ঞানীৰ প্ৰতি আস্থা তথা বিশ্বাস গঢ়ি তোলাত কিমানদূৰ সহায় কৰিব, সেয়া হ'ব আন এক বিচাৰ্য বিষয়; কিন্তু দেশৰ প্ৰধানমন্ত্ৰীৰ আহ্বান নিশ্চয় অথলে যাব নোৱাৰে। শাসক দলৰ নেতা-পালিনেতাসকলৰ বাবেও প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান নিশ্চয় গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীৰ আহ্বানক কোনেও আওকাণ কৰিব নোৱাৰিব। তেনে কৰিলে প্ৰধানমন্ত্ৰীকেই আওকাণ কৰাৰ দৰে হ'ব। উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে ভাৰতক বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে কাম কৰি আহিছে। দেশক জ্ঞানভিত্তিক সমাজ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। তথ্য-প্ৰযুক্তি মহাকাশ বিজ্ঞানৰ লগতে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰতো ভাৰতৰ অগ্ৰগতি গুৰুত্বপূৰ্ণ। ২০২১ৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰেষ্ঠ এশখন চিকিৎসা প্ৰতিষ্ঠানৰ তালিকাত ছখন ভাৰতীয় প্ৰতিষ্ঠানে স্থান লাভ কৰিছে। আনকি দিল্লীৰ অল ইণ্ডিয়া মেডিকেল ছায়েন্স (এইমছ) প্ৰতিষ্ঠানে ব্ৰিটেইনৰ বিখ্যাত অক্সফ'ৰ্ড ইউনিভাৰচিটী মেডিকেল স্কুলতকৈ ওপৰত স্থান লাভ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাৱেকাৰে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ এশখন চিকিৎসা প্ৰতিষ্ঠানৰ তালিকাত ভাৰতৰ ছখনে স্থান লাভ কৰাটো ভাৰতৰ কাৰণে 'গৌৰৱৰ মুহূৰ্ত' বুলি কৈছে। ভাৰতৰ দুটা আগশাৰীৰ ঔষধ উৎপাদনকাৰী গৱেষক কোম্পানীয়ে কৰ'নাৰ প্ৰতিষেধক ক'ভিশ্বিল্ড আৰু ক'ভাক্সিন প্ৰস্তুত কৰাটোও ভাৰতৰ চিকিৎসা বিজ্ঞানৰ উন্নতিৰেই প্ৰতিফলন। বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত আগশাৰীত স্থান লাভ কৰা ভাৰতক বিজ্ঞান-বিৰোধী অন্ধবিশ্বাস প্ৰগতিৰ পৰিপন্থী চিন্তাধাৰাৰ পৰা মুক্ত কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। প্ৰধানমন্ত্ৰীৰ আহ্বানত সেই কথাই প্ৰতিধ্বনিত হৈছে।

# তেল, দালি মহাৰ্ঘ্য, কিন্তু মৃত্যু তেনেই সস্তা

## আমাৰ দেশত জনতা আছে, মানুহ নাই ৰাজনীতি আছে ৰাজনীতিক নাই। বুদ্ধি আছে, বোধ নাই



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

ক'ৰ'না মহামাৰীয়ে বিশ্বৰ সকলো মানুহক অসামাজিক প্ৰাণীত পৰিণত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। ৰোগটো পুঁজিবাদৰ পৰাই উদ্ভৱ আৰু পুঁজিবাদৰেই প্ৰতিভূ। পুঁজিবাদী উন্নয়নে মানুহক স্বাস্থ্যসেৱাৰ নিৰাপত্তা দিয়া নাই আৰু প্ৰকৃতিৰ ওপৰত চলাইছে নিৰ্মম নিষ্পেষণ। প্ৰকৃতিয়ে নানাভাৱে প্ৰতিশোধ লৈছে। কৰ'না ভাইৰাছৰ আক্ৰমণ তাৰেই এটা। এই মহামাৰীয়ে খৰ্ব কৰি দিছে মানুহৰ সামাজিকতাক।

অভাৱ আৰু ক্ষুধা দল নিৰপেক্ষ। দুবেলা দুমুঠি ভাত নিমিলিলে বিজেপি সমৰ্থক হত দৰিদ্ৰৰ যেনেকৈ ক্ষুধা লাগে, তেনেকৈ কংগ্ৰেছ সমৰ্থকৰ পেটো চিন চিন কৰে। বাছ-বিচাৰহীন সীমাহীন ভোগ আৰু ভুল ৰাজনৈতিক আৱহে আমাৰ সামাজিক পাৰিবাৰিক আৰু ধৰ্মীয় মূল্যবোধ আৰু সংস্কাৰক লণ্ডভণ্ড কৰি পেলাইছে। পাৰস্যৰ মৰমী কবি জ্যোতিৰ্বিজ্ঞানী ওমৰ খৈয়ামে মানুহৰ অপকৰ্ম আৰু পাপৰ বাবে মানুহক দায়ী নকৰি মানুহৰ সৃষ্টিকৰ্তাকেই দায়ী কৰিছে।

মানুহৰ জীৱনত তিনিটা ভাগ। দৃশ্যমান জনজীৱন, পাৰিবাৰিক জীৱন আৰু একান্ত ব্যক্তিগত জীৱন। এই তিনি অংশৰ স্বতন্ত্ৰ অৱস্থান আৰু অস্তিত্ব। ইটোৰ স'তে সিটোৰ সম্পৰ্ক থাকিলেও সেয়া সকলো সময়ত নিবিড় নহয়। এক অংশৰ ওপৰত অন্য অংশৰ প্ৰভাৱ থকা অস্বাভাৱিক নহয়। এই প্ৰভাৱ এনে নহয় যে এক অংশই আন অংশক নিয়ন্ত্ৰণ কৰিব। সেইবাবে জনজীৱন আৰু কৰ্মজীৱনত সাফল্যৰ ছিৰি বগাই চেলিব্ৰিটিৰ পৰ্যায়ত উপনীত হ'লেও পাৰিবাৰিক জীৱন সুখৰ নহ'বও পাৰে। মহামতি ছক্ৰেটিছৰ জীৱন তাৰেই উদাহৰণ। যিমান খ্যাতি প্ৰতিপত্তি বিত্ত বৈভৱ নাথাকক কিয়, মানুহ নিজৰ সুখ-শান্তিৰ সম্পূৰ্ণ নিয়ন্ত্ৰক নহয়। তাৰ বাবে ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। ইয়াৰ পৰা পৰিত্ৰাণ নাই।

সমগ্ৰ দিনৰ ক্লান্তিৰ অন্তত দাইল-ভাত খাই বদৰু ৰিক্সাৱালা শান্তিৰে টোপনি যায়। সেই টোপনি পৃথিৱীৰ সকলো বৈভৱ একেলগ কৰিও কিনিব নোৱাৰি।

**দুই**

ৰবীন্দ্ৰনাথে কৈছিল ঃ আমৰা আৰম্ভ কৰি, শেষ কৰিনা। আড়ম্বৰ কৰি, কাজ কৰিনা। যাহা অনুষ্ঠান কৰি তাহা বিশ্বাস কৰিনা। যাহা বিশ্বাস কৰি তাহা পালন কৰিনা।' বিস্ময়ৰ স'তে লক্ষ্য কৰিছো শত বছৰ পাছতো ৰবীন্দ্ৰনাথৰ কথা আখৰে আখৰে প্ৰতিপালন কৰি গৈছে আমাৰ সদাশয় চৰকাৰ আৰু অনেক সংস্থা আৰু বিভাগে। সিহঁতে যিমান কাম কৰে, কথা কয় তাতকৈ বেছি। আড়ম্বৰ কৰে আৰু বেছি।

ক্ষমতা আৰু দম্ভ মিলি একাকাৰ হৈ গৈছে। দেশত ক্ষমতাবানৰ সংখ্যা কি হাৰত বাঢ়িছে প্ৰবৃদ্ধি কিমান— এইবোৰৰ হিচাপ-নিকাচ কোনো গৱেষণা প্ৰতিষ্ঠানে কৰে বুলি জনা নাই। অৱস্থা দেখি ধাৰণা হয় এই প্ৰবৃদ্ধি সম্ভৱতঃ আন সকলো ক্ষেত্ৰক এৰাই গৈছে। ইয়াৰ স'তে পাল্লা দি বাঢ়িছে ক্ষমতাৱানৰ দম্ভও। 'ক্ষমতাৱান' হৈ উঠা আৰু তাৰ স'তে দম্ভ যোগ হোৱাৰ বিষয়টো এতিয়া কেৱল ৰাজনীতিক মন্ত্ৰী এমেলে সাংসদৰ মাজতেই আৱদ্ধ হৈ থকা নাই। আমোলা পুলিচৰ মাজতো সেয়া প্ৰবল হৈ উঠিছে। ক্ষমতা আৰু দম্ভ প্ৰকাশৰ এক উৎসৱ চলিছে দেশজুৰি।

'স্ফুলিংগ তাৰ পাখায় পেল
ক্ষণকালেৰ ছন্দ
উৰি গিয়ে ফুৰিয়ে গেল
সেই তাৰ আনন্দ'

এয়া কবিগুৰুৰ এফাঁকি কবিতা। ৰুছ ভাষাত ইচক্ৰা শব্দৰ অৰ্থ স্ফুলিংগ। লেনিনে যেতিয়া জাৰৰ ৰাছিয়াত ইচক্ৰা নামৰ পত্ৰিকা প্ৰকাশ কৰিছিল, তেতিয়া লিখিছিল ঃ 'এই স্ফুলিংগ এদিন দাবানল হ'ব।' লেনিনৰ কথা ফলিয়াইছিল।

আমাৰ দেশত জনতা আছে, মানুহ নাই। ৰাজনীতি আছে ৰাজনীতিক নাই। বুদ্ধি আছে, বোধ নাই। ইতিমধ্যে অনেক স্ফুলিংগৰ জন্ম হৈছে আমাৰ দেশত; কিন্তু যথাযথ ব্যৱহাৰৰ অভাৱত সকলো স্ফুলিংগই উৰি গৈ শেষ হৈ গৈছে। স্ফুলিংগ কেৱল মাত্ৰ তেতিয়াই দাবানল হৈ উঠিব পাৰে, যেতিয়া সমস্ত স্ফুলিংগ একত্ৰিত কৰাৰ দৰে সংগঠিত শক্তি থাকে। নহ'লে স্ফুলিংগ কেৱল স্ফুলিংগ।

**তিনি**

এখন ছবি। চাই ৰ'লো ছবিখনলৈ। দুটা শিলৰ টুকুৰা নে গছৰ মূঢ়া ভালকৈ ধৰিব নোৱাৰিলো। ছবিৰ তলত ইংৰাজীত লিখা আছে Mother's Love। অসমীয়াত মাতৃপ্ৰেম নাম দিব পাৰিলেহেঁতেন; কিন্তু মডাৰ্ণ আৰ্টত ছাগে অসমীয়াত নাম দিয়াৰ কোনো নিয়ম নাই। ইংৰাজীত দিয়ে সকলোৱে। ছবিখনৰ নাম দেখি বুজি পালো শিলৰ টুকুৰা বা গছৰ মূঢ়া নহয়। এগৰাকী মাতৃৰ কোলাত এটা কেঁচুৱা। মাকে মৰম কৰি আছে কেঁচুৱাটোক।

আলোচনীখনৰ পাত লুটিয়াই কবিতা এটা পঢ়িলো। একো বুজি নাপালো। আকৌ এবাৰ পঢ়িলো। শিল এটা চোবাই থকা যেন লাগিল। বাদ দিলো। আন এটা কবিতা পঢ়িবলৈ আৰম্ভ কৰিলো।

নীল নদীৰ ঢৌ
বিজুলী তাঁৰত
চিগাৰেটৰ ধোঁৱা

নীল নদী বিজুলী তাঁৰ চিগাৰেটৰ ধোঁৱা এৰি আন এটা কবিতা পঢ়িবলৈ ল'লো।

গৈ আছে
তেওঁ গৈ আছে

৭০ শাৰীৰ দীৰ্ঘ এটা কবিতা। ইমানদূৰ গৈ ছাগে তেওঁৰ ভাগৰ লাগিল। কবিতাটো পঢ়ি শেষ কৰি ধৰিব নোৱাৰিলো তেওঁ কোন? কাৰ কথা কৈছে কবিয়ে।

বহু কথাই বুজি নাপাওঁ। অসমীয়াত লিখা-মেলা কৰা তিনিগৰাকী লেখিকা। নিজৰ নামটো লিখে আধা ইংৰাজী আধা অসমীয়াত। জাহ্নৱী এন ডেকা। নিশ্চয় জাহ্নৱী নাথ ডেকা; কিন্তু নাথ নিলিখি লিখে এন। জুলী ডী বৰা (দাসৰ সলনি ছাগে ডী) আনগৰাকী প্ৰিয়ম ডী জ্যোৎস্না।

বহু কথাই বুজি নাপাওঁ। হিমন্ত বিশ্ব মুখ্যমন্ত্ৰী হোৱাৰ পাছত তৃতীয়বাৰৰ বাবে দিল্লীলৈ গৈয়েই সাক্ষাৎ কৰিলে গৃহমন্ত্ৰী অমিত শ্বাহক। সৰ্বানন্দ সোণোৱালক দিল্লীয়ে জৰুৰীভাৱে তলব কৰি নিয়াৰ পাছত সাতদিন বোন্দাপৰ দিয়াৰ পাছতহে সাক্ষাৎ মিলিছিল অমিত শ্বাহৰ স'তে। এদিন নহয়, দুদিন নহয় সাতদিন।

চন্দ্ৰপুৰত ডাম্পিং গ্ৰাউণ্ড। চন্দ্ৰপুৰবাসীৰ প্ৰতিবাদ। লাখ লাখ ভোট দি ৰাইজে জয়যুক্ত কৰা অতুল বৰা নিমাত। 'কা' বিৰোধী ৰূপজ্যোতি বিজেপিলৈ আহি গম পালে যে 'কা' বেয়া বস্তু নহয়। ভাল বস্তু। নুবুজিয়েই বিৰোধিতা কৰিছিল।

**চাৰি**

মিল্টনৰ পেৰাডাইজ লষ্ট মহাকাব্যত 'মহান মোগলৰ আগ্ৰা আৰু লাহোৰ' চহৰৰ কথা আছে সৃষ্টিৰ বিস্ময় হিচাপে। ওলন্দাজ কবি শিল্পী ৰেমব্ৰান্তে মোগল মিনিয়েচাৰ দেখি মুগ্ধ হৈ আঁকিছিল ২৪ খন ছবি। মোগল বৈভৱৰ চূড়ান্ত আৰু শেষ প্ৰতীক 'স্বপ্নৰ চহৰ' দিল্লী। সেই চহৰ বিলীন হোৱাৰ সাক্ষী উৰ্দু কিংবদন্তি কবি মিৰ্জা গালিব। তেওঁৰ চকুৰ সন্মুখতে পতন হৈছিল মোগল যুগৰ। তাৰ স'তে যোগ হৈছিল মহামাৰী, অনাবৃষ্টি, অতিবৃষ্টি, খাদ্যাভাৱ আৰু শেষত দুৰ্ভিক্ষ। মহামাৰী আহিছিল গালিবৰ সময়ত। এবাৰ নহয়। বাৰে বাৰে। দিল্লী

**অসংখ্য সমস্যাৰে জৰ্জৰিত দেশ। বিদ্যুৎ, পৰিৱেশ দূষণ, হৰতাল, ধৰ্মঘট, বানপানী, আইন-শৃংখলা, শিক্ষাব্যৱস্থা, সন্ত্ৰাস; কিন্তু সবাতোকৈ ডাঙৰ সমস্যা হ'ল জন বিস্ফোৰণ। যি দ্ৰুতগতিত বাঢ়িছে অভিবাসী মুছলমানৰ জনসংখ্যা সেয়া চিন্তাৰ কাৰণ। চৰ-চাপৰিত প্ৰতিটো পৰিয়ালত কঁঠালৰ কোঁহৰ দৰে এসোপা সন্তান**

আজি পুনৰ আক্ৰান্ত মহামাৰীত।

গালিব তেতিয়া ২০ বছৰীয়া যুৱক। তেতিয়া আৰম্ভ পৃথিৱীৰ প্ৰথম কলেৰা মহামাৰী। ১৮১৭ত। তাৰ পাছত আকৌ ১৮২৯ত। পুনৰ ১৮৪০ আৰু ১৮৫২ত। ১৮৫৬ৰ মে'ত যি কলেৰা মহামাৰী আৰম্ভ হৈছিল, সেয়া বিয়পি পৰিছিল সমগ্ৰ উত্তৰ ভাৰতৰ সমতল ভূমিত। আৰম্ভ হৈছিল মোগলৰ এককালীন ৰাজধানী আগ্ৰাৰ পৰা। জুনত আক্ৰান্ত দিল্লী। কলেৰা ইমান প্ৰবলভাৱে বিয়পি পৰিছিল যে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৰু-ডাঙৰ বিষয়াবোৰে দায়িত্ব এৰি পলাইছিল। অভিজাতবোৰৰ ভাগ্যত চিকিৎসা মিলিছিল যদিও সাধাৰণ মানুহৰ মৃত্যু হৈছিল বিনা চিকিৎসাত। এই মহামাৰীয়ে ত্বৰান্বিত কৰিছিল মোগল সাম্ৰাজ্যৰ পতন।

কলেৰাত মৃত্যু হৈছিল মোগল যুৱৰাজ মিৰ্জা ফাককৰ। লালকিল্লাৰ কোণে কোণে তেতিয়া প্ৰাসাদ ষড়যন্ত্ৰ। তাৰ মাজতে ঘটিছিল ১৮৫৭ৰ মহাবিদ্ৰোহ। কলেৰাৰ ভয়ত পলোৱা ইংৰাজ শূন্য দিল্লীত চিপাহীবোৰ প্ৰৱেশ কৰিলে সহজে; কিন্তু শেষ ৰক্ষা নহ'ল। ইংৰাজে পুনৰ দখল কৰিলে দিল্লী। কেইমাহমান পাছত পুনৰ বাঢ়িল কলেৰাৰ প্ৰকোপ। ফলত ওলট-পালট হৈ গ'ল গালিবৰ জীৱন। নাই মোগল সাম্ৰাজ্য। নাই দৰবাৰৰ চাকৰি। নিজৰ অস্তিত্বৰ অংশ দিল্লী চহৰ চকুৰ সন্মুখতে শেষ হোৱা দেখি গালিবে বন্ধুলৈ লিখিছিল ঃ দিল্লী চহৰ জনশূন্য হ'লে মই হ'ম আনন্দিত। সকলোৱে যেতিয়া এই চহৰ এৰি গুচি যাব, তেতিয়া আৰু চহৰখনক লৈ দুখ কৰাৰ একোৱেই নাথাকিব।'

ভগ্ন স্বাস্থ্য। হাতত নাই পইচা-পাতি। অনাবৃষ্টিত ফচল হোৱা নাই। যি আছিল সেয়া সকলো গুদামত ৰাখিছে ব্যৱসায়ীবোৰে। দুখ কৰি গালিবে কৈছিল— 'মৃত্যু খুব সস্তা আৰু শস্য মহাৰ্ঘ্য।'

দেশত আজি শাক-পাচলি, দালি-কণী মহাৰ্ঘ্য। মৃত্যু কিন্তু তেনেই সস্তা।

**পাঁচ**

অসংখ্য সমস্যাৰে জৰ্জৰিত দেশ। বিদ্যুৎ, পৰিৱেশ দূষণ, হৰতাল, ধৰ্মঘট, বানপানী, আইন-শৃংখলা, শিক্ষাব্যৱস্থা, সন্ত্ৰাস; কিন্তু সবাতোকৈ ডাঙৰ সমস্যা হ'ল জন বিস্ফোৰণ। যি দ্ৰুতগতিত বাঢ়িছে অভিবাসী মুছলমানৰ জনসংখ্যা সেয়া চিন্তাৰ কাৰণ। চৰ-চাপৰিত প্ৰতিটো পৰিয়ালত কঁঠালৰ কোঁহৰ দৰে এসোপা সন্তান। মই প্ৰশ্ন কৰিছিলো ঃ ৰহিম ভাই, এটাৰ পাছত এটাকৈ যে বাচ্চা পয়দা কৰিছা, সিহঁতক চাব কোনে? তুমিতো দুখীয়া মানুহ।

ঃ ভাইজান, আল্লাৰ মাল আল্লাই দেখবে।

ঃ কিয়? আল্লাই কিয় চাব? তোমাৰ সন্তানক তুমিয়ে পোহপাল দিব লাগিব। খাদ্য, শিক্ষা-দীক্ষা, কাপোৰ-কানি দিব লাগিব। খালি আল্লা কৰি থাকিলে হ'ব জানো? আল্লাৰ কৰিবলগীয়া বহু কাম আছে।

ঃ ভাইজান, প্ৰত্যেক সন্তান আল্লাৰ দান।

ঃ পৰিয়াল পৰিকল্পনা নকৰা কিয়?

ঃ ধৰ্মেৰ বিধান ভংগ কৰিতেতো পাৰিনা। ধৰ্মই সিহঁতক শিকাইছে পৰিয়াল পৰিকল্পনা হেনো ইছলামবিৰোধী। সংখ্যালঘুৰ নেতাই ধৰ্মীয় আৱেগক মূলধন কৰি ৰাজনীতি কৰিছে নিজৰ স্বাৰ্থ সিদ্ধি কৰিবৰ বাবে।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# নিৰ্মূলতো নহয়েই

**নৰেন,** অনন্ত আৰু ৰাজেন— তিনিওজন বৰ ভোজ খঁকুৱা মানুহ বুলি অঞ্চলটোতে জনাজাত। তিনিওজনেই খবৰ লৈ ফুৰে— কাৰ ঘৰত বুঢ়া মানুহ আছে, কাৰ ঘৰত বুঢ়া-বুঢ়ী মেডিকেলত আছে শয্যাগত হৈ আৰু কাৰ ঘৰত মানুহ ইতিমধ্যে মৰিছেই— তেৰ দিনৰ দিনা ভোজ দিবই।

কিন্তু বৰ বেয়া সময়ত দাসৰ মাতৃ ঢুকাল। এই সময়ত ৰাজ্যত ক'ভিডত বহুত মানুহৰ মৃত্যু হ'ল। চৰকাৰে নিৰ্দেশ জাৰি কৰিছে— এই সময়ত কাৰোবাৰ ঘৰত মানুহ মৰিলেও শ্ৰাদ্ধ, ভোজ বা বিয়া-বাৰু, অন্নপ্ৰাশন আদি উৎসৱ পাতিব নোৱাৰিব। কোনো সভা-সমিতি, উৎসৱ আদিও পাতিব নোৱাৰিব। পাতিলেও মাত্ৰ ২০ জন মানুহকহে নিমন্ত্ৰণ কৰিব পাৰিব। দাসৰ মাক ঢুকুৱা খবৰটো অনন্তই আনি নৰেন আৰু ৰাজেনক দিলে। তিনিওজনে আঁহত গছৰ তলত বহি আলোচনা কৰিলে— কেনেকৈ দাসৰ মাতৃৰ ভোজটো খাব পাৰিব। উপায় উলিয়ালেই।

তিনিওজন ভোজ খঁকুৱাই শ্ৰাদ্ধৰ আগদিনাই দাসৰ ঘৰত উপস্থিত হ'ল। দাসক সমবেদনা জ্ঞাপন কৰিলে। দাসে তিনিওজনকে বিস্কুটেৰে চাহ খুৱালে। কথা প্ৰসংগত ক'লে— জানেইতো চৰকাৰী জাননীৰ কথা, এই সময়ত ঘৰত মানুহ মৰিলেও কোনেও শ্ৰাদ্ধ, ভোজ আদি পাতিব নোৱাৰিব। পাতিলেও মাত্ৰ বিশজন মানুহহে থাকিব পাৰিব ঘৰে-বাহিৰে ধৰি। গতিকে মাৰ শ্ৰাদ্ধৰ দিনা কাকো নামাতো। বছৰেকীয়া শ্ৰাদ্ধটোতে সকলোকে মাতিম বুলি ভাবিছো। তেতিয়ালৈ ক'ভিড-১৯, কৰ'না আদি মহামাৰী নিশ্চয় কমি যাব। তিনিওজন ভোজ খঁকুৱাই ক'লে— 'হয় হয়, তেতিয়ালৈ নিশ্চয় কমি যাব আৰু এটা বছৰনো কি? চকুৰ পচাৰতে পাৰ হৈ যাব।'

এইদৰে দাসৰ লগত কথা-বতৰা পাতি তিনিও খঁকুৱা বিদায় লৈ গুচি আহিল। আহি আকৌ আঁহত গছৰ তলত থিয় হ'ল। অনন্তই ক'লে— 'দাইল নগলিল। এইবাৰ কলাখাৰ দি দালি গলাব লাগিব।' তাতেই তিনিওজন এৰা-এৰি হ'ল। নৰেনৰ ঘৈণীয়েকৰ অসুখ, অনবৰত মানুহজনীক আলপৈচান ধৰি থাকিব লাগে। অনন্তৰ ঘৈণীয়েক বুঢ়ী হৈছে। পুতেক এজন আছে, কিন্তু সি ঘৰত নাথাকেই, পদূলি শুঙি ফুৰে, গতিকে ঘৈণীয়েকে ঘৰত কাম কৰি মৰিব লাগে। কুঁৱাৰ পানী তোলাৰে পৰা ৰন্ধা-বঢ়া সকলো কামেই কৰিব লাগে। অনন্ততো ঘৰত নাথাকেই, কাৰ, ক'ত শ্ৰাদ্ধ-ভোজ আছে তাকেই খবৰ লৈ ফুৰে নৰেন, ৰাজেনৰ লগত। ৰাজেনৰ বেছি চিন্তা নাই, ঘৈণীয়েকজনী বৰ কামিলা, সকলো কামতে পটু, অৱশ্যে ৰাজেন ঘৰৰ পৰা ওলাই অহাৰ আগেয়ে খোৱাৰ বজাৰখিনি কৰি দি আহে।



পিছদিনা আকৌ লগ হ'ল তিনি খঁকুৱা। চাওঁতে চাওঁতে বছৰ পাৰ হ'বই। অহা মাহৰ দেওবাৰে ভোজ। অৰ্থাৎ পৰহি; কিন্তু এতিয়াও পাৰাৰ মানুহক, ওচৰ চুবুৰীয়াৰ কাকো মতা নাই। অনন্তই ক'লে— কি কৰা যায়, ভোজলৈ যাবা নে? ৰাজেনে ক'লে— কাইলৈ অৱশ্যে দাসৰ খবৰ লোৱা হিচাপে যাব পাৰি। আমি গ'লে লাজত পৰি মাতিবও পাৰে। নৰেনে ক'লে— 'হয়তো কথাটো, এবাৰ যোৱা ভাল। প্ৰকৃত বন্ধুৱে এনেকুৱা উপলক্ষ্যত খবৰ ল'ব লাগে।'

এনেদৰে আলোচনা কৰি সিদ্ধান্ত কৰিলে যে কাইলৈ দহ বজাত তিনিও দাসৰ মাতৃৰ বছৰেকীয়াত যাব; কিন্তু ৰাজেনে ক'লে— যিহেতু আমাক নামাতিলেই গতিকে কাইলৈ যোৱাটো উচিত নহয়। এটা মৰ্যাদাৰো কথা আছে— বোলে মাতিলে ৰণলৈও যাবা, নামাতিলে ভোজ খাবলৈও নাযাবা আৰু বাটত পালো কমাৰ, দা গঢ়াই দিয়া আমাৰো হ'ব নালাগে। গতিকে আমি পিছদিনা অৰ্থাৎ বাহি ভোজৰ দিনাই যাম, আইৰো বাৰ্তা, গংগাৰো যাত্ৰাৰ দৰে হ'ব। বাহি ভোজো ভালেই হয়, এটা খাহী বাহি ভোজৰ কাৰণে ৰাখেই।

পিছদিনা দহ বজাতেই তিনিও ভোজ খঁকুৱা দাসৰ ঘৰত উপস্থিত হ'ল। দাসে আদৰ-সাদৰ কৰি তিনিওকো চ'ৰা ঘৰত বহুৱালে। বেছি পাতনি নেমেলি ক'লে— 'কালি আপোনালোকক নামাতিলো দিয়ক। ঘৰৰ মানুহেই বহুত হ'ল। মোৰেই ছোৱালী চাৰিজনী— সিহঁতৰ ঘৰৰে বিশজন, মোৰ শহুৰৰ ঘৰৰ বিশজন, মোৰ বাইদেউ, ভনীহঁতৰ মিলি পঁচিশজন, মোৰ পেহী তিনিজনীৰ ঘৰৰ বিশজন, মোৰ মিতাৰ ঘৰৰ দহজন, আনকি নমতাকৈয়ে ওচৰৰ মানুহো আহিল দহজন, ৰান্ধনীহঁতৰ দহজন, দেউৰ লগতো আহিল চাৰিজন। পুলিচ আহিছিল মানুহ গণিবলৈ। মানুহবিলাকক পুলিচ দেখিয়েই ওচৰৰ মানুহৰ ঘৰত লুকুৱাই ৰাখিছিলো বুলিহে ৰক্ষা। পুলিচ চাৰিজনেও ভোজ খাই গ'ল।' অনন্তই ক'লে— 'নালাগে দিয়ক, কোনো কথা নাই। আমি বাহি ভোজকে খাই যাম।' দাসে ক'লে— 'বাহি ভোজো নাই, কালি ৰোৱা ভাত-আঞ্জাকে খুৱাই মানুহখিনিক ৰাতিপুৱাই খেদিলো। নহ'লে পুলিচ আহি আৰু কিবা অঘটন ঘটাব পাৰে। ওচৰৰ মানুহে অৱশ্যে বেয়া পালে— বাহি ভোজত নামাতা কাৰণে।'

অৱশেষত তিনিও ভোজ খঁকুৱা ওঁঠ, জিভা, চেলেকি গুচি আহিল। তিনিও আহি সেই আঁহত গছ জোপাৰ তলত সমবেত হ'ল। ৰাজেনে ক'লে— আমি আৰু আজিৰ পৰাই এই বৃত্তিটো এৰা ভাল হ'ব। কোনোবাই ঘৰত আহি মাতিলে যাম, নামাতিলে নাযাও। বাকী দুয়োজনে সমৰ্থন কৰিলে— হয় হয় হয়। নৰেনে ক'লে— হয়, আমাৰ কাজ-কৰ্ম হ'লেও কাকো নামাতো; কিন্তু কৰ'না, ক'ভিড আদি নিৰ্মূল হ'লেহে আমি কাজ-কৰ্ম পাতিম। নিৰ্মূলতো নহয়েই!

**ৰিজু হাজৰিকা**

# কথাত গ'ল কটা জালত পৰিল মতা

— আপোনাৰ বাতৰি কাকতখন পঢ়া হোৱাই নাই? এঘণ্টাৰো বেছি হ'ল। এনেকৈ ভাল বহি থাকিব পাৰে দেই আপুনি?

— মোক কিবা কৈছা নেকি?

— অ' আপোনাকেতো কৈছো। ঘৰখনত আমি দুজনৰ বাহিৰে আন কোননো আছে। আলহী-অতিথি আহিলেও বেলেগ কথা।

— ঠিকেই। মোক মাতিছিলা নেকি?

— চাহ বনাই আছো। চাহখিনি খাই এপাক বজাৰৰ পৰা আহকগৈ। পাৰিলে মাছ-পুঠিও অলপ আনিব।

— হ'ব দিয়া।

— খাওক চাহ। এইখন বেগ। দুশ টকা দিলে হ'বনে?

— আৰু এশ টকা বেছিকৈ দিবা। ক'বতো নোৱাৰি ক'ত কি পাওঁ।

— এয়া লওক টকা তিনিশ। এইবাৰ দৰমহা আপুনি কেতিয়ালৈ পাব?

— জানো দুই-এদিনতে হ'ব যেন পাওঁ। কিয় সুধিলা?


— টকা শেষ। কোনোমতে দুদিন চলাব পাৰিম। বৰানীয়ে আপোনাৰ পৰা টকা যে নিছিল ঘূৰাই নিদিয়ে নেকি?

— দিব ৰ'বা।

— আজি প্ৰাতঃভ্ৰমণলৈ যাওঁতে শৰ্মানীক লগ পালোহে। বৰানীয়ে হেনো টকাৰ ব্যৱসায়ত নামিছে।

— কিহৰ ব্যৱসায় বুলি ক'লা তুমি?

— টকাৰ ব্যৱসায়। মানে টকা ধাৰলৈ দিয়ে। বিনিময়ত সুত লয়। মাহেকত ১০ শতাংশ।



— যি কৰে কৰক দিয়া, আমাৰনো কি?

— আপোনাৰ দৰে কে'বাজনৰো পৰা টকা নি সুত খাই আছে বোলে। শৰ্মানীয়ে মোক কৈছে নহয়, টকা ধাৰলৈ দি সুত লোৱা আৰু ঘৰে ঘৰে গৈ কূট লগোৱাত বৰানী বৰ ওস্তাদ বুলি।

— কি কৰিবা? যাৰ যি স্বভাৱ। শিয়াল ৰজা হ'লেও হোৱা নিদিয়াকৈ জানো থাকিব পাৰে?

— আপুনি ঠিকেই কৈছে। বৰানী দিনে দিনে বৰ অহংকাৰী হৈ উঠিছে। আজি-কালি মাতিবই নোখোজে দেখোন। নেদেখাৰ ভাও ধৰি আঁতৰি যায়।

— হয় নেকি?

— অ'। মই বহুদিন লক্ষ্য কৰিছো। আমাৰ অঞ্চলটোৰ ভিতৰতে এতিয়া ধনী বোলে তেওঁ। শৰ্মানীয়ে কৈছে নহয়।

— হ'ব পাৰে দিয়া। সময়ে কেতিয়া কাক ক'লৈ লৈ যায় কোনে জানে।

— তেওঁৰ চৰিত্ৰও বোলে ভাল নহয়। বহুতৰ লগত লেটিপেটি। গিৰিয়েকেও বোলে জানে; কিন্তু মাত মাতিব নোৱাৰে। শৰ্মানীয়ে কৈছে নহয়।

— হেৰা, তুমিও যি দেখিছো তেওঁলোকৰ জাততেই উঠিছা। পৰচৰ্চা, পৰনিন্দা এইবোৰ ভাল কথা নহয়।

— শৰ্মানীয়ে মোক কোৱা কথাখিনিহে আপোনাক কৈছো। মই কিয় আনৰ বদনাম কৰিবলৈ যামহে।

— যিয়ে যিমান পানীত নামে সিমানেই তিতে বুজিছা?

— কথা লগোৱা স্বভাৱটো যে বৰানীৰ আছে সেইটো মই জানো। ইঘৰৰ কথা সিঘৰত লগাই তেওঁ যে সমাজখনত বিভেদৰ সৃষ্টি কৰিছে সেইটোতো আপুনি নাজানে? শৰ্মানীয়ে কৈছে নহয়।

— এহ্ এই ক্ষেত্ৰত অকল তেৱেঁই জগৰীয়া নে? আমাৰ চুবুৰিটোৰ প্ৰায়ভাগ মহিলাই দেখোন নাৰদালি কৰি ঘূৰি ফুৰে।

— আপুনি ঠিকেই কৈছে। সজ চিন্তা, সৎ কাম কৰি সময়ৰ সদ্ব্যৱহাৰ কৰাৰ কথা তেওঁলোকে ভাবিবই নোৱাৰে।

— কেনেকৈ ভাবিব কোৱাচোন? বাতৰি কাকতেই পঢ়ে নে গানেই শুনে? টি ভি চালেও নিউজ নাচায়, চিনেমা বা ছিৰিয়েলহে চায়।

— সেইবাবেই দেশৰ খা-খবৰ একোৱেই নাজানে।

— তুমি এটা কথা লক্ষ্য কৰিছানে?

— কি?

— ইয়াৰ মহিলাসকলে ঘৰত জলকীয়াৰ পুলি বা ফুল এডাল ৰোৱা দেখিছানে?

— ফুল ৰুবনো কেতিয়া। সময়ে নাপায় নহয় আনৰ ঘৰে ঘৰে ঘূৰি ফুৰোতে। শৰ্মানীয়ে কৈছে নহয়।

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— ভগৱানৰ প্ৰতি কিন্তু ভক্তি কি চাবা? আমাৰ ঘৰৰ ফুলকেইটাৰে তেওঁলোকে ভগৱানক যেনে-তেনে সন্তুষ্ট কৰি ৰাখিছে আৰু।

— কলিয়ে ফুলে গোটেই সোপা ছিঙি যে নিয়ে অকণো বেয়া নালাগেনে?

— হেৰা, আনৰ বস্তুৰ প্ৰতি কাৰোবাৰ আদৰ থাকে জানো। নিজে ৰুলেহে মৰম থাকিলহেঁতেন।

— তিৰোতাৰ যে এইবোৰ কি স্বভাৱ। ভাল বুলিবলৈ একোৱেই নাই দিয়ক। কু-বুদ্ধিৰ ভঁৰাল একো একোজনী। শৰ্মানীয়ে কৈছে নহয়।

— মোৰ চিনিবলৈ কাকো বাকী নাই বুজিছা।

— বৰানীক আপুনি টানকৈয়ে ক'ব। আপোনাৰ পৰা টকা লৈ আজিলৈ ঘূৰাই দিয়া নাই। অথচ শৰ্মানীৰ আগত আমাৰেই বদনাম কৰে। শৰ্মানীয়ে কৈছে নহয়।

— কৰক দিয়া বদনাম। তেওঁৰ কথাৰ কি মূল্য আছেহে?

— আপোনাৰ চৰিত্ৰত ধৰি তাই কথা কৈছে জানেনে? তাইৰ ইমান সাহ? শৰ্মানীয়ে মোক কৈছে নহয়।

— কি? তাই কাৰ আগত ফুটনি মাৰেহে? এতিয়াহে আমাৰ মিল নাই। তাইৰ গাত ক'ত কেইটা তিল আছে মই চব জানো। তাই দাম লৈ কিয় কৰিবহে মোৰ বদনাম?

— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৪ জুলাই দেওবাৰ, ২০২১ পৃষ্ঠা ৫

## খ্যাতিমান চলচ্চিত্ৰ পৰিচালক

# দাৰা আহমেদ



**অসমৰ** চলচ্চিত্ৰ জগতৰ এগৰাকী নীৰৱ সাধক, বহুকেইখন জনপ্ৰিয় ছবিৰ পৰিচালৰ দাৰা আহমেদে কেইদিনমান আগতে আমাৰ মাজৰ আঁতৰি গ'ল। প্ৰকৃততে চলচ্চিত্ৰ তেওঁৰ বাবে আছিল জীৱন। শৈশৱৰ পৰা সাংস্কৃতিক ক্ষেত্ৰখনত জড়িত হৈ পৰা দাৰা আহমেদৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ নাজিৰাত। ছাত্ৰ অৱস্থাতে নাটক লিখি জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল তেওঁ।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত ইতিমধ্যে চিনাকি হৈ পৰা বায়েক এলি আহমেদৰ লগতে ঘৰখনৰ পৰা লাভ কৰা প্ৰেৰণাই তেওঁক সাংস্কৃতিক ক্ষেত্ৰখনত কাম কৰাৰ বাবে উৎসাহিত কৰিছিল। গুৱাহাটী বি বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা দাৰা আহমেদে অসমীয়া চলচ্চিত্ৰত প্ৰৱেশ কৰিছিল সহকাৰী পৰিচালক হিচাপে। প্ৰথমে সহকাৰী পৰিচালক হিচাপে বহুকেইখন ছবিত তেওঁ জড়িত হৈ পৰিছিল। ডাঃ বেজবৰুৱা ছবিৰ সহকাৰী পৰিচালক হিচাপে অসমীয়া ছবিজগতত প্ৰৱেশ কৰা দাৰা আহমেদে পৰবৰ্তী সময়ত আব্দুল মজিদৰ চামেলি মেমচাবৰ লগতে পোনাকণ আদি ছবিৰ সহকাৰী পৰিচালক হিচাপে কাম কৰিছিল। সহকাৰী পৰিচালনাৰ লগতে কাৰিকৰী ক্ষেত্ৰতো তেওঁ বিভিন্ন দিশত কাম কৰিছিল। তদুপৰি কে'বাখনো বাংলা ছবিতো তেওঁ সহকাৰী পৰিচালক হিচাপে কাম কৰিছিল।

দাৰা আহমেদে প্ৰথমে যুটীয়াভাৱে অসমীয়া চলচ্চিত্ৰ পৰিচালনা কৰিছিল। শম্ভু গুপ্তাৰ স'তে যুটীয়াভাৱে পৰিচালনা কৰা ছবিখন হৈছে 'দেৱী'। 1984ত ছবিখনে মুক্তিলাভ কৰিছিল। উল্লেখ্যযোগ্য যে সেই ছবিখনে সেই সময়ত অসম শিল্পী সমিতিয়ে আগবঢ়োৱা শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ ছবি আৰু শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে দাৰা আহমেদে স্বাধীনভাৱে পৰিচালনা কৰা ছবিখন আছিল 'পূজা'। 1985ত ছবিবখনে মুক্তিলাভ কৰিছিল। তাৰ পিছত তেওঁৰ পৰিচালনাত 1986ত মধুছন্দা, 1989ত বৰদৈচিলা, 1990ত ধ্ৰুৱতৰা, 1991ত যখিনী, 1993ত ৰিক্সাৱালা, 1995ত উৰ্বশী, 1997ত দেৱতা আদি ছবিয়ে মুক্তিলাভ কৰিছিল। তেওঁৰ প্ৰায়বোৰ ছবিয়ে দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। অসমৰ প্ৰায়বোৰ খ্যাতিমান শিল্পীকে দাৰা আহমেদে তেওঁৰ ছবিত লৈছিল। পৰিচালক হিচাপে তেওঁ এই শিল্পীসকলৰ পৰা প্ৰকৃত অভিনয় আদায় কৰিব পাৰিছিল আৰু সকলোৰে লগত অতি সহযোগিতাৰে কামবোৰ কৰিছিল। তেওঁ মানুহজন আছিল অতি সৰল আৰু সহজ প্ৰকৃতিৰ।

**অনুভৱ পৰাশৰ**

ছবিৰ লগতে নাটকৰ ক্ষেত্ৰতো তেওঁৰ অৱদান স্মৰণীয়। নাট্য ৰচনা, পৰিচালনা তথা অভিনয়ৰ ক্ষেত্ৰত সৰুৰে পৰা তেওঁ জনপ্ৰিয়তা লাভ কৰিছিল । সেই সময়তে তেওঁ ৰচনা কৰা 'সত্যাগ্ৰহ' নামৰ নাটক এখনিয়ে বিভিন্ন মঞ্চত জনপ্ৰিয়তা লাভ কৰিছিল। আনহাতে তেওঁ লিখা একাংক নাট 'চন্দ্ৰতাপ' বিভিন্ন মঞ্চত তথা প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। দাৰা আহমেদে নাটখনিত শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

অসমীয়া চলচ্চিত্ৰ সমান্তৰালকৈ দাৰা আহমেদে দূৰদৰ্শনত বিভিন্ন কাম কৰিছিল। সেই সময়ত দূৰদৰ্শনত বহু ধাৰাবাহিক আৰু তথ্যচিত্ৰ প্ৰচাৰ কৰা হৈছিল। তেওঁৰ পৰিচালিত উল্লেখযোগ্য ধাৰাবাহিককেইখন হৈছে— জীৱনধাৰা, গধূলি, শাহু আই, মিঠাৰ তিতা মিঠা, মহাঅৰণ্য, নতকী আদি। গুৱাহাটী, শিলচৰ আৰু ডিব্ৰুগড় দূৰদৰ্শনৰ বাবে তেওঁ কে'বাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰিছিল। আনহাতে দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যক্ৰমত প্ৰচাৰিত তেওঁৰ দ্বাৰা পৰিচালতি 'মহাত্মাৰ পৰা জ্যোতি প্ৰসাদলৈ' শীৰ্ষক তথ্যচিত্ৰ, যিখন প্ৰযোজনা কৰিছিল সাহিত্য অকাডেমীয়ে। তেনেদৰে সাহিত্য অকাডেমীয়ে প্ৰয়োজনা কৰা চৈয়দ আব্দুল মালিকৰ জীৱনভিত্তিক এখন তথ্যচিত্ৰও নিৰ্মাণ কৰিছিল তেওঁ।

দাৰা আহমেদ আছিল প্ৰকৃতাৰ্থত এগৰাকী শিল্পী। কিয়নো তেওঁ কোনো চাকৰি কৰা নাছিল, কেৱল সাংস্কৃতিক ক্ষেত্ৰখনত থাকিয়েই জীৱন নিৰ্বাহ কৰিছিল। কিন্তু তেওঁ অসমীয়া সমাজ আৰু সংস্কৃতিলৈ যিমান অৱদান আগবঢ়াইছে সেই হিচাপে তেওঁ সিমান স্বীকৃতি নোপোৱা যেন অনুভৱ হয়। তেওঁৰ হয়তো আৰু এখন ছবি নিৰ্মাণৰ সপোন আছিল, কিন্তু প্ৰযোজকৰ অভাৱে তেওঁৰ সেই ইচ্ছা পুৰণ কৰিব নিদিলে। ৯০ দশকত তেওঁ অসমৰ নতুন প্ৰজন্মক চলচ্চিত্ৰৰ শিক্ষা দিবৰ বাবে ফিল্ম ইনষ্টিটিউট এখন খুলিছিল। সেই প্ৰতিষ্ঠানৰ পৰা বহু ছাত্ৰ-ছাত্ৰী উপকৃত হৈছিল।

আজি তেওঁ আমাৰ মাজত নাই। 75 বছৰ বয়সত তেওঁ আমাৰ মাজৰ পৰা আঁতৰি গ'ল। তেওঁৰ চলচ্চিত্ৰ চিন্তা আৰু কাৰিকৰী যি কৌশল সেয়াই আমাৰ মাজত তেওঁক জীয়াই ৰাখিব সদায়। চলচ্চিত্ৰপ্ৰেমীসকলে দাৰা আহমেদৰ ছবিৰ বিষয়ে আলোচনা কৰাৰ অৱকাশ আছে বুলি আমি অনুভৱ কৰো। শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনালোঁ।

# কিছু ল'ব লাগে, কিছু দিব লাগে জীণ যাবলৈ হ'লে

**বিশ্ববিখ্যাত** নিউজ চেনেল এটাই ভাৰতীয় পাৰ্চী জনগোষ্ঠীৰ আধাৰত নিৰ্মাণ কৰা চুটি তথ্যচিত্ৰ এখন চাই থাকোতে মোৰ মানসপটত চেৰেং- চেৰেংকৈ খুন্দা মাৰি থকা শব্দটোৱেই হ'ল অসমীয়া।

এটা জাতি কালৰ বুকুত কেনেদৰে অতীত হৈ যাব পাৰে তাৰ বহু উদাহৰণ আৰু প্ৰমাণ ইতিহাসৰ পৃষ্ঠাই পৃষ্ঠাই লিখা হৈ গৈছে আৰু ভৱিষ্যতেও হয়তো লিখা হ'ব। ভাৰতবৰ্ষৰ বুকুতে অত্যন্ত সভ্য, সুৰুচিপূৰ্ণ, সংস্কৃতিবান এটা জাতি কালৰ বুকুত কেনেদৰে অবলুপ্ত হ'বলৈ গৈ আছে সেয়া সূক্ষ্মভাৱে অনুধাৱন কৰিলে কেৱল আন্দোলন, সংঘৰ্ষ, অৱিয়াঅৰিৰ মাজত দীৰ্ঘদিন ধৰি গা এৰি দিয়া 'অসমীয়া' নামৰ জাতিটোৰ প্ৰতিজন বুদ্ধি বিবেচনা সম্পন্ন লোকৰে পেটতে হাত ভৰি লুকুওৱাৰ অৱস্থা হ'ব।

এয়া আমাৰ কথা নহয়। ২০০০ৰ ইউনেস্কোৰ ঘোষণা পত্ৰত কালৰ বুকুত হেৰাই যোৱা আৰু হেৰাই যাবলৈ আগবাঢ়ি গৈ থকা কিছু জাতি-জনগোষ্ঠীৰ বিষয়ে উল্লেখ আছে আৰু এনেদৰে অৱলুপ্তিৰ পথলৈ আগবঢ়া জাতিৰ সভ্যতা সংস্কৃতি কেনেদৰে ৰক্ষা কৰিব পৰা যায় সেই পৰিকল্পনাৰে সাহায্য আঁচনি যুগুত কৰিও আগবঢ়া হৈছে কিছু সাহায্য আঁচনিয়ে এটা জাতিৰ সভ্যতা-সংস্কৃতি কিমান দিনলৈ ৰক্ষা কৰি থাকিব পাৰিব সেয়া সময়েহে ক'ব।

ভাৰতবৰ্ষৰ পাৰ্চীসকলেই আছিল আটাইতকৈ আঢ্যৱন্ত জাতি। সাহিত্য-সংস্কৃতি-আইন-উদ্যোগ সকলোতে আগবঢ়া জাতিটোৱেই আছিল পাৰ্চীসকল। ভাৰতবৰ্ষৰ উদ্যোগিক পৰিকাঠামো তৈয়াৰ কৰা টাটা আৰু ৱাডিয়া-দুয়োটা পৰিয়ালেই পাৰ্চী জনগোষ্ঠীৰ। ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰখনৰ প্ৰভাৱশালী ব্যক্তি দাদাভাই নৌৰোজীৰ পৰা আৰম্ভ কৰি আইনজগতৰ উজ্জ্বল জ্যোতিষ্ক ননী পাল্কিৱালা, চলী চোৰাবজী, সংবাদ জগতৰ অগ্ৰণী পুৰুষ ৰুচি কাৰাঞ্জীয়া, সৈন্য বাহিনীক আধুনিক ৰূপ দিয়া ফিল্ড মাৰ্শ্বাল চাম মানেকাশ্ব, উদ্যোগিক ক্ষেত্ৰখনলৈ



দীৰ্ঘম্যাদী পৰিৱৰ্তন অনা ৱাডিয়া আৰু গডৰেজ পৰিয়াল, আনকি ক'ভিড-১৯ৰ নৰসংহাৰক মানৱ জাতিৰ কবললৈ আনিবলৈ চেষ্টা কৰি ভেকচিন আৱিষ্কাৰেৰে যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱা ছিৰাম ইনষ্টিটিউটৰ কৰ্ণধাৰ আদৰ পুনাৱালা আদি সকলো পাৰ্চী জাতিৰে সন্তান। কিছু এনে মানৱ জ্যোতিষ্ক জন্ম দিয়া পাৰ্চী জাতি অবলুপ্তিৰ গহ্বৰলৈ আগবাঢ়ি গৈ থকা কথাটো বিশ্বাস কৰিবলৈকে টান হয়। কিন্তু এই জাতিটোৰ জনসংখ্যাৰ পৰিসংখ্যাই এনে ভয়ানক ধাৰণাই জন্ম দিছে যে মাত্ৰ ৫১ হেজাৰ জনসংখ্যাৰ এটা জাতি এই ধৰাৰ বুকুত জাতি হিচাপে মূৰ তুলি জীয়াই থাকিব পাৰিবনে? পাৰ্চী জাতিৰ গুণী-জ্ঞানী ব্যক্তিসকলে ২০১১ৰ পিয়লৰ সময়তে সিদ্ধান্ত লৈছিল পাৰ্চী জাতিৰ মানুহ থাকক বা নাথাকক এই জাতিৰ চহকী সংস্কৃতি ৰক্ষা কৰিবই লাগিব। এই চহকী সভ্যতা আৰু সংস্কৃতি অৱলুপ্ত হৈ যাবলৈ দিয়াটো অনুচিত হ'ব।

১৯৪১ৰ পৰিসংখ্যা অনুযায়ী ভাৰতবৰ্ষত পাৰ্চী জনগোষ্ঠীৰ সংখ্যা আছিল ১,১৪,০০০ জন। ১৯৯১ত এই পৰিসংখ্যা নামিল ৭৮ হেজাৰ জনলৈ। ২০১১ৰ পৰিসংখ্যা হ'ল ৫৭,২৬৪ জন। ২০১১ত এই সাৱধানবাণী জনোৱা হৈছিল যে যদি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে ২০২১ত পাৰ্চী জনগোষ্ঠীৰ পৰিসংখ্যা হ'বগৈ ২৩ হেজাৰ জন মাত্ৰ। কিন্তু আশাপ্ৰদ কথা এইটোহে যে ২০১১ত আশংকা কৰাৰ দৰে পাৰ্চী জনসংখ্যা এতিয়াও ইমান কমি যোৱা নাই যে এটা জাতিৰ অবলুপ্তি ঘটিব। মৃত্যুতকৈ জন্মৰ হাৰ কম হোৱাটো এই জাতিৰ বাবে এক অভিশাপ স্বৰূপ হৈছে। মন কৰিবলগা কথা যে এই জাতিৰ ৬০ বছৰৰ ঊৰ্দ্ধৰ ব্যক্তিৰ পৰিসংখ্যা ৩১ শতাংশ কিন্তু শিশুৰ জনসংখ্যা ৪.৭ শতাংশ। পুৰুষ আৰু মহিলাৰ সমানুপাতিক হাৰ সৰ্বভাৰতীয় ক্ষেত্ৰত ১০০০ঃ৯৩৩ৰ বিপৰীতে পাৰ্চী জাতিৰ ক্ষেত্ৰত এই হাৰ ১০০০ ঃ ১০১৫। সাক্ষৰতাৰ হাৰ সৰ্বভাৰতীয় পৰ্যায়ৰ ৬৪ শতাংশৰ বিপৰীতে পাৰ্চী সমাজৰ সাক্ষৰতাৰ হাৰ ৯৮ শতাংশ। মুম্বাইত চলোৱা এক সমীক্ষা অনুযায়ী পাৰ্চী সমাজৰ ১০ শতাংশ মহিলা আৰু ২০ শতাংশ পুৰুষ অবিবাহিত যিটোৱে পাৰ্চী জনসংখ্যা বৃদ্ধিত ডাঙৰ প্ৰভাৱ পেলাইছে। জনসংখ্যাৰ তীব্ৰ হ্ৰাসকৰণৰ ফলস্বৰূপে পাৰ্চী সংস্কৃতিয়েও লাহে লাহে মেলানি মাগিবলৈ আৰম্ভ কৰিছে। গুজৰাটৰ চুভালী নামৰ ঠাইত অৱস্থিত ১২৫ বছৰীয়া পুৰণি পাৰ্চীৰ জোৰাষ্ট্ৰিয়ান অগ্নি মন্দিৰত পূজা-অৰ্চনাও অনিয়মিত হৈ পৰিছে। আজিৰ পৰা কেইবছৰমানৰ আগতে অৱস্থা এনে পৰ্যায় পাইছিলগৈ যে সন্ধিয়া হ'লে এই মন্দিৰত প্ৰৱেশ ঘটিছিল জুৱাৰী- মদপীৰ। কিন্তু এই পৰিৱেশ চৰকাৰী কঠোৰ অনুশাসনৰ বাবে কিছু উন্নত হৈছে। গুজৰাট আৰু মুম্বাইৰ বিভিন্ন অঞ্চলত থকা পাৰ্চী সভ্যতাৰ নিদৰ্শন স্বৰূপ ৰাজপ্ৰাসাদ আৰু অট্টালিকাসমূহ ক্ৰমাৎ জহি-খহি গৈছে। এইবোৰত লগোৱা ইটালিয়ান মাৰ্চলত শেলুৱৈ গজিছে, গ্ৰীক নিৰ্মাণশৈলীৰ আৰ্হিৰে বনোৱা লোহাৰ গ্ৰীল আৰু শিলত কটা মূৰ্তি ধূলি আৰু আৱৰ্জনাই ঢাকি পেলাইছে। পাৰ্চী গাভৰুৱে আজি পাহৰি গৈছে সুস্বাদু 'খাস্তি' তৈয়াৰ কৰিবলৈ। পাহৰি গৈছে আটকধুনীয়া বুটা বছা কাপোৰ কানি ঘৰতে তৈয়াৰ কৰিবলৈ। নাজানে বৰষুণৰ পানী ধৰি মুচলিনৰ মাজেদি পাৰ কৰি ঘৰতে মিনাৰেল ৱাটাৰ তৈয়াৰ কৰি ল'বলৈ। ইডা-পাক (কণীৰ পৰা তৈয়াৰ কৰা), ডিং (মাহৰ পৰা), ৰাচানু (ফলৰ পৰা) তৈয়াৰ কৰাৰ সংস্কৃতি আদি। আজি কালৰ বুকুৰ পৰা হেৰাই গৈছে চহকী পাৰ্চী সভ্যতা আৰু সংস্কৃতি। মাত্ৰ ৬৯ হেজাৰ জনসংখ্যাৰ এটা জাতিয়ে কিমানদূৰ নিজস্ব সংস্কৃতি জীয়াই ৰাখিব পাৰে সেয়া লক্ষ্যণীয় হ'ব।

অসমৰ ভ্ৰাম্যমাণ নাট্যসংস্কৃতি প্ৰকৃততে আছিল পাৰ্চী ভ্ৰাম্যমাণ নাট্যদলৰ অনুসৰণ। ১৮৫০ তে পাৰ্চীসকলে ভ্ৰাম্যমাণ নাট্যদল ভাৰতবৰ্ষৰ সংস্কৃতিবান দৰ্শকসকলৰ স'তে চিনাকি কৰি দিছিল। মুম্বাইৰ নাৰীমান পইণ্টত গুজৰাটৰ পৰা ভ্ৰাম্যমাণ নাট্যদলবিলাক আহি নাটৰ পোহাৰ মেলিছিলহি। পাৰ্চীসকলৰ তিনিটা নাট্যদলে সমগ্ৰ ভাৰতৰ মঞ্চপ্ৰিয় দৰ্শকসকলক মোহাচ্ছন্ন কৰি ৰাখিছিল। পৃথিৰাজ কাপুৰৰ পৰা আই ডি শশীলৈকে বহুতো চলচ্চিত্ৰ নিৰ্মাতা কাহিনীৰ বাবে নিৰ্ভৰশীল আছিল পাৰ্চীসকলৰ ওপৰত। ১৮৫৪তে বোম্বাইত পাৰ্চীসকলে মঞ্চস্থ কৰা 'ৰুস্তম চোৰাব' নাটকে ভাৰতীয় নাট্য আন্দোলনত এৰাব নোৱাৰা প্ৰভাৱ পেলাইছিল। পৃথিৰাজ কাপুৰৰ পৃথি থিয়েটাৰকে আদি কৰি মুম্বাইৰ ফিল্ম দুনীয়াত পাৰ্চী সংস্কৃতিৰ প্ৰভাৱ অপৰিসীম আছিল। পাৰ্চী ভ্ৰাম্যমাণ থিয়েটাৰ আজি-কালি নাইকিয়া হৈ গ'ল বুলিয়ে ক'ব পাৰি। মাত্ৰ এটা পৰিয়ালেহে ইয়াক ধৰি ৰাখিছে। য়াজদী কাৰানজিয়াৰ পৰিয়ালে এৰি দিলে এই পৌৰাণিক দলটো থাকিবগৈ নে নাই সন্দেহ। পাৰ্চী থিয়েটাৰে যথেষ্ট দৰ্শক লাভ কৰে। কিন্তু কথাটো এনেকুৱা হৈছেগৈ যে— কোনে কোনটো ধৰিব? উদ্যোগ চলাব নে নাটক কৰিব? ৰেষ্টাৰ্ণ কয়দাৰ ৰেষ্টুৰেণ্ট চলাব নে ইডা-পাক, ডিং তৈয়াৰ কৰি সংস্কৃতি জীয়াই ৰখাৰ চেষ্টা কৰিব?

পাৰ্চীসকলৰ ধৰ্মগুৰু জোৰাষ্ট্ৰিয়ানৰ অনুগামীসকল মূলতঃ ইৰানৰ পৰা প্ৰব্ৰজিত লোক আছিল। ইৰানৰ ইছলামধৰ্মী লোকৰ সংখ্যা বাঢ়িবলৈ লোৱাত জোৰাষ্ট্ৰিয়ানসকলে লাহে লাহে দেশ এৰি সুবিধাজনক স্থানলৈ প্ৰব্ৰজন কৰিবলৈ আৰম্ভ কৰিলে। কিংবদন্তিয়ে কয় যে দশম শতিকাৰ পহিলা ভাগত একাংশ জোৰাষ্ট্ৰিয়ান লোক সাগৰেদি আহি ভাৰতবৰ্ষৰ মাটিত ভৰি দিয়েহি। তাহানিৰ বোম্বাই প্ৰভিন্সৰ কাষৰীয়া চানজান নামৰ ঠাইত খুঁটি মাৰি তেওঁলোকে সুবিধাজনক ঠাই বিচাৰিবলৈ আৰম্ভ কৰিলে। কিন্তু চানজান প্ৰদেশৰ ৰজা যদিৰানাই এই শৰণাৰ্থীসকলক নিজ দেশত সংস্থাপন দিয়াটো সম্ভৱ নহয় বুলি জনাই দিয়ে। এই কথা জানিব পাৰি শৰণাৰ্থী দলত দলপতিজনে ৰজাৰ ওচৰলৈ এটা পাত্ৰত অলপ গাখীৰ লৈ আহি তাত অলপ চেনি গুড়ি পেলাই দি ৰজাক ক'লে ঃ যিদৰে গাখীৰত চেনিখিনি মুহূৰ্ততে গলি গ'ল সেইদৰে শৰণাৰ্থীসকলকো যদি ৰজাই আশ্ৰয় দিয়ে তেন্তে তেওঁলোক স্থানীয় জনগণৰ স'তে মিলি যাব। যিদৰে অকণমান চেনিয়ে গাখীৰক অপকাৰ কৰিব নোৱাৰিলেই, বৰঞ্চ সুস্বাদুহে কৰি তুলিলে সেইদৰে জোৰাষ্ট্ৰিয়ান সভ্যতা আৰু সংস্কৃতিয়ে বিশাল ভাৰতীয় সংস্কৃতিৰ স'তে মিলি গৈ ভাৰতীয় সংস্কৃতিক অধিক চহকী কৰি তুলিব। শৰণাৰ্থীসকলৰ দলপতিৰ কথাত ৰজা যদিৰানা অতি সন্তুষ্ট হ'ল আৰু শৰণাৰ্থীসকলক নৱচৰাই নামৰ গ্ৰামত সংস্থাপিত কৰিলে।

উল্লেখযোগ্য যে ভাৰতবৰ্ষৰ স্বাধীনতা যুঁজত এই পাৰ্চীসকলেই সেই অঞ্চলত আগৰণুৱাৰ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰা প্ৰণালী ইউৰোপীয় ধৰণৰ আছিল যদিও সভ্যতা আৰু সংস্কৃতি আছিল ভাৰতীয় পৰম্পৰাৰ অবিকল। দাদা ভাই নৌৰোজীৰ পৰা আৰ কে কাৰজিয়ালৈ, টাটা-বিৰলাৰ পৰা পুনাৱালালৈকে, মানেকশ্বৰ পৰা পাল্কীৱালালৈকে পাৰ্চীসকলৰ ভাৰতীয় সভ্যতা-সংস্কৃতি-সাহিত্য-উদ্যোগ-আইন জগতলৈকে অৱদানৰ কথা কোনে পাহৰিব পাৰে? কিন্তু এনে এক ঐতিহ্যসম্পন্ন জাতি হৈয়ো কিয় পৌৰাণিক ধ্যান-ধাৰণাৰে অৱলুপ্তিৰ পথলৈ গতি কৰিছে ভাবিবলগীয়া কথা। পৌৰাণিক ধ্যান-ধাৰণা বুলি এইবাবেই কোৱা হয় যে পাৰ্চীসকল আজিৰ তাৰিখতো অতি ৰক্ষণশীল। এটা পৰিয়ালৰ বিবাহোযোগ্য এজনী ছোৱালী পাৰ্চী বিনে অন্য সম্প্ৰদায়ৰ ল'ৰাৰ স'তে বিবাহ হয় তেন্তে সেইজনী ছোৱালী পাৰ্চী সমাজৰ অংগ হৈ থাকিব নোৱাৰে। পাৰ্চীসকলৰ পূজা-অৰ্চনাতো তাইক ভাগ ল'বলৈ অনুমতি দিয়া নহয়। পাৰ্চীসকলে অগ্নিপূজা কৰে। স্বধৰ্মৰ বৰ অবিহনে অন্য ধৰ্মলৈ গতি কৰিলে ছোৱালীজনীৰ অগ্নি পূজাৰো অধিকাৰ নাইকিয়া হয় পাৰ্চীসমাজত। সমাজৰ কঠোৰ নীতি- নিয়মেও নৱপ্ৰজন্মৰ জীৱন কৰিছে দুৰ্বিষহ। জন্ম নিয়ন্ত্ৰণেও পাৰ্চী সমাজলৈ ভাবুকি কঢ়িয়াই আনিছে।

সেয়েহে আজিৰ তাৰিখত পাৰ্চী সমাজৰ বহুবোৰ অনা চৰকাৰী অনুষ্ঠান আৰু সংগঠন গঢ় লৈ উঠিছে যি পাৰ্চী পৰিয়ালসকলৰ মাজত অধিক সন্তান জন্ম দিয়াৰ বাবে প্ৰেৰিত কৰিছে। আনকি আধুনিক চিকিৎসা পদ্ধতিৰ আই ভি এফ পন্থাৰ সহায়ৰে কৃত্ৰিম উপায়েৰে সন্তান জন্ম দিয়াৰ পোষকতা কৰাৰ লগতে ইয়াৰ বাবে আৰ্থিক সাহায্যৰো দিহা কৰি দিছে। এনে এটা সংগঠন হৈছে জিঅ' পাৰ্চী।



**আজিৰ চিন্তা**

**বিশ্বজিৎ বৰুৱা**

পাৰ্চী জাতিৰ ক্ৰমাগত অৱলুপ্তিৰ বিষয়ে লিখিছো যদিও প্ৰতি মুহূৰ্ততে মোৰ মন আৰু মগজুৰ তন্ত্ৰীয়ে তন্ত্ৰীয়ে ধ্বনিত হৈছে এটাই শব্দ। সেয়া হৈছে অসমীয়া। অসমীয়া জাতি এটা জাতি হিচাপে মূৰ তুলি বিশ্বৰ বুকুত জীয়াই থাকিবলৈ হ'লে আমি গঢ়ি তুলিব পাৰিব লাগিব অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ এক শক্তিশালী পৰিকাঠামো। আগুৱাই নিব লাগিব অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া। গাখীৰত চেনি পৰিলে মুহূৰ্ততে মিলি যোৱাৰ দৰে আৰু চেনিয়ে গাখীৰকো সুস্বাদু কৰি তোলাৰ দৰে বৃহৎ অসমীয়া সমাজখনো সুধাকণ্ঠৰ ভাষাৰে 'মিলিব জানিলে আৰু মিলাব জানিলে' নিশ্চয় এক শক্তিশালী সমাজ আৰু জাতি হিচাপে গঢ় লৈ উঠিব।


*ফোন ঃ ৯৪৩৫১৩১৭৫২*

# জীৱ জগতৰ আৱিৰ্ভাৱ উত্থান-পতনৰ কাহিনী

**অষ্টম পৰ্ব**

**বিৱৰ্তিত জীৱ-জগত বিকাশৰ যুগপঞ্জী**

**যুগ**-অতিযুগ বিয়পা প্ৰাণী জগতৰ পাৰ্থিৱ ক্ৰম-বিকাশ সূচনা কৰিছিল এককোষী বীজাণু-জীৱাণু জননী ৰঙীণ বেক্টেৰিয়াৰ পৰা বিকশিত ভেঁকুৰ জাতীয় বহুকোষী জীৱন সৃষ্টিৰে। বিশ্বাস কৰিবলৈ টান লাগে, তাৰ পৰাই সমগ্ৰ জীৱ/প্ৰাণী জগতৰ বিচিত্ৰতা নিৰ্মিত হৈ আহিছে। আজিৰ ক্ষুদ্ৰকায় সৰীসৃপ/চতুস্পদী/দ্বিপদী জেঠী-তেজপিয়াৰ দৰে জীৱৰ আখ্যানৰত দৈত্যকায় ডাইন'ছৰৰ লগত সম্পৰ্ক থাকিব পাৰে। স্তন্যপায়ী তিমিমাছৰ লগত গো-প্ৰজাতি বা বান্দৰৰ লগত আজিৰ মানুহৰ প্ৰজননিক সম্পৰ্ক থাকিব পাৰে!! — জাগতিক বিৱৰ্তনৰ আনুবংশিক তথ্যত সি অসম্ভৱ নহয়।




বৈজ্ঞানিক পিয়ল অনুসৰি পৃথিৱীখন আনুমানিক ৫০ কোটিৰো অধিক বিচিত্ৰ আৰু সুকীয়া জীৱ-প্ৰজাতি, জাতি-গোষ্ঠীৰ সমূহীয়া বাসস্থান ৰূপত চলি আহিছে। আৱিৰ্ভাৱ আৰু বিলুপ্ত হৈ আহি গৈ থকা সমূহীয়া প্ৰাণী জগতৰ আনুমানিক ৯৯ শতাংশ ইতিধ্যে চিৰযুগৰ বাবে নিঃশেষ হৈ গৈছে। আজিৰ পৃথিৱীত মানৱ প্ৰজাতিৰ লগতে সহবাসী জীৱ-জন্তুৰ প্ৰজাতি সংখ্যা ১.২ কোটি বুলি অনুমান কৰা হৈছে। পহিলা প্ৰজাতিৰ জীৱ-জগতৰ এই অহা-যোৱাৰ আলেক্ষ্য হৈছে সমূহীয়া ক্ৰমবিকাশৰ পৰম্পৰা।

জীৱনালয় পৃথিৱীৰ প্ৰথম এক-কোষী প্ৰাণীৰ প্ৰজাতি অধিবাসীয়ে প্ৰায় ৪৫০ কোটি বছৰ আগেয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে এক কঠিন পৰিৱেশত জীৱনৰ পাতনি কৰা সংগ্ৰাম/সংঘাতৰ বাস্তৱতা পৰৱৰ্তী কোনো প্ৰজাতিয়ে ভাবিব নোৱাৰে। অসম্ভৱ, অবিস্মৃত জাগতিক বিকাশৰ আদিপৰ্ব।

ভূ-পৃষ্ঠত আৱিষ্কৃত আটাইতকৈ পুৰণি শিলাভূত জীৱাশ্মাৰ আয়ুস অনুসৰি জীৱৰ আৱিৰ্ভাৱে আছিল ৩৭০ কোটি বছৰ আগেয়ে। সেই জীৱাশ্ম আছিল পাছলৈ ভূমিভাগ হৈ উঠা মহাসাগৰৰ তলৰ পিঠি নিবাসী সূক্ষ্মকায়ী বীজাণু-জীৱাণুৰ বহুকোষী প্ৰাণীৰ। লগতে ঠাৱৰ কৰা হৈছে যে সেই প্ৰজাতি আছিল অম্লজান তথা বায়ুহীন মণ্ডল নিবাসী জীৱ। অনুমান কৰা হৈছে, তেনেকুৱা জীৱ-জগতে বস্তুজগতত থকা খাদ্য-সামগ্ৰী তৈয়াৰ কৰিবলৈ গৈ জীৱন ৰাসায়নিক পদাৰ্থ, বায়ুমণ্ডল আৰু জলমণ্ডলত সংযোগ কৰিছিল। দৰাচলতে, সেই যুগ্ম অৱস্থাৰ জীৱাণু-বীজাণু জগতে পৰৱৰ্তী জীৱ জগতৰ বাবে অপৰিহাৰ্য নতুন পৰিৱেশ গঠনত মুখ্য অৰিহণা যোগাইছিল।

আদি অৱস্থাৰ সৌৰ-জাগতিক অস্থিৰতাৰ মাজত সম্যক ৰূপত সংগঠিত হৈ উঠা গ্ৰহাঞ্চল ধূসৰ মেঘাবৃত্ত আছিল। কিন্তু, সূৰ্য নক্ষত্ৰৰ পৰা অহৰহ নিৰ্গত হৈ আহি থকা উত্তপ্ত বায়ু আৰু ৰশ্মি শক্তিৰ সোঁতে ধূলি-বালি-আৱৰ্জনাবোৰ বোৱাই লৈ গৈ আছিল। যেন অন্ধকাৰৰ পৰা পোহৰলৈ কৰা গতিত জগতৰ আকাশখন পৰিষ্কাৰ হৈ পৰিছিল। সেয়া প্ৰায় ২১০ কোটি বছৰ আগৰ কথা। গঢ়ি উঠা স্বচ্ছতাৰ বাবে শক্তিশালী অধিক পৰিমাণৰ সূৰ্যৰ ৰশ্মিপ্ৰবাহে গ্ৰহ জগতৰ পৰিৱেশত থূপ খাই থকা বিষাক্ত গেছীয় আভৰণক হয়তো ধ্বংস, নহয়তো বাহিৰলৈ ঠেলি বিতাড়িত কৰিছিল।



**ড° অতুল চন্দ্ৰ শৰ্মা**

সেই যুগত পৃথিৱী পৃষ্ঠত ঠন ধৰি উঠা নীলা আৰু সেউজীয়া বৰণৰ বহুকোষী শেলুৱৈৰে জাতীয় উদ্ভিদ জগতে উশাহত জীৱ-অপকাৰী বিষাক্ত গেছ, কাৰ্বন-ডাই-অক্সাইড শুহি হজম কৰি, নিশাহত অক্সিজেন বা অম্লজান গেছ নিৰ্গত কৰা যোজনা কৰিছিল। লগতে সৃষ্টি কৰা হৈছিল হৰিৎকনাৰ সালোক-সংশ্লেষণ বা 'ফটো ছিন্‌ঠেছীছ' ৰাসায়নিক প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াত কাৰ্বন-ডাই-অক্সাইড গেছ হজম কৰি প্ৰচুৰ পৰিমাণৰ অম্লজান গেছ বায়ুমণ্ডলত এৰি দিয়া হৈছিল; এই প্ৰক্ৰিয়াই পৃথিৱী পৃষ্ঠত সেউজীয়া আভৰণ নিৰ্মাণ কৰি তুলিছিল। প্ৰায় এশ কোটি বছৰৰ ভিতৰত উদ্ভিদ জগত গঢ়া প্ৰণালী সম্পূৰ্ণ হৈ উঠিছিল। লগে লগে আদিম জীৱ, এক কোষী প্ৰাণীৰ ক্ৰমবিকাশত গঢ়ি উঠা যুক্তকোষী বেক্টেৰিয়া আৰু শেলুৱৈৰূপী বীজাণু-জীৱাণু জগতৰ প্ৰাধান্যতা বিস্তাৰ হৈ উঠিছিল।

প্ৰায় ৯০ কোটি বছৰ আগেয়ে সহজ-সৰল গাঁথনিৰ বহু কোষী প্ৰজাতি উদ্ভৱ হৈছিল। তেনেকুৱা সহজ-সৰল গঠনৰ মৌলবাদী প্ৰজাতিসমূহৰ ভিতৰতে এচাম বিভিন্নধৰ্মী কোষে আৰম্ভ কৰিছিল বহুমুখী চৰিত্ৰ, গুণাগুণ আৰু গঠনৰ ব্যতিক্ৰম; জীৱ জগতৰ জীৱন প্ৰৱাহত গঢ়ি উঠা বিচিত্ৰতাৰ আৱিৰ্ভাৱ। প্ৰায়ভাগ গৱেষকে বিশ্বাস কৰে, সেই যুগীয়া পৰিৱৰ্তন/বিৱৰ্তন পাৰ্থিৱ জীৱ জগতৰ ক্ৰমবিকাশৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। কাৰণ, সেই ব্যতিক্ৰমী যুগত অংকুৰিত হৈছিল আজিৰ যুগীয়া সৃষ্টিৰ কঠিয়াতলি। জীৱ/প্ৰাণী জগতৰ বিচিত্ৰতা নিৰ্মাণৰ আদি পৰ্ব। জীৱ জগতৰ জাতি-প্ৰজাতি, গোষ্ঠী-সম্প্ৰদায়, গণ-বৰ্ণ বিভাগৰ চানেকি নিৰ্মাণৰ মানচিত্ৰ নিৰ্মাণৰ যুগ।

ভূ বৈজ্ঞানিক যুগপঞ্জীৰ বিভাজন অনুসৰি প্ৰায় ৫৪ কোটি বছৰ আগৰ যুগক কোৱা হয় 'কেম্ব্ৰীয়ান' যুগ— বিচিত্ৰ জীৱ জগত বিকশিত হৈ উঠা এক ৰহস্যময় কাল। সংঘটিত জীৱ সৃষ্টি জগতৰ কায়িক, গাঁথনিক আৰু প্ৰাকৃতিক পৰিব্যাপ্তিৰ এক প্ৰহেলিকা অভূতপূৰ্ব মহাপৰিৱৰ্তনৰ যুগ। কম সময়ৰ ভিতৰত আৱিৰ্ভাৱ হোৱা এচাম আচৰিত জীৱ প্ৰজাতিয়ে এক আচহুৱা আলোড়নৰ সৃষ্টি কৰিছিল, যাক কোৱা হৈছে তীব্ৰ গতিময় 'কেম্ব্ৰীয়ান-



আলোড়ন'; প্ৰাকৃতিক বিজ্ঞানৰ প্ৰায়ভাগ বিভাগে সেই কালীন যুগক জীৱন বিকাশ ক্ষেত্ৰৰ এক মানদণ্ড ৰূপত গণ্য কৰি আহিছে।

পূৰ্বগামী কালত বিশাল ৰূপত গঢ়ি উঠা উদ্ভিদ জগতৰ লগতে বেক্টেৰিয়াবৰ্গ-সৰ্গ-প্ৰজাতিৰ বিকাশে অম্লজান গেছ পৰ্যাপ্ত পৰিমাণত বায়ুমণ্ডলত সৃষ্টি কৰা বাবে পৃথিৱীৰ পৰিৱেশ প্ৰায় সম্পূৰ্ণ জীৱন সমৰ্থক হৈ উঠিছিল। লগতে জলজ আৰু উদ্ভিদ জগতে উৎপাদন কৰা পুষ্টিকৰ খাদ্য-সামগ্ৰীয়ে কেম্ব্ৰীয়ান সৃষ্টি মঞ্চত নতুন নতুন জীৱ জগতৰ সৰ্গ, বৰ্গ, পৰ্ব আৰু প্ৰজাতিৰ ক্ৰমবিকাশ গঢ়ি তুলিছিল। মুখ্যতঃ সাগৰ-মহাসাগৰ নিৰ্ভৰশীল পৰিৱেশত মহাপৰিৱৰ্তন সংঘটিত হৈছিল যদিও, লগতে লগে স্থলচৰ, উভচৰ জাতি-প্ৰজাতিৰো আৱিৰ্ভাৱ ঘটিছিল। মুঠতে, আজিৰ মূৰ্তমান বিচিত্ৰ জীৱ প্ৰাণী জগতৰ বিকাশ কাহিনী সেই যুগত অংকুৰিত হৈছিল; আৰু সেই সৃষ্টিকাল প্ৰায় ১২ লাখৰ পৰা ২৪ লাখ বছৰ ব্যাপী চলি আছিল বুলি ভূ-তাত্ত্বিক জীৱাষ্ম শাস্ত্ৰবিদ গৱেষকসকলে ঠাৱৰ কৰিছে। সেই 'পৰিব্যক্তি-ৰূপান্তৰ' প্ৰক্ৰিয়াই তেতিয়াৰ পৰাই জাগতিত বিচিত্ৰতা ক্ৰমবিকাশত মুখ্য অংশ লৈ আহিছে।

তেতিয়াৰ অসংখ্য নতুন প্ৰজাতি আৰু প্ৰথম জন্তু জগতৰ আৱিৰ্ভাৱে প্ৰতিষ্ঠা কৰিছিল যে জীৱ/প্ৰাণী জগতৰ জন্ম কাহিনী ক্ৰমবিকাশৰ পীৰণতিহে; আছুতীয়া সৃষ্টি নহয়। পৰিভ্ৰমী গৱেষক চাৰ্লছ ডাৰউইনৰ 'প্ৰাকৃতিক নিৰ্বাচন'ৰ বিকশিত সূত্ৰ জাগতিক সত্য। প্ৰায় সমসাময়িকভাৱে আৱিৰ্ভাৱ হোৱা মেৰুদণ্ডী প্ৰাণী জগতৰ আৱিৰ্ভাৱত গঢ়ি উঠা জলচৰ, স্থলচৰ আৰু উভচৰ জগতে তাৰ প্ৰমাণ দিছিল। লগতে, সাগৰীয় পৰিৱোত আৱিৰ্ভাৱ হোৱা কাঁচ, প্ৰবাল, শামুক আৰু অন্যান্য খোলাযুক্ত প্ৰাণী জগতে ব্যৱহাৰ কৰা সুৰক্ষশ কবছে বিকাশ পৰিৱৰ্তনৰ সাক্ষী দিয়া তথ্য গৱেষক সমাজে গ্ৰহণ কৰিছে। বিচিত্ৰ জীৱন নিৰ্বাহৰ চানেকি কেম্ব্ৰীয়ান কল্পত প্ৰতিষ্ঠিত।

কেম্ব্ৰীয়ান যুগৰ প্ৰগতিবাদী জীৱন বিকাশী প্ৰৱাহৰ পাছতে উদ্ভিদ জগততো বহুমুখী বিচিত্ৰতা, বিকাশ যোজনা গঢ়া হৈছিল। নতুন নতুন গছ-গছনি, তৰু-তৃণই বিস্তৃত উপনিৱেশ স্থল-জল ভাগত প্ৰতিষ্ঠা কৰি স্থলচৰ আৰু জলচৰ প্ৰাণী জগতৰ বাবে আশ্ৰয় হৈ পৰিছিল। বাধাহীন ভ্ৰমণৰ আদি পৰ্ব নিৰ্মিত হৈ উঠিছিল।

**জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ**

# অসমৰ বণিয়া জাতিৰ ইতিহাসৰ সন্ধানত

## দুতিৰাম হাজৰিকাৰ বণিয়া বুৰঞ্জিখন কোনে লুকুৱালে?

# নিতৌ ৰচিত দলিত চৰিতৰ পাতে পাতে নতুন ইতিহাস

**দ° দেৱব্ৰত শৰ্মা**

**জনপ্ৰিয় দৈনিক অগ্ৰদূত** কাকতৰ এই শিতানত আমি অসমৰ বিভিন্ন জাতি-জনজাতিৰ ইতিহাসো চৰ্চা কৰি আহিছো। অসমৰ দলিত-নিপীড়িত সকলৰ ইতিহাসো অসমৰ জাতীয় ইতিহাসৰ অবিচ্ছেদ্য, অপৰিহাৰ্য অংশ। এই শিতানত দুসপ্তাহ জুৰি বণিয়া কুল শিৰোমণি, মহান বুৰঞ্জিবিদ দুতিৰাম হাজৰিকাৰ বিষয়ে আলোচনা কৰাৰ পাচত আজি দিব খুজিছোঁ এক দুখজনক খবৰ ঃ দুতিৰাম হাজৰিকা স্বৰ্ণকাৰ সাতোলাই প্ৰণয়ন কৰা অসমৰ পদ্যবুৰঞ্জিখন বোলে অসম সাহিত্য সভাই অৰ্ধশতিকা গাপ দি ৰাখিছিল! তেনেহ'লে তেখেতৰ **বণিয়া সকলৰ অসমলৈ অহাৰ বৃত্তান্ত**খন ক'লৈ গ'ল বাৰু? সেই অনুসন্ধান আমি কৰি আছোঁ, কিন্তু সদ্যহতে আমি উমেশ চন্দ্ৰ বণিক্যই লিখা **অসমৰ বণিয়া জাতিৰ (সম্প্ৰদায়ৰ) ইতিবৃত্ত**খনৰ পৰা কিছু কথা ৰাইজক জনাব বিচাৰিছোঁ।

**"বণিয়া সঁঘৰ জন্ম আৰু ক্ৰমবিকাশ**

1891 চনৰ লোকপিয়লৰ প্ৰতিবেদনত বণিয়া বা বৃত্তিয়াল বণিয়া জাত সম্পৰ্কে কেতবোৰ অতিব অশোভনীয়, গ্লানিকৰ আৰু মানহানিকৰ মন্তব্য দিয়াৰ কাৰণে আৰু যুগ যুগ ধৰি সোণ-ৰূপৰ অলঙ্কাৰ গঢ়া লোক সকলক শিল্পী বুলি স্বীকৃতি নিদিয়াৰ কাৰণে ইয়াৰ বিৰোধিতা কৰিবলৈ 1993 চনত উজান বজাৰত "অসম উপত্যকা বৃত্তিয়াল বণিয়া সভা" গঠন কৰা হৈছিল। স্বৰ্গীয়া লীলাৰাম দাস সভাপতি আৰু ঁমাণিক হাজৰিকা সাধাৰণ সম্পাদক আৰু ৰায় চাহেব সোণাধৰ সেনাপতি (তেতিয়া ৰায় চাহেব হোৱা নাছিল) সহকাৰী সম্পাদক নিৰ্বাচিত হৈছিল। বণিয়া সকলৰ প্ৰধান বৃত্তি কি তাক অনুসন্ধান কৰি শুদ্ধভাৱে পয়লৰ ৰিপোৰ্টত লিখিবলৈ আৰু পিয়লৰ মন্তব্য যে ভুল তাক দেখুৱাই মুখ্য আয়ুক্ত আৰু ইংৰাজ চৰকাৰৰ চেঞ্চাচ কমিচনাৰলৈ স্মাৰক পত্ৰ দিয়া হৈছিল।

ঁসোনাধৰ সেনাপতিৰ অশেষ যত্নত 1913 চনৰ 22 মাৰ্চত নগাওঁৰ নিকামুল গাওঁত বণিয়া জাতিৰ এখন সন্মিলন হৈছিল। সেই সন্মিলনত গুৱাহাটী, কলিয়াবৰ তেজপুৰ, বৰপেটা, ৰহা, ভাটিগাওঁ, পোটনী, ননৈ, ঘাঁহী, বেবেজীয়া আদি ঠাইৰ বণিয়াৰ গণ্যমান্য ব্যক্তিসকলে যোগদান কৰিছিল। সেই সভাত সোণ-ৰূপৰ ব্যৱসায়টোৰ উন্নতি, বণিয়া সম্প্ৰদায়টোৰ আন হিন্দু সকলৰ সমাজত স্থান ইত্যাদি আৰু ইংৰাজী শিক্ষাৰ প্ৰতি মনোনিবেশ আদিৰ প্ৰস্তাৱ পোৱা হৈছিল।"

**"বণিয়া জাতিৰ সম্পৰ্কে**

অসমৰ বণিয়া সম্প্ৰদায়টো এটা অতি সূক্ষ্ম শিল্পী সম্প্ৰদায়। অনাদি কালৰে পৰা পুৰুষাণুক্ৰমে সোণ-ৰূপৰ অলংকাৰ গঢ়োৱা শিল্পকেই জাতীয় ব্যৱসায় আৰু জীৱিকাৰ উপায় হিচাবে লৈ এই সম্প্ৰদায়টো জীৱন নিৰ্বাহ কৰি আহিছে। কেতিয়া আৰু কি ভাৱে এই সম্প্ৰদায়ৰ লোকসকল অসম তথা পুৰণি কামৰূপ ৰাজ্যলৈ আহিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইমূৰৰ পৰা সিমূৰলৈ সিঁচৰিত হ'ল আৰু এই ৰাজ্যকে নিজ জন্মভূমি হিচাবে গ্ৰহণ কৰিলে তাৰ কোনো সঠিক বুৰঞ্জিমূলক তথ্য পোৱা নাযায়। অকল দুতিৰাম হাজৰিকাৰ পদ্য বুৰঞ্জি 'কলি ভাৰত'ত তেখেতৰ আত্ম পৰিচয় দি যোৱা তথ্যত পোৱা যায় যে তেওঁৰ পূৰ্বপুৰুষ বলো কায়স্থ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদিপুৰুষ লণ্ডাদেৱৰ লগত অহা সাতঘৰ কায়স্থৰ মাজৰ এজন আছিল। এই বলো কায়স্থৰ 4 জন পুতেক আছিল। ডাঙৰজনৰ নাম আছিল চিৰণ। তেওঁৰ শৌৰ্য-বীৰ্য আৰু সাহস দেখি আহোম স্বৰ্গদেৱে বৰুৱা পাতি ডফলা পাহাৰৰ নামনিত ডফলা ভেটিবলৈ থাপিছিল। বলো কায়স্থ কামৰূপ তথা অসমলৈ অহাৰ আগতো ইয়াত বণিয়া মানুহ আছিল তাৰ প্ৰমাণ পোৱা যায় পদ্য পুৰাণত। পদ্যপুৰাণ খ্যাত চান্দ সদাগৰক বণিয়া বুলি কোৱা হৈছে। এই বিষয়ে পিছত সবিশেষ উল্লেখ কৰা হৈছে।

দুতিৰামে কিন্তু তেওঁৰ কলিভাৰতত নিজকে বণিক বুলি পচিৰচয় দিছে। (জাতিকুল বণিক নাম দুতিৰাম। জন্মাবধি বাসা মোৰ যোৰহাট গ্ৰাম্য আৰু কায়স্থ কুলোদ্ভৱ হৈও কেনেকৈ বণিক বা বণিয়া হ'লগৈ তাৰ বিৱৰণ লিখি থৈ গৈছে।

এই খিনিতে উল্লেখ কৰিব পাৰি যে বৰপেটা কীৰ্ত্তন ঘৰৰ তামৰ ফলিত ভকত সকলৰ বৰ্ণ হিচাবে কোন জাতৰ ভকত কীৰ্ত্তন ঘৰৰ ভিতৰত কোন কোঠালিলৈকে সোমাব আৰু বহিব পাৰিব তাৰ ব্যৱস্থা আছিল। এই ফলিত বমিয়া জাতিৰ ভকতৰো স্বত্বৰ কথা উল্লেখ কৰা আছে। পিছে উচ্চ বৰ্ণৰ ভকতে 'বণিয়া' শব্দটো 'বালিয়া' কৰি অৰ্থাৎ ন-টোৰ আগত হাকোটা লগাই 'ল' কৰি সেই অধিকাৰৰ পৰা বঞ্চিত কৰিব বিচাৰিছিল। এই সম্পৰ্কে জজকোৰ্টত মোকৰ্দ্দমা পৰ্যন্ত হৈছিল। ইয়াৰ পৰাও বুজিব পাৰি যে বণিয়া সম্প্ৰদায়টো (জাত) তেতিয়াও অন্ত্যজ নাছিল আৰু আন উচ্চ বৰ্ণৰ ভকতৰ লগত একেটা কীৰ্ত্তন ঘৰতে বহিব আৰু প্ৰসঙ্গ কৰিব পাৰিছিল। কিন্তু পিছত বৰ্ণ হিন্দু বিলাকে সামাজিক ভাৱে হেয় বুলি গণ্য কৰিব ধৰিলে যদিও আগৰ দৰেই কীৰ্ত্তন ঘৰত প্ৰৱেশ আৰু নাম-প্ৰসঙ্গ কৰাৰ অধিকাৰ এতিয়ালৈকে অব্যাহত হৈ থাকিল।

আমাৰ পূৰ্ব্বপুৰুষ সকলে তেওঁলোকৰ বংশধৰ সকলক অৰ্থাৎ আমাক এটা উৎকৃষ্ট কুটীৰ শিল্প জাত ব্যৱসায় হিচাবে জীৱন নিৰ্বাহ কৰিবলৈ দি গৈছিল যাৰ তুলনা নাই। ঘৰতেই বহি কেইপদমান গঢ়নৰ সামগ্ৰী অৰ্থাৎ গঢ়শাল হ'লেই প্ৰচুৰ উপাৰ্জন কৰিব পৰা উপায় এটা দি গৈছিল। কাকো খোচামোদ কৰিব নালাগে বৰং গ্ৰাহককেহে খোচামোদ কৰিব লাগে। কোনো পঢ়া-শুনা নথকাকৈ বিশ্বাসৰ ওপৰতে হেজাৰ হেজাৰ টকাৰ মূল্যৰ সোণ-ৰূপ দি যোৱা এটা ব্যৱসায়, তাৰ লগতে এটা দোৱান যাতে দুজন সোণাৰীয়ে ব্যৱসায় সম্পৰ্কে কথা পাতিলে অনে বুজি নাপায়।"

এই কিতাপতে চান্দসদাগৰ আৰু বেউলা-লক্ষিন্দৰ, হৰিদাস বণিয়া (হৰিদাস বণিয়াৰ জন্ম হৈছিল বৰ্তমানৰ নগাঁও জিলাৰ বৰদোৱা আলিটাঙনিৰ ওচৰৰ কোনোবা গাওঁত তেওঁ গুৰুজনাৰ এজন একনিষ্ঠ ভকত আছিল), কুঁৱৰী-তৰাৰতী (আহোম ৰাজত্ব কালৰ গেৰাকী স্বৰ্গদেৱে সোণাৰি অৰ্থাৎ বণিয়া ছোৱালী এজনী বিয়া কৰাই ৰাণীৰ (কুঁৱৰীৰ) মৰ্যাদা দিছিল। এই ছোৱালীজনীৰ নাম আছিল তৰাৰতী বা তুলাবতী। ৰূপে গুণে অতুলনীয় এইগৰাকী ছোৱালীৰ প্ৰেমত পৰি স্বৰ্গদেউ গৌৰীসিংহই গোপনে দৈহিক সম্পৰ্ক স্থাপন কৰিছিল আৰু শেষত আউনি আটী সত্ৰৰ গোসাঁই প্ৰভূৰ বিধান মতে বিয়া কৰাই স্বৰ্গদেউৰ উপৰিপুৰুষে কৰা অন্যায়ৰ প্ৰায়শ্চিতঃ কৰিছিল বুলি জনা যায়); দুতিৰাম হাজৰিকা (যাৰ বিষয়ে ইতিমধ্যে বিতংকৈ আলোচনা কৰিছোঁ); ঁলীলাৰাম দাস, গুৱাহাটী, বণিয়া কুলৰ এজন শিৰোমণি পুৰুষ, কমিচনাৰ কাৰ্যালয়ৰ মুখ্য আমোলা; ৰায় চাহেব সোনাধৰ দাস সেনাপতি; ঁমহেন্দ্ৰ লালদাস, ডিব্ৰুগড় প্ৰথম আইন স্নাতক, অসম ব্যৱস্থাপক সভা আৰু ভাৰতীয় ৰাজ্য সভাৰ সদস্য; ঁৰমেশ চন্দ্ৰ দাস, 1928 চনৰ 16 দিচেম্বৰ তাৰিখে চাইমন কমিচনৰ আগত অসমৰ অনুন্নত সম্প্ৰদায় সকলৰ তৰফৰ পৰা যিখন স্মাৰক পত্ৰ দিয়া হৈছিল তাৰ তৰ্জ্জমাত এই ডেকা আইনজ্ঞ ঁৰমেশ দাসে সিংহভাগ লৈছিল; ৰায় চাহেব সভাৰাম দাস, যোৰহাট, গড়কাপ্তানি বিভাগৰ বিষয়া; ঁধনীৰাম দাস, নগাওঁ নিকামূল গাওঁৰ এটা ছপাশালৰ স্বত্তাধিকাৰ; ঁ বীৰু চন্দ্ৰ দাস, ডিব্ৰুগড়ৰ চূণশিলৰ ব্যৱসায়ী; ঁনলিনী কুমাৰ দাস, ডিব্ৰুগড়, অসমীয়াৰ ভিতৰত দ্বিতীয় আয়কৰ বিষয়া; ঁলক্ষেশ্বৰ হাজৰিকা, নগাওঁ, ৰহা, (সেই সময়ৰ নেতৃস্থানীয় বণিয়া লোকসকলৰ সৈতে দিহিং সত্ৰৰ পৰা পোৱা বেয়া ব্যৱহাৰৰ কাৰণে নানাভৰে প্ৰতিবাদ আৰু আন্দোলন কৰিছিল। এওঁক দুতিৰাম হাজৰিকাৰ সৰু ভায়েক বুলি জনা যায়।

মানৰ আক্ৰমণৰ সময়ত যোৰহাটৰ পৰা ভাগি আহি নগাঁও আছিল আৰু তাতেই স্থায়ীভাৱে থাকিবলৈ লয়); ডাঃ ঁদুৰ্গাবাসিনী দাস (কাকতি), অসমৰ দ্বিতীয় তথা বণিয়া সম্প্ৰদায়ৰো দ্বিতীগৰাকী লেডি ডাক্তৰ; ডাঃ ঁকুসুম কুমাৰী দাস, শিৱসাগৰ, অসমৰ বণিয়া সম্প্ৰদায়ৰ প্ৰথমগৰাকী লেডি ডাক্তৰ; ঁসৰোজ বালা হাজৰিকা, শিক্ষয়িত্ৰী; ঁমাণিক চন্দ্ৰ দাস, ডিব্ৰুগড়, 'বণিয়া সমাজ'ৰ সম্পাদক; ঁঅনিল মোহন দাস, ডিব্ৰুগড়, যোগান বিভাগৰ পৰিদৰ্শক তথা কেন্দ্ৰীয় আইকৰ বিভাগৰ আয়কৰ বিষয়া; ঁকুলেন্দু কুমাৰ দাস, ডিব্ৰুগড়, প্ৰফেচাৰ; ঁহেমন্ত কুমাৰ কাকতি, বিত্ত বিভাগৰ ডেপুটি চেক্ৰেটাৰী; ঁউপেন্দ্ৰ নাথ বড়া, যোৰহাট, কেন্দ্ৰীয় আইকৰ বিভাগৰ মুখ্য সহায়ক; ঁসুৰবালা দাস, যোৰহাট, প্ৰধান শিক্ষয়িত্ৰী; ঁবৰুণ হাজৰিকা, যোৰহাট, অসম সচিবালয়ত অৱৰ সচিব; ডাঃ সূৰ্যলাল দাস, যোৰহাট, পশুপালন বিভাগৰ প্ৰথম ডেপুটি ডাইৰেক্টৰ; ঁৰমণী মোহন দাস, যোৰহাট; ঁহৰেন্দ্ৰনাথ দাস, ডিব্ৰুগড়, ৰেল বিভাগৰ কৰ্মচাৰী; ঁবিনয় কৃষ্ণ দাস, গুৱাহাটী; ঁপূৰ্ণলাল দাস, যোৰহাট, বিত্ত বিভাগৰ বিষয়া আদি অসমৰ বণিয়া সম্প্ৰদায়ৰ বহু মুখ্য ব্যক্তিৰো চমু পৰিচয় আছে। এই কাকতত অহা দেওবাৰে আমি এই বিষয়ে বিতং আলোচনা আগবঢ়াম।

*লেখক অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক; ফোন ঃ 9435351255*

# মাজুলীত অভিযুক্তক ধৰিবলৈ যোৱা আৰক্ষীৰ দলক চোকা অস্ত্ৰৰে আক্ৰমণ

## উপ-পৰিদৰ্শকসহ ছজন গুৰুতৰভাৱে আহত

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ জুলাই ঃ** আচামী ধৰিবলৈ যোৱা আৰক্ষীৰ দলক অতৰ্কিতে চোকা অস্ত্ৰৰে আক্ৰমণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে নদীদ্বীপ মাজুলীত। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ সমষ্টি মাজুলীৰ দেওদিয়াআটি গাঁৱত যোৱা নিশা প্ৰায় ১১ বজাত সংঘটিত এক ঘটনাত উপ-পৰিদৰ্শকসহ ছজনকৈ আৰক্ষী আহত হয়। ইয়াৰে চাৰিজনৰ অৱস্থা গুৰুতৰ। তথ্য মতে, যোৱা নিশা প্ৰায় ১১ বজাত গড়মূৰ আৰক্ষী থানাত ৰুজু হোৱা ৪২/২০২১ নম্বৰৰ গোচৰৰ ভিত্তিত গড়মূৰ থানাৰ উপ-পৰিদৰ্শক উৎপল দাসৰ নেতৃত্বত এটা আৰক্ষীৰ দলে গাঁওখনৰ আচামী কেশৱ হাজৰিকাক গ্ৰেপ্তাৰৰ কাৰণে ঘৰলৈ গৈছিল। তেওঁক বিচাৰি ঘৰত প্ৰৱেশ কৰাৰ লগে লগে কেশৱে চোকা অস্ত্ৰৰে আৰক্ষীৰ দলটোক উপৰ্যুপৰি আক্ৰমণ কৰাত দুজন আৰক্ষী থিতাতে বাগৰি পৰে। আঘাতপ্ৰাপ্ত আৰক্ষীয়ে চিঞৰ-বাখৰ কৰাত সমীপৱৰ্তী গাঁৱৰ লোকে ঘটনা প্ৰত্যক্ষ কৰি আৰক্ষীৰ দলটোক সহায়ৰ বাবে আগবাঢ়ি আহে। ততাতৈয়াকৈ আহত আৰক্ষী ক্ৰমে উপ-পৰিদৰ্শক উৎপল দাস, সহউপ-পৰিদৰ্শক বিজু হাজৰিকা, কনিষ্টবল মৃদুল দাস, ৰূপক মিলি, ৰাজেন মেধি আৰু ৰাজু শইকীয়াক গড়মূৰ



অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। প্ৰাথমিক চিকিৎসাৰ অন্তত গুৰুতৰভাৱে আহত কেইজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। ইফালে, ঘটনা সংঘটিত কৰিয়ে আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে মূল আচামী কেশৱে। মাজুলী জিলাত জোঁকাৰণিৰ সৃষ্টি কৰা এই ঘটনাৰ পাছতে আজি পুৱা জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক শান্তনু দত্তৰ নেতৃত্বত যোৱা বৃহৎ আৰক্ষীৰ এটা দলে অভিযান চলাই গাঁৱৰ পাছফালে থকা এখন কাঠনিৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় অভিযুক্তক। আনহাতে, অভিযুক্তই সংঘটিত কৰা এই বৰ্বৰ ঘটনাত সহযোগ কৰাৰ অভিযোগত আৰক্ষীয়ে দেৱকান্ত হাজৰিকা, দীপাংকৰ হাজৰিকা, অনিল হাজৰিকা, দিব্যজ্যোতি হাজৰিকা আৰু অতুল হাজৰিকাক গ্ৰেপ্তাৰ কৰি ৪৮/২০২১ নম্বৰত এটা গোচৰ ৰুজু কৰি ভাৰতীয় দণ্ড বিধি ১২০ (বি)/৩৩৩/৩০৭ ধাৰাত জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে কেশৱৰ বিৰুদ্ধে গড়মূৰ থানাত গাঁওখনৰে এজন লোকে এক গোচৰ ৰুজু কৰিছিল আৰু সেই গোচৰৰ ভিত্তিতে আৰক্ষীয়ে তেওঁক দুই-তিনিবাৰ বিচাৰি যোৱাৰ পাছতো আৰক্ষীৰ লগত কোনো সহযোগিতা কৰা নাছিল। তদুপৰি পৰিয়ালৰ লোকৰ আগত থানালৈ মাতি অহাৰ পাছতো গুৰুত্ব নিদিয়াত যোৱা নিশা গ্ৰেপ্তাৰ কৰিবলৈ যাওঁতে আৰক্ষীৰ ওপৰত এইদৰে আক্ৰমণ কৰে। পূৰ্বতে মাজুলীত নোহোৱা-নোপজা এনে ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনেশ্বৰ ফুকনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩ জুলাই ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ সমীপৱৰ্তী ফুকনফদীয়া বেজগাঁৱৰ বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি তথা ফুকনফদীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মনেশ্বৰ ফুকন (৮৮)ৰ আজি বিয়লি নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ধৰ্মপ্ৰাণ ব্যক্তি তথা প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। চাৰিং ৰাস মহোৎসৱৰ স'তে জড়িত থকা সমাজকৰ্মী ফুকনে অঞ্চলটোৰ লগতে গাঁৱৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰে জড়িত থাকি সমাজ জীৱনলৈ অৱদান আগবঢ়াইছিল। উল্লেখ্য যে ধৰ্মপ্ৰাণ ব্যক্তি ফুকনৰ নশ্বৰদেহ ৰাইজে গাঁৱৰ ফুকনফদীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়লৈ আনি বিদ্যালয় কৰ্তৃপক্ষৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে পুষ্পাঞ্জলি অৰ্পণেৰে অন্তিম শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# ৰাণী বনাঞ্চলত উদ্ধাৰ দুই অপহৃতক

তিনি পৃষ্ঠাৰ পৰা এই দুই যুৱ ঠিকাদাৰে মহানগৰীৰ সমীপৰ গড়ভাঙা সংৰক্ষিত বনাঞ্চলত কাম পৰিদৰ্শন কৰিবলৈ গৈ এক অজ্ঞাত উগ্ৰপন্থী সংগঠনৰ দ্বাৰা অপহৃত হয়। আজি আৰক্ষীয়ে গুলিচালনা কৰি দুয়োকে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি যুটীয়া আৰক্ষী আয়ুক্ত দেৱৰাজ উপাধ্যায়ে সদৰী কৰি কয় যে ঘটনাস্থলীৰ পৰা ভদ্ৰেশ্বৰ টিমুং নামৰ এজনক গ্ৰেপ্তাৰ কৰা হয় যদিও কে'বাজনো অপহৰণকাৰী পলাই যাবলৈ সক্ষম হয়। পলায়ন কৰা অপহৰণকাৰীক কৰায়ত্ত কৰিবলৈ আৰক্ষীয়ে গুলিচালনা কৰাত এজন আহত হোৱা বুলি সন্দেহ ব্যক্ত কৰিছে আৰক্ষীয়ে। অৱশ্যে অস্ত্ৰধাৰী অপহৰণ কাৰ্যত জড়িত দলটো উগ্ৰপন্থী নে ডকাইতৰ দল আছিল আৰক্ষীয়ে স্পষ্টকৈ প্ৰকাশ নকৰিলেও শীৰ্ষ আৰক্ষী বিষয়াজনে কয়, 'এয়া উগ্ৰপন্থীৰ দল বুলি এতিয়াই কৈ দিব নোৱাৰি যদিও এটা অপৰাধী গোট।' উল্লেখ্য যে এই গোটটো অসম-মেঘালয় সীমান্তৰ মিশ্ৰিত লোকেৰে গঠন কৰা এটা নতুন অপৰাধী গোট বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে ঘটনাৰ সংক্ৰান্তত যোৱা নিশাই আৰক্ষীয়ে মিনৰুল হক, আইনুল হক আৰু মজেদা খাতুন নামৰ তিনিজনক গ্ৰেপ্তাৰ কৰিছে।

উল্লেখ্য যে মহানগৰীৰ লখৰাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় ১৪ কিলোমিটাৰ দূৰত্বত মেঘালয় সীমান্তত থকা গড়ভাঙা সংৰক্ষিত বনাঞ্চল পাহাৰৰ পৰা যোৱা ৩০ জুনত অস্ত্ৰধাৰী গোটে অপহৰণ কৰি নিয়া দুই যুৱ ঠিকাদাৰক আজি প্ৰায় ২৫ কিলোমিটাৰ দূৰত্বত ৰাণী বনাঞ্চলত উদ্ধাৰ কৰে পশ্চিম গুৱাহাটী আৰক্ষী জিলাৰ উপ-আৰক্ষী আয়ুক্ত নৰনিং মহন্তৰ নেতৃত্বত যোৱা অভিযানকাৰী দলে। সমগ্ৰ ঘটনাৰ বিৱৰণ দি সোঁ-শৰীৰে উভতি অহা দুই যুৱ ঠিকাদাৰে কয় যে উক্ত দিনা পাহাৰীয়া বনাঞ্চলৰ কৰ্মস্থলীৰ পৰা দুয়ো এএছ-০১ এজি-৪১৯৪ নম্বৰৰ দুচকীয়া বাহনেৰে উভতি অহা সময়ত বনাঞ্চলৰ ভিতৰুৱা পথত এডাল প্ৰকাণ্ড গছ পেলাই থোৱা আছিল, ফলস্বৰূপে তেওঁলোক ৰ'ব লগা হোৱাত প্ৰায় ১৫ জনীয়া দল এটাই দুয়োকে চকুত কাপোৰ আৰু দুই হাত বান্ধি অপহৰণ কৰি লৈ গৈছিল। অৱশ্যে আৰক্ষীয়ে দুয়োকে উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও তেওঁলোকৰ দুচকীয়া বাহনখন উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ঘটনাৰ সংক্ৰান্তত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ খুলশালি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য গণেশ কছাৰীৰ ভ্ৰাতৃ অপহৃত জয়ন্ত কছাৰীয়ে কয়, 'আমি ভবা নাছিলো দ্বিতীয় জীৱন পাম বুলি। অসম আৰক্ষীক ধন্যবাদ দিছো। চকু বন্ধা, হাত বন্ধা অৱস্থাত ওখ ওখ পাহাৰলৈ লৈ গৈছিল আমাক। সেইদিনা পথত গছ পেলাই থৈছিল আৰু দীঘল বন্দুক আৰু খুকুৰি থকা প্ৰায় ১৫ জনীয়া দল আছিল।' একেদৰে কুশল কলিতাই কয়, 'বাইক ৰখাই ৩-১০ মান বজাত চকুত কাপোৰ বান্ধি লৈ গ'ল। ক'ত নিছে নাজানো, খালী খোজ কাঢ়ি আছো। নিশা পাহাৰত ৰাখিছিল।'

### প্ৰথমে এক কোটিৰ মুক্তিপণ বিচাৰি শেষত ১০ লাখ টকা বিচাৰিছিল দলটোৱে

গড়ভাঙা বনাঞ্চলত বন বিভাগৰ গছপুলি ৰোপণ আৰু বেৰা দিয়াৰ ঠিকা কাম কৰি থকা নুনমাটি বিষ্ণু ৰাভা নগৰৰ জয়ন্ত কছাৰী আৰু জাপৰিগোগৰ বিক্ৰমপুৰৰ কুশল কলিতাৰ মুক্তিপণ হিচাপে অস্ত্ৰধাৰী দলটোৱে এক কোটি টকাৰ দাবী কৰিছিল। আৰক্ষীয়ে এই কথা স্পষ্ট ৰূপত প্ৰকাশ নকৰিলেও সংবাদ মাধ্যমৰ আগত পৰিয়ালৰ লোকে সদৰী কৰিছে। অপহৰণকাৰী দলটোৱে কলিতাৰ পৰিয়ালৰ লগত ফোনযোগে যোগাযোগ কৰি এই ধন দাবী কৰিছিল যদিও শেষত মুক্তিপণ হিচাপে ১০ লাখ টকা দাবী কৰিছিল।

### অপৰাধী গোটটোক সম্পূৰ্ণৰূপে উৎখাত কৰা হ'ব

দুই যুৱ ঠিকাদাৰক অপহৰণ কৰা অস্ত্ৰধাৰী দলটোৰ চাৰিজনক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও বহুকেইজন পলাই যাবলৈ সক্ষম হয়। এয়া কোনো নতুন উগ্ৰপন্থী দল নে ডকাইতৰ দল আৰক্ষীয়ে স্পষ্টকৈ প্ৰকাশ নকৰিলেও অপৰাধী গোটটোক সম্পূৰ্ণৰূপে উৎখাত কৰিবলৈ মহানগৰ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিব বুলি মন্তব্য কৰিছে।

### দাবীকৃত ধন আদায় দিবলৈ সংশ্লিষ্ট স্থানলৈ মাতিছিল ধৃত টিমুঙে

দুই ঠিকাদাৰক মুক্তিপণ হিচাপে শেষত ১০ লাখ টকাৰ বন্দৱস্তিৰে ফোনযোগে টকা লৈ সংশ্লিষ্ট স্থানত উপস্থিত হ'বলৈ ধৃত টিমুঙে পৰিয়ালক নিৰ্দেশ দিছিল। এই কথা পৰিয়ালে আৰক্ষীক জনোৱাৰ পাছত আৰক্ষীৰ স'তে পৰিয়ালৰ লোক উক্ত স্থানত গৈ উপস্থিত হৈছিল। দুয়ো অপহৃত ঠিকাদাৰক লৈ অপহৰণকাৰী দলটো সেই স্থানত উপস্থিত হোৱাৰ সময়তে আৰক্ষীয়ে ঘেৰাও কৰাত কে'বাজনো পলাই যাবলৈ সক্ষম হয় যদিও আৰক্ষীৰ জালত পৰে টিমুং।

# চিকিৎসক শূন্য হ'ল জেএমচিএইছৰ স্নায়ু শল্য বিভাগ

## দ্বিতীয়জন বিশেষজ্ঞ চিকিৎসকৰ চাকৰিৰ পৰা অব্যাহতি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩ জুলাই ঃ** স্নায়ু শল্য বিশেষজ্ঞ চিকিৎসকৰ অভাৱৰ মাজতে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জেএমচিএইছ)ৰ একমাত্ৰ চিকিৎসক ডাঃ অমৃত শইকীয়াই ব্যক্তিগত অসুবিধাৰ দোহাই দি যোৱা পহিলা জুলাইত চাকৰি ইস্তফা দিয়াক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিছুদিন পূৰ্বে একেটা বিভাগৰ আন এজন চিকিৎসক ডাঃ সত্যজিৎ ৰাভায়ো চাকৰিৰ পৰা অব্যাহতি লৈছিল। এনেদৰে অগা-পিছাকৈ এটা অতি গুৰুত্বপূৰ্ণ বিভাগৰ দুজন স্নায়ু শল্য বিশেষজ্ঞ চিকিৎসকে চাকৰিৰ পৰা অব্যাহতি লোৱাত জেএমচিএইছত স্নায়ু শল্য বিভাগটো চিকিৎসক শূন্য হৈ পৰে। ইয়াৰ প্ৰভাৱ কেৱল যোৰহাটতে নহয় ইয়াৰ কাষৰীয়া তথা পূব অসমৰ সকলো জিলাতে পৰাতো নিশ্চিত। কাৰণ স্নায়ুৰোগৰ চিকিৎসকৰ অভাৱ হোৱা হেতুকে বহুলোক জেএমচিএইছলৈ ধপলিয়াই আহিছিল। ৰাইজেও দুজন চিকিৎসকে অব্যাহতি লোৱা ঘটনাটো সহজভাৱে লোৱা নাই। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈ আৰু সাধাৰণ সম্পাদক দ্বীপ দত্তই মন্তব্য কৰে যে জেএমচিএইছৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰৰ স্বেচ্ছাৰিতা, মইমতালি আৰু অহমিকা মনোভাৱৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ ইজনৰ পাছত সিজন চিকিৎসকে পদত্যাগ কৰিছে। চিকিৎসা মহাবিদ্যালয়খন পৰিচালনাত ব্যৰ্থতাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি অধ্যক্ষক পদত্যাগৰ দাবী জনায় ছাত্ৰ নেতাদ্বয়ে। তেওঁলোকে কয় যে মানৱদৰদী চিকিৎসকৰূপে পৰিচিত ডাঃ অমৃত শইকীয়াৰ দৰে ব্যক্তিৰ জেএমচিএইছত অত্যন্ত প্ৰয়োজনীয়তা আছে। সেয়েহে ৰাইজৰ কথা চিন্তা কৰি চিকিৎসকজনকো সিদ্ধান্ত সলনি কৰিবলৈ জিলা ছাত্ৰ সন্থাই আহ্বান জনাইছে। আনহাতে, জেএমচিএইছত অৰাজক পৰিস্থিতি চলি থকাৰ অভিযোগ কৰি এই ক্ষেত্ৰত সংগঠনটোৱে স্বাস্থ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে।

# এবছুৰ সহযোগত মইনাগুৰিত ক'ভিড সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ৩ জুলাই ঃ** আজি কোকৰাঝৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু এবছুৰ গোংগেয়া শাখা কমিটীৰ, কচুগাঁও আঞ্চলিক কমিটীৰ সহযোগত মইনাগুৰি এম ই স্কুলত কভিড-১৯ সম্পৰ্কে সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে ডি পি জাহাংগীৰ হুছেইন, এছ ডি এম আৰ চি দেৱনাথ, ডি পি এম উত্তম ব্ৰহ্ম, এবছুৰ কোকৰাঝাৰ জিলাৰ সভাপতি কৃপেষ দৈমাৰী আৰু এবছুৰ অইন অইন কৰ্মকৰ্তাসকলৰ লগতে স্থানীয় ৰাইজ।

# নলবাৰীৰ সমাজহিতৈষী সৰ্বেশ্বৰ দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ জুলাই ঃ** নলবাৰী চহৰৰ ভকতপাৰা নিবাসী তথা সমাজকৰ্মী, শিক্ষাবিদ সৰ্বেশ্বৰ দাস (৯১)ৰ আজি পুৱা নিজ বাসগৃহত মৃত্যু হয়। ১৯৩০ত জন্মগ্ৰহণ কৰা দাসে চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। শিক্ষকতা কৰাৰ উপৰি তেওঁ সামাজিক কাম-কাজত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁ ভকতপাৰাৰ শ্ৰীশ্ৰী পদ্মনাভ গোসাঁইঘৰৰ প্ৰতিষ্ঠাপক তথা দীৰ্ঘদিন সভাপতি, নলবাৰী হৰিমন্দিৰ সমিতিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, নলবাৰী আৰবান কো-অপাৰেটিভ বেংকৰ প্ৰাক্তন অধ্যক্ষ, ৰেডক্ৰছ ছ'চাইটিৰ প্ৰাক্তন সম্পাদক, নলবাৰী জিলা জনতা পাৰ্টিৰ প্ৰাক্তন সভাপতি, নলবাৰী গ্ৰাহক সুৰক্ষা সমিতিৰ প্ৰাক্তন সভাপতি, নলবাৰী পাইকাৰী সমবায় সমিতিৰ অংশীদাৰ আজীৱন সদস্য, নলবাৰী সাহিত্য সভাৰ প্ৰাক্তন সদস্য, নলবাৰী থিয়োচ'ফিকেল ছ'চাইটিৰ সদস্য, অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন উপ-সভাপতি আৰু বিভিন্ন শিক্ষানুষ্ঠান-অনুষ্ঠানৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আৰু সদস্য আছিল। ২০১১ত নলবাৰী নাট্যমন্দিৰত গ্ৰাহক সুৰক্ষা সমিতিৰ উদ্যোগত নলবাৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠানৰ ৰাজহুৱা সম্বৰ্ধনা জনোৱা হৈছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ, কন্যা এৰি যায়।

# গৰু চোৰৰ সন্দেহত আমবাগানত হত্যা তদন্তৰ দাবী

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ৩ জুলাই ঃ** গৰু চোৰৰ সন্দেহত ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত আমবাগানৰ মহব্বৰ আলিত এজন মানসিকভাৱে ভাৰসাম্য যুৱকক আজি পুৱতি নিশা একাংশ লোকে প্ৰহাৰ কৰাৰ ফলত যুৱকজনৰ মৃত্যু হয়। নিহত যুৱকজনৰ নাম এমৰাণ হুছেইন (৩৬)। জুৰীয়াৰ কালিয়াডিঙাৰ এমৰাণ হুছেইন নামৰ যুৱকজনক একাংশ লোকে হাত-ভৰি বান্ধি নিৰ্মমভাৱে প্ৰহাৰ কৰিছিল। গৰু চোৰ বুলি ভাবি যুৱকজনক নিৰ্মমভাৱে প্ৰহাৰ কৰিছিল উদণ্ড একাংশ লোকে। পাছত মুমূৰ্ষ অৱস্থাত মানসিকভাৱে ভাৰসাম্যহীন যুৱকজনক চিকিৎসালয়লৈ নিয়ে যদিও পথতে যুৱকজনৰ মৃত্যু হয়। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে যুৱকজনে অনাই-বনাই ঘূৰি ভুল পথেৰে আমবাগানলৈ গৈছিল। ফলত একাংশ লোকে তেওঁক গৰু চোৰ বুলি সন্দেহ কৰি আক্ৰমণ কৰিছিল। যুৱকজনে পত্নীৰ লগতে দুটি সন্তানক এৰি যায়। স্থানীয় ৰাইজে যুৱকজনৰ হত্যাৰ উচিত তদন্তৰ দাবী জনাইছে।

# অসমৰ মাটিতে আৰক্ষী

তিনি পৃষ্ঠাৰ পৰা কৰিলে হয় বুলি মিজো আৰক্ষীয়ে ভাবুকি দিয়ে। সেই সময়ত দ্বাদশ অসম আৰক্ষী বেটেলিয়নৰ শিবিৰত আছিল অসম আৰক্ষীৰ এ ডি জি পি হৰমিৎ সিং, দক্ষিণ অসমৰ ডি আই জি দেৱজিৎ মুখাৰ্জী, কাছাৰৰ আৰক্ষী অধীক্ষক চন্দ্ৰকান্ত নিলাম্বৰসহ বিশাল আৰক্ষী বাহিনী। এনে সময়তে ঢলাই সমষ্টিৰ ৰেংটি পাহাৰ অঞ্চলত মিজো আগ্ৰাসনৰ বুজ ল'বলৈ যোৱা আৰক্ষী তথা বন বিভাগৰ লোকক গুলীয়াই হত্যাৰ ভাবুকি দিয়ে মিজোৰামৰ আৰক্ষী তথা আই আৰ বেটেলিয়নৰ জোৱানে। এই ৰেংটি সংৰক্ষিত বনাঞ্চলত মিজোসকলে আগ্ৰাসন আৰম্ভ কৰিছে। বন বিভাগৰ মূল্যবান গছ কাটি তহিলং কৰাৰ সমান্তৰালকৈ নিৰ্মাণ কৰিছে অস্থায়ী শিবিৰ। অৱশ্যে অসমৰ মাটিত থকা মিজোৰামৰ এক অস্থায়ী শিবিৰ অসম আৰক্ষীয়ে উৎখাত কৰে।

# জালিয়াতি ঃ নতুনকৈ সংযোজন

তিনি পৃষ্ঠাৰ পৰা সমান্তৰালভাৱে বৃদ্ধি হৈছে বক্ৰপথেৰে চাকৰি লোৱা বিষয়াৰ সংখ্যা। শেহতীয়াকৈ পুনৰ তেনে এখন তালিকা প্ৰস্তুত হৈছে। এই তালিকাত আছে সাতজন অসম অসামৰিক সেৱাৰ আৰু ১৪ জন অসম আৰক্ষী সেৱাৰ বিষয়াৰ নাম। তদুপৰি সহযোগী সেৱাৰ একাংশ বিষয়াৰ নামো এই তালিকাত সংযোজিত হৈছে। ইয়াৰ পূৰ্বে ২৫ জন তেনে বিষয়াৰ তালিকা প্ৰস্তুত কৰা হৈছিল। এপিএছচিৰ তদানীন্তন অধ্যক্ষ ৰাকেশ পালৰ নেতৃত্বত সংঘটিত এই ভয়ংকৰ কেলেংকাৰিত জড়িত হৈ আছে আয়োগৰে সেই সময়ৰ একাংশ সদস্য, পৰীক্ষা নিয়ন্ত্ৰক, কে'বাজনো বিষয়া-কৰ্মচাৰী আৰু এপিএছচিৰ বাহিৰৰ দালালৰ জাক। এই কেলেংকাৰিৰ তদন্তৰ বাবে গঠিত আয়োগে উত্তৰ বহীৰ লগত ফৰেনচিকৰ প্ৰতিবেদনৰ ভিত্তিত নথিপত্ৰবোৰ মিলাই চোৰাত চাকৰি লাভত বক্ৰপথৰ আশ্ৰয় লোৱা বিষয়াৰ তথ্য পোহৰলৈ আহিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত আয়োগে উত্তৰ বহীৰ লগত নম্বৰ তালিকা তথা টেবুলেছন শ্বিট আদি মিলাই চোৰাত যিসকল পৰীক্ষাৰ্থীৰ ক্ষেত্ৰত অনিয়ম ধৰা পেলাইছে সেইসকলক কৈফিয়ৎ তলব কৰিবলৈ নিৰ্দেশ দিছে। তাৰ ভিত্তিত এপিএছচিৰ কাৰ্যালয়ে ৰাজ্যৰ বিভিন্ন স্থানত কৰ্মৰত বিষয়াসকললৈ কৈফিয়ৎ তলৰ পত্ৰ প্ৰেৰণ অব্যাহত ৰাখিছে।

# ম্যানমাৰলৈও যায় অসমৰ ড্ৰাগছ

তিনি পৃষ্ঠাৰ পৰা আন এজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে সন্দেহ কৰা মতে আন বহু চোৰাং ব্যৱসায়ীৰ দৰে নিহত সিদ্ধুয়ো নগালেণ্ডৰ সীমাৰ ভিতৰত প্ৰৱেশৰ বাবে সুযোগ বিচাৰি আছিল।

ড্ৰাগছৰ চলিত অনুসন্ধানতো পোহৰলৈ আহিছে যে এই ৰবিহৰ লগতে অসমলৈ একেলগে অবৈধ মাৰণাস্ত্ৰৰো যোগান চলি আহিছে। ম্যানমাৰ সেনাৰ একাংশ লোক আৰু দেশখনৰ কে'বাটাও সন্ত্ৰাসবাদী সংগঠনে এনে যোগানত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। ম্যানমাৰৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ এনে সৰবৰাহত প্ৰত্যক্ষভাৱে জড়িত আছে একাধিক নগা সংগঠন। প্ৰসংগক্ৰমে উল্লেখ্য যে নিহত সিদ্ধুৰ এন এছ চি এনৰ লগত দীঘলীয়া সম্পৰ্ক থকাৰ তথ্য ইতিমধ্যে পোহৰলৈ আহিছে। বিগত ২০১১ত এন এছ চি এনৰ শিবিৰৰ পৰা অসমলৈ বিক্ৰীৰ বাবে অনা চাৰিটা পিষ্টলসহ সিদ্ধু আৰক্ষীৰ হাতত ধৰা পৰিছিল। এই সন্দৰ্ভত এক সূত্ৰই কয় যে নগালেণ্ড-মিজোৰাম-ম্যানমাৰ তথা দক্ষিণ পূব এছিয়াৰ পৰা ভাৰতলৈ প্ৰেৰণ কৰা ড্ৰাগছৰ মূল ঘাটি। গতিকে সাধাৰণ সৰবৰাহকাৰীৰ বাবে অলপ 'ওপৰৰ' ড্ৰাগছৰ সকলো ব্যৱসায়ীৰ নগালেণ্ড আৰু মিজোৰামৰ ব্যৱসায়ীৰ লগত প্ৰত্যক্ষ যোগাযোগ আৰু আহ-যাহ অব্যাহত আছে। তেনে যোগাযোগৰ সুযোগতে অসমত কিবা অসুবিধাৰ সন্মুখীন হ'লেই তেনে ব্যৱসায়ীয়ে নগালেণ্ড অথবা মিজোৰামত আত্মগোপন কৰে। যাৰ বাবে বহু সময়ত অভিযুক্ত অথবা অপৰাধীৰ শুংসূত্ৰ নোলায়। একাংশ ড্ৰাগছ ব্যৱসায়ী অবৈধ অস্ত্ৰ সৰবৰাহতো লিপ্ত হৈ আছে। নগালেণ্ড আৰু মিজোৰাম সীমান্তৰে অসমৰ ড্ৰাগছ ব্যৱসায়ীয়ে ম্যানমাৰলৈ যোৱাৰ তথ্য আৰক্ষীৰ হাতত মজুত আছে। এনে বিশাল নেটৱৰ্কৰ পৰিপ্ৰেক্ষিতত অসমত ড্ৰাগছ যোগান বন্ধ কৰাটো একেবাৰে সম্ভৱ নহয় বুলি মন্তব্য কৰি কেৱল প্ৰচলনহে হ্ৰাস কৰাটো সম্ভৱ বুলি জ্যেষ্ঠ আৰক্ষীৰ সূত্ৰই মন্তব্য কৰে।

# ৩১ জুলাইৰ ভিতৰতে

তিনি পৃষ্ঠাৰ পৰা বিভাগে অহা ৩১ জুলাইৰ ভিতৰত ফলাফল ঘোষণা কৰিব।' কোকৰাঝাৰত আজি এই মন্তব্য কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থীৰ দুখন মাৰ্কশ্বিটৰ ব্যৱস্থাক লৈ ৰাজ্যত অসন্তুষ্টিৰ সৃষ্টি হৈ থকাৰ সময়তে শিক্ষামন্ত্ৰীয়ে এই মাহতে ফলাফল ঘোষণা কৰা হ'ব বুলি ঘোষণা কৰে।

উল্লেখ্য যে শিক্ষামন্ত্ৰীয়ে আজি কোকৰাঝাৰত উপস্থিত হৈ এবছু, বড়ো সাহিত্য সভা আৰু বড়ো প্ৰাথমিক শিক্ষক সন্থাৰ প্ৰতিনিধিৰ স'তে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকৰ পাছতে সাংবাদিকৰ মুখামুখি হৈ ডাঃ পেগুৱে ইতিমধ্যে বাতিল হোৱা পৰীক্ষা দুটাৰ ফলাফল সন্দৰ্ভত মন্তব্য কৰে। শিক্ষামন্ত্ৰীয়ে লগতে কয় যে আইনগত দিশ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এনে সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষামন্ত্ৰীয়ে লগতে কয়, 'পৰীক্ষা নিদিয়াকৈ লাভ কৰা ফলাফল চাকৰিৰ অৰ্হতা হিচাপে ধৰিলে পৰীক্ষা দি উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলে নিশ্চয়কৈ আদালতত গোচৰ তৰিব। সেয়েহে চৰকাৰে 'বেটাৰমেণ্ট' পৰীক্ষা পাতিব আৰু ছাত্ৰ-ছাত্ৰীয়ে উক্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অৱশ্যে 'বেটাৰমেণ্ট' পৰীক্ষাত বহাটো বাধ্যতামূলক নহয়।' মন্ত্ৰীজনে কয় যে যিসকল নিজৰ ভৱিষ্যতক লৈ সচেতন, তেওঁলোকে 'বেটাৰমেণ্ট' পৰীক্ষা দিব পাৰিব। আনহাতে, চৰকাৰে শাৰীৰিক পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি সদৰী কৰি শিক্ষামন্ত্ৰীয়ে লগতে কয় যে এই ক্ষেত্ৰত এটা পৰীক্ষা, এখন মাৰ্কশ্বিট হ'ব। উল্লেখ্য যে বিটিচি সচিবালয়ত আয়োজিত আজিৰ বৈঠকত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, এবছুৰ সভাপতি দ্বীপেন বড়ো আদিও উপস্থিত আছিল। এই বৈঠকতে এবছুৱে শিক্ষামন্ত্ৰীক এখন ২২ দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰি বড়ো মাধ্যমৰ সমস্যা, অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ কৰাৰ লগতে বড়ো মাধ্যম আৰু ভাষাৰ স'তে জড়িত আন সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ আহ্বান জনায়। আনহাতে, বৈঠকৰ অন্তত সাংবাদিকৰ আগত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে কয় যে অতি শীঘ্ৰে বড়ো মাধ্যমৰ সকলো সমস্যা সমাধান হ'ব। লগতে শিক্ষামন্ত্ৰী ডাঃ পেগুৰ স'তে হোৱা আলোচনা অতি সৌহাৰ্দ্যপূৰ্ণ আছিল বুলিও বড়োৱে মন্তব্য কৰে। ইফালে, শিক্ষামন্ত্ৰীয়ে আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়ো আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ স'তেও আন এক বৈঠকত মিলিত হয়। আনহাতে, বিয়লি কেন্দ্ৰীয় কাৰিকৰী প্ৰতিষ্ঠান (চিআইটি)ৰ ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত 'বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু চাকৰি দক্ষতা' শীৰ্ষক এক আলোচনা চক্ৰতো অংশ লোৱাৰ লগতে এবছুৰ কেন্দ্ৰীয় কাৰ্যালয় বড়োফা হাউছত উপস্থিত

# ৰাজ্যত পুনৰ ২৮ জন আক্ৰান্তৰ মৃত্যু

তিনি পৃষ্ঠাৰ পৰা হেৰুৱায়। আনহাতে, ৰাজ্যত বিগত ২৪ ঘণ্টাত দুহেজাৰ ৩৭৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। টুইটযোগে এই তথ্য সদৰী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজিৰ দিনটোত ৰাজ্যৰ একলাখ ৩৪ হেজাৰ ৮৫ জন লোকৰ শৰীৰত ক'ভিড পৰীক্ষা সম্পন্ন হয়। আজিৰ সংক্ৰমণৰ হাৰ হৈছে ১.৭৭ শতাংশ। সুস্থতাৰ হাৰ হৈছে ৯৪.২৪ শতাংশ। আজিৰ দিনটোত ৰাজ্যত দুহেজাৰ ৫২৪ জন ৰোগীক সুস্থ ঘোষণা কৰা হয়। সম্প্ৰতি ৰাজ্যত ২৩ হেজাৰ ৭৩৭ জন সক্ৰিয় ৰোগী আছে। ইফালে, ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তথ্য অনুসৰি গোলাঘাট আৰু যোৰহাট জিলাত ক'ভিড পৰিস্থিতি এতিয়াও উদ্বেগজনক অৱস্থাত আছে। অৱশ্যে গোলাঘাটত মৃত্যু হোৱা লোকৰ সংখ্যা পূৰ্বৰ দৰেই কম। আজিৰ দিনটোত গোলাঘাট জিলাত সৰ্বাধিক ৩১৬ জন ক'ভিড ৰোগী চিনাক্ত হয়। সেইদৰে যোৰহাটত ২৩১, কামৰূপ মহানগৰত ১৬৮ আৰু লখিমপুৰত ১৬৬ জন ক'ভিড ৰোগী চিনাক্ত হয়। উল্লেখ্য যে লখিমপুৰত জিলাত শেহতীয়াকৈ আক্ৰান্তৰ সংখ্যা উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। স্বাস্থ্য বিভাগে সদৰী কৰা অনুসৰি, বিগত ২৪ ঘণ্টাত চৰাইদেউ, যোৰহাট, নগাঁৱত তিনিজনকৈ, ডিব্ৰুগড়, কামৰূপ গ্ৰাম্য, লখিমপুৰ, মৰিগাঁৱত দুজনকৈ তথা বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, দৰং, গোলাঘাট, হাইলাকান্দি, হোজাই, কৰিমগঞ্জ, কোকৰাঝাৰ, শিৱসাগৰ আৰু শোণিতপুৰত এজনকৈ লোকৰ ক'ভিড মৃত্যু হয়। ৰাজ্যত সামগ্ৰিকভাৱে এই পৰ্যন্ত চাৰিহেজাৰ ৬৩২ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। এই পৰ্যন্ত অসমত পাঁচলাখ ১৫ হেজাৰ ৯৮১ জন লোক ক'ভিডত আক্ৰান্ত হৈছে আৰু ইয়াৰে চাৰিলাখ ৮৬ হেজাৰ ২৬৫ জন ৰোগীৰ ইতিমধ্যে ক'ভিড মুক্ত হৈছে।

### নগাঁৱত তিনিজনৰ মৃত্যু, আক্ৰান্ত শতাধিক

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত আজি এগৰাকী যুৱতীসহ তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগী তিনিজন হৈছে কছুৱা লুটুমাৰীৰ হাতেম আলী (৮৫), বৰকলাৰ খৰ্গেশ্বৰী লস্কৰ (২২) আৰু শালনা বৰঘাটৰ দুতি তাঁতী (৪৫)। জিলাখনত এই পৰ্যন্ত ক'ভিডৰ দ্বিতীয় লহৰত ৯৩ জন ৰোগীৰ মৃত্যু হৈছে। ইফালে, আজিৰ দিনটোত জিলাখনত ১০৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিগত কিছুদিনৰ তুলনাত শেহতীয়াকৈ জিলাখনত আক্ৰান্তৰ সংখ্যা সামান্য হ্ৰাস পাইছে। সম্প্ৰতি জিলাখনত এহেজাৰ ৭৯৭ জন সক্ৰিয় ৰোগী আছে। এই পৰ্যন্ত নগাঁও জিলাত ১৪ হেজাৰ ৯০১ জন ৰোগী ক'ভিড মুক্ত হৈছে।

### বিশ্বনাথত দেৰশিশুসহ সাতজন আক্ৰান্ত

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাত আজি এটিত পাঁচমহীয়া শিশুসহ সাতজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী ভীমাজুলি আৰু শ্যাম বস্তিত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এশজন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন কৰা হৈছিল। তেতিয়াই এই সাতজনৰ ফলাফল পজিটিভ আহে।

### টীয়কত যুৱকৰ মৃত্যু

**জাঁজীৰ অগ্ৰদূত বাৰ্তা ঃ** ক'ভিডত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে টীয়ক দক্ষিণ দুলীয়া গাঁৱৰ এজন যুৱকে। বিগত প্ৰায় ১০ দিন ধৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পাছত আজি মৃত্যু হৈছে যুৱকজন হৈছে এটা মাইক্ৰ'ফাইনেন্স কোম্পানীত কৰ্মৰত পৱন দাস (৩৩)। শেহতীয়াকৈ টীয়কৰ গ্ৰামাঞ্চলত ক'ভিডৰ গণসংক্ৰমণ হোৱা পৰিলক্ষিত হৈছে। উত্তৰ-দক্ষিণ দুলীয়াত এই পৰ্যন্ত ১৩ জন লোক আক্ৰান্ত হোৱাত ইতিমধ্যে অঞ্চলটোক কন্টেইনমেন্ট জ'ন ঘোষণা কৰা হৈছে। আনহাতে, ভগামুখ অঞ্চলৰ একাধিক গাঁৱত অৰ্ধশতাধিক লোক ক'ভিডত আক্ৰান্ত হৈছে।

### শোণিতপুৰত এজনৰ মৃত্যু ঃ ১৮ শিশু আক্ৰান্ত

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি এগৰাকী মহিলাৰ ক'ভিডত মৃত্যু হয়। মৃত মহিলাগৰাকী হৈছে জামুগুৰিহাটৰ ডেকা চুক নিবাসী জয়ন্তী দেৱী (৭৫)। আনহাতে, আজিৰ দিনটোত জিলাখনত ১৪৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত ১৮ টি শিশু আছে বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে। সম্প্ৰতি জিলাখনত এহেজাৰ এশজন সক্ৰিয় ৰোগী আছে।

### কোকৰাঝাৰত পুনৰ এজনৰ মৃত্যু

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত আজি পুনৰ এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। আজি মৃত্যু হোৱা ৰোগীজনৰ তথ্য জিলা স্বাস্থ্য বিভাগে এই পৰ্যন্ত সদৰী কৰা নাই। ক'ভিডৰ দ্বিতীয় লহৰত কোকৰাঝাৰত এই পৰ্যন্ত ৫২ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইফালে, আজি জিলাখনত ৩২ জন লোকৰ শৰীৰত ক'ভিড উপস্থিতি ধৰা পৰে। সম্প্ৰতি জিলাখত ২৬৯ জন সক্ৰিয় ৰোগী আছে। আজিৰ দিনটোত জিলাখনৰ ৪১ জন ৰোগী ক'ভিড মুক্ত হয়।

### ক'ভিডত দুনীৰ শিক্ষাবিদৰ মৃত্যু

**দুনীৰ অগ্ৰদূত বাৰ্তা ঃ** দৰং জিলাৰ মালিবাৰিটাৰী নিবাসী তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামনাথ নাথৰ কালি ক'ভিডত মৃত্যু হয়। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত শিক্ষাবিদজন মঙলদৈ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কালি চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰাত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। দুনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে শিক্ষা সেৱা আগবঢ়োৱা নাথে ১৯৯৮ত গৰুখুঁটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। একাধিক বিদ্যালয়ত শিক্ষকতা কৰা নাথে অৱসৰৰ পাছত ছিপাঝাৰ জনতা কলেজৰো অক্ষ্যক্ষ হৈ আছিল।

### শোণিতপুৰত এজনৰ মৃত্যু ঃ ১৮ শিশু আক্ৰান্ত

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি এগৰাকী মহিলাৰ ক'ভিডত মৃত্যু হয়। মৃত মহিলাগৰাকী হৈছে জামুগুৰিহাটৰ ডেকা চুক নিবাসী জয়ন্তী দেৱী (৭৫)। আনহাতে, আজিৰ দিনটোত জিলাখনত ১৪৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত ১৮ টি শিশু আছে বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে। সম্প্ৰতি জিলাখনত এহেজাৰ এশজন সক্ৰিয় ৰোগী আছে।

### কোকৰাঝাৰত পুনৰ এজনৰ মৃত্যু

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত আজি পুনৰ এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। আজি মৃত্যু হোৱা ৰোগীজনৰ তথ্য জিলা স্বাস্থ্য বিভাগে এই পৰ্যন্ত সদৰী কৰা নাই। ক'ভিডৰ দ্বিতীয় লহৰত কোকৰাঝাৰত এই পৰ্যন্ত ৫২ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইফালে, আজি জিলাখনত ৩২ জন লোকৰ শৰীৰত ক'ভিড উপস্থিতি ধৰা পৰে। সম্প্ৰতি জিলাখত ২৬৯ জন সক্ৰিয় ৰোগী আছে। আজিৰ দিনটোত জিলাখনৰ ৪১ জন ৰোগী ক'ভিড মুক্ত হয়।

### ক'ভিডত দুনীৰ শিক্ষাবিদৰ মৃত্যু

**দুনীৰ অগ্ৰদূত বাৰ্তা ঃ** দৰং জিলাৰ মালিবাৰিটাৰী নিবাসী তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামনাথ নাথৰ কালি ক'ভিডত মৃত্যু হয়। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত শিক্ষাবিদজন মঙলদৈ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কালি চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰাত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। দুনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে শিক্ষা সেৱা আগবঢ়োৱা নাথে ১৯৯৮ত গৰুখুঁটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। একাধিক বিদ্যালয়ত শিক্ষকতা কৰা নাথে অৱসৰৰ পাছত ছিপাঝাৰ জনতা কলেজৰো অক্ষ্যক্ষ হৈ আছিল।

### নলবাৰীত ২৯ জন আক্ৰান্ত

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি ২৯ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা সাতহেজাৰ ৮৩ জনলৈ বৃদ্ধি পালে। ইপিনে, আজিৰ দিনটোত জিলাখনৰ ৪১ জন ৰোগীক সুস্থ ঘোষণা কৰা হয়।

### গোৱালপাৰাত নতুনকৈ আক্ৰান্ত ৫১ জন

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত আজি নতুনকৈ ৫১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি জিলাখনত ৫৩৩ জন সক্ৰিয় ৰোগী আছে। ইয়াৰে ১০২ জন বিভিন্ন ক'ভিড হাস্পতালত চিকিৎসাধীন হৈ আছে। ইফালে, আজিৰ দিনটোত গোৱালপাৰাত ২৭ জন ৰোগী ক'ভিড মুক্ত হয়।

### দৰঙত ৩৫ জন ক'ভিড পজিটিভ

**মঙলদৈৰ বিশেষ সংবাদদাতা ঃ** দৰং জিলাত আজি ৩৫ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জানুৱাৰীৰ পৰা জিলাখনত আক্ৰান্তৰ সংখ্যা সাত হেজাৰ ৪২৯ জনলৈ বৃদ্ধি পালে। ইয়াৰে সক্ৰিয় ৰোগী আছে ৪৭৮ জন। জিলাখনত এই পৰ্যন্ত ছহেজাৰ ৮৫৯ জন লোক ক'ভিড মুক্ত হৈছে। উল্লেখ্য যে আজিৰ দিনটোত জিলাখনত এজন লোকৰ মৃত্যু হয়।

### আজাৰাত ১৬ জন ৰোগী চিনাক্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ জিলাৰ আজাৰা অঞ্চলত আজি ১৬জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ১৫ জনক বিভিন্ন ক'ভিড হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ৬৪২ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন কৰা হৈছে।

**ৰমণীৰ গীত-নৃত্যত মাতাল একাংশ সুৰাপায়ী ঃ সৰ্বত্ৰে প্ৰতিক্ৰিয়া**

# 'বাৰ' কেয়াৰলৈ পৰিণত টুম্প্ৰেংস্থিত ক'ভিড কেয়াৰ চেণ্টাৰ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ৩ জুলাই ঃ** বিতৰ্কই লগ নেৰা পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্প্ৰেংস্থিত ক'ভিড কেয়াৰ চেণ্টাৰত এইবাৰ একাংশ ক'ভিড ৰোগীয়ে সুৰাৰ ৰাগীত মাতাল হৈ ৰমণীৰ গীত-নৃত্যৰ তালে তালে আনন্দ-স্ফূৰ্তিত মাতাল হৈ পৰাৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যোৱা পাঁচ জুনত ক'ভিড আক্ৰান্ত দুই আচামী ক্ৰমে ৰবলংকি টিমুং আৰু জন ইংতিয়ে চিকিৎসাধীন হৈ থকাৰ মাজতে পলায়ন কৰিছিল। এই ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই পুনৰ মাতাল ৰমণীৰ নৃত্য-গীতত মতলীয়া হৈ পৰে একাংশ ক'ভিড ৰোগী। ক'ভিড সংক্ৰমণৰ বাবে ৰাজ্য চৰকাৰে



ক'ভিড প্ৰট'কল কঠোৰভাৱে প্ৰযোজ্য কৰাৰ সময়তে ক'ভিড কেয়াৰ চেণ্টাৰত যোৱা ২৮ জুনৰ নিশা সংঘটিত হয় এই ঘটনা। ক'ভিড কেয়াৰ চেণ্টাৰত অহৰহ নজনকৈ নিৰাপত্তাৰক্ষী আৰু চিকিৎসকৰ দল নিয়োজিত হৈ থকাৰ মাজতে কেনেকৈ কোনে কিদৰে এই বিলাসী সুৰা যোগান ধৰি ক'ভিড ৰোগীক ৰমণীৰ নৃত্যৰ তালে তালে গীত-নাচৰ অনুশীলন থলীলৈ পৰিণত কৰিলে তাকে লৈ প্ৰশ্ন উত্থাপিত হৈছে। ক'ভিড কেয়াৰ চেণ্টাৰৰ সলনি 'বাৰ' কেয়াৰ চেণ্টাৰলৈ পৰিণত হোৱা এই ঘটনাই সম্প্ৰতি সৰ্বত্ৰে চৰ্চিত বিষয় হৈ পৰিছে জিলাখনত।

# পদ্ধতিগত বিনিয়োগ পৰিকল্পনা এছআইপি

যিকোনো দুৰ্যোগ বা বিপৰ্যয়ৰ সময়তো হাতত পৰ্যাপ্ত থাকিলে সাহস পোৱা যায়। এজন ব্যক্তি বা পৰিয়াল এটাক আৰ্থিকভাৱে সুস্থিৰ হ'বলৈ প্ৰয়োজন হয় স্থায়ী আৰু নিয়মীয়া ৰোজগাৰৰ। বৰ্তমান মুদ্ৰাস্ফীতিৰ ঊৰ্ধ্বগমনে দৈনন্দিন জীৱন চৰ্চাৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলো ধৰণৰ সামগ্ৰী ব্যয়বহুল কৰি তুলিছে।



**জীৱনৰ** প্ৰতিটো সৰু বৰ প্ৰয়োজন পূৰাবৰ বাবে আমাক সকলোকে লাগে আৰ্থিক সুস্থিৰতা। যিকোনো দুৰ্যোগ বা বিপৰ্যয়ৰ সময়তো হাতত পৰ্যাপ্ত থাকিলে সাহস পোৱা যায়। এজন ব্যক্তি বা পৰিয়াল এটাক আৰ্থিকভাৱে সুস্থিৰ হ'বলৈ প্ৰয়োজন হয় স্থায়ী আৰু নিয়মীয়া ৰোজগাৰৰ। বৰ্তমান মুদ্ৰাস্ফীতিৰ ঊৰ্ধ্বগমনে দৈনন্দিন জীৱন চৰ্চাৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলো ধৰণৰ সামগ্ৰী ব্যয়বহুল কৰি তুলিছে। বজাৰত জুই-ছাই দাম খাদ্য সামগ্ৰী, ইন্ধনৰ। খৰচ বাঢ়িছে বাসস্থান, শিক্ষা আৰু স্বাস্থ্যসেৱাৰো। এনে পৰিস্থিতিত নিজৰ নিজৰ আৰ্থিক জীৱনত সুস্থিৰতা বজাই ৰাখিবলৈ হ'লে কেৱল সঞ্চয়ৰ ওপৰতে ভৰসা কৰিলে নহ'ব। কিয়নো কি বেংক, কি পিএফ সকলোতে কমিছে সুতৰ হাৰ। ফলশ্ৰুতিত দিনক দিনে কমিছে মধ্যবিত্তৰ সঞ্চয়ৰ পৰিমাণ। এনে ক্ষেত্ৰত জমা বা সঞ্চয়েৰে আৰ্থিক সম্পত্তি বৃদ্ধি কৰাটো এই সময়ত জটিল হৈ পৰিছে। সেয়েহে জমা কৰাতকৈ এতিয়া প্ৰয়োজন হৈছে ভাবি চিন্তি বিনিয়োগ কৰাটো। বিনিয়োগক এক অভ্যাসলৈ পৰিণত কৰি যদি নিয়মীয়াকৈ ধন খটুৱাব পৰা যায় তেন্তে মোটা অংকৰ ধনৰ গৰাকী হ'বলৈ আপোনাৰ বৰ বেছি বছৰ নালাগিব। বিনিয়োগ কৰিব খুজিলে আজিৰ তাৰিখত বজাৰত বিকল্প হেজাৰ বিজাৰ আছে। ইয়াৰ ভিতৰত এছআইপি বা পদ্ধতিগত বিনিয়োগত ঘাটিৰ আশংকা কম হোৱা বাবে বিশেষজ্ঞসকলে অন্যান্য বিকল্পবোৰৰ তুলনাত ইয়াক বেছি লাভজনক বুলি একেমুখে স্বীকাৰ কৰি আহিছে। চাই-চিতি, সাৱধানে যদি ব্যয়ৰ সঠিক ভাৰসাম্য ৰাখি বিনিয়োগ কৰা হয় তেন্তে এই বিনিয়োগ আঁচনিত লাভেই লাভ। অৱশ্যে প্ৰাৰম্ভিক অৱস্থাত নতুন বিনিয়োগকাৰীসকলে কোনো এক নিৰ্দিষ্ট ফাণ্ডত বিনিয়োগ কৰাতকৈ ব্লুচিপ সংস্থাৰ পৰা আৰম্ভ কৰি অন্যান্য সৰু-সুৰা সংস্থাৰ নামত বিনিয়োগ কৰাটোহে অধিক নিৰাপদ বুলি পৰামৰ্শ দিয়ে বিশেষজ্ঞসকলে।

সাম্প্ৰতিক পৰিস্থিতিত বিনিয়োগ কৰাটো যথেষ্ট শংকাপূৰ্ণ বিষয় হৈ পৰিছে যদিও সঠিক পৰিকল্পনা অনুযায়ী দীৰ্ঘম্যাদৰ বাবে বিনিয়োগ কৰিলে ইয়াত কোনো শংকাৰ কাৰণ নাথাকে। আপুনি যদিহে যথাযথ পদ্ধতি মানি কম বয়সৰ পৰাই ধৈৰ্য সহকাৰে এছআইপিত বিনিয়োগ কৰিবলৈ আৰম্ভ কৰে তেন্তে বিনিয়োগৰ ২৫ বছৰৰ অন্ততঃ আপোনাৰ হাতলৈ আহিব পাৰে ১০ কোটি টকা। বিশেষকৈ যুৱক-যুৱতীসকলে যদি কম বয়সৰ পৰাই এই পদ্ধতিগত বিনিয়োগৰ পৰিকল্পনা কৰে তেন্তে কোটিপতি হোৱাটো প্ৰায় নিশ্চিত বুলিয়েই ধৰি ল'ব পাৰে।

### এছআইপি কি ?

এছআইপি বা পদ্ধতিগত বিনিয়োগ পৰিকল্পনা হৈছে মিউছুৱেল ফাণ্ডসমূহত বিনিয়োগৰ এটা অতি লাভজনক পদ্ধতি। বিনিয়োগকাৰীসকলে এই আঁচনিত নিয়মীয়া বিৰতিৰ মূৰে মূৰে অলপ অলপকৈ বিনিয়োগ কৰাৰ সুবিধা পায়। এছআইপিক মিউছুৱেল ফাণ্ডৰ অন্যতম জনপ্ৰিয় অংশ হিচাপে বিবেচনা কৰা হয়। কিয়নো এই আঁচনিয়ে কোনো এজন ব্যক্তিক স্বল্প বিনিয়োগৰ সুবিধা দিয়াৰ লগতে সময়মতে লক্ষ্য অৰ্জনৰ নিশ্চিতি প্ৰদান কৰে। সেয়েহে ইয়াক বহু বিনিয়োগকাৰীয়ে লক্ষ্যভিত্তিক পৰিকল্পনা বুলিও ক'ব খোজে। অৰ্থাৎ বেছিভাগ বিনিয়োগকাৰীয়ে কোনো এটা লক্ষ্য লৈ যেনে, গৃহ ক্ৰয়, গাড়ী কিনা, উচ্চ শিক্ষাৰ বাবে পৰিকল্পনা কৰা ইত্যাদিৰ বাবেহে সাধাৰণতে এছআইপি পদ্ধতিত বিনিয়োগৰ বিকল্প বাছনি কৰে। কোনো এজন ব্যক্তিৰ বৰ্তমানৰ কম বাজেট বা দুৰ্বল আৰ্থিক স্থিতিয়ে যাতে তেওঁৰ ভৱিষ্যতৰ লক্ষ্যৰ বাবে থকা পৰিকল্পনাক বাধা দিব নোৱাৰে তাক সুনিশ্চিত কৰে এই আঁচনিয়ে।

### এছআইপিত বিনিয়োগৰ প্ৰক্ৰিয়া ঃ

খুব সহজতে এছআইপিত বিনিয়োগ সম্ভৱ। বিনিয়োগৰ বাবেই প্ৰথমেই আপুনি আপোনাৰ উদ্দেশ্য নিৰ্ধাৰণ কৰি ল'ব লাগিব। যিকোনো বিনিয়োগৰ পূৰ্বে কৰাৰ দৰে এই আঁচনিত বিনিয়োগৰ বাবেও উদ্দেশ্য আৰু লক্ষ্য নিৰ্ধাৰণ কৰিব লাগে। ইয়াৰ ফলত আঁচনিখনত বিনিয়োগৰ ম্যাদ কিমান হোৱা উচিত আৰু বিনিয়োগৰ ম্যাদ উকলাৰ পাছত আপোনাৰ প্ৰত্যাশিত ৰিটাৰ্ণ কিমান, ইত্যাদি বিষয় বিশ্লেষণ কৰোতে সুবিধা হ'ব। উদাহৰণস্বৰূপে, যদি দুবছৰ পাছত আপুনি উচ্চ শিক্ষা লাভৰ বাবে ৰাজ্য বা দেশৰ বাহিৰলৈ যোৱাৰ পৰিকল্পনা কৰিছে আৰু তাৰ বাবে আগতীয়াকৈ পুঁজি যোগাৰৰ চিন্তাত পৰিছে তেন্তে আপুনি এছআইপি ফাণ্ডত এতিয়াৰে পৰা অলপ অলপকৈ ধন জমা কৰি পিছলৈ বৃহৎ পুঁজি হাতলৈ আনিব পাৰিব। আনহাতে, বিনিয়োগৰ ম্যাদ নিৰ্ধাৰণ কৰাটোও সমানেই গুৰুত্বপূৰ্ণ উদাহৰণস্বৰূপে, যদি হ্ৰস্ব ম্যাদৰ ভিতৰতে আপোনাক যথেষ্ট টকাৰ প্ৰয়োজন আছে তেন্তে আপোনাৰ বিনিয়োগৰ পৰিমাণো বেছি হোৱা উচিত। উপৰোক্ত দুই গুৰুত্বপূৰ্ণ লক্ষ্য আৰু ম্যাদ নিৰ্ধাৰণ কৰাৰ পাছত আপুনি অনলাইন বা অফলাইনযোগে কেৱাইচি দাখিল কৰি খুব সহজতে মিউছুৱেল ফাণ্ডত বিনিয়োগ কৰিব পাৰিব। যিকোনো ফাণ্ড হাউছৰ স'তে প্ৰত্যক্ষভাৱে যোগাযোগ কৰি নাইবা অনলাইনযোগে এই বিনিয়োগ সম্ভৱ। যিহেতুকে প্ৰযুক্তিৰ ক্ৰমবৰ্ধমান অগ্ৰগতিৰ ফলত আজিৰ দিনত বিনিয়োগৰো অধিকাংশ লেনদেন অনলাইনতে সম্পন্ন হয়, ব্যতিক্ৰম নহয় এছআইপিও বিনিয়োগকাৰীয়ে পোনে পোনে ফাণ্ড হাউছৰ মাধ্যমেদি বা মিউছুৱেল ফাণ্ডৰ মাধ্যমেদি অনলাইনযোগে এছআইপিত ধন খটুৱাব পাৰে।

### বজাৰৰ জনপ্ৰিয় ফাণ্ডসমূহ

বৰ্তমান এছআইপি বা পদ্ধতিগত বিনিয়োগ পৰিকল্পনাৰ দ্বাৰা যিবোৰ মিউছুৱেল ফাণ্ডত ধন খটুৱাই বিনিয়োগকাৰীয়ে প্ৰচুৰ লাভ কৰিবলৈ সক্ষম হৈছে সেইসমূহৰ ভিতৰত নাম ল'ব পাৰিব এক্সিছ ব্লুচিপ ফাণ্ড, কোটেক ইমাৰ্জিং ইকুইটি ফাণ্ড, টাটা স্মাল কেপ ফাণ্ড, নিপ্পন ইণ্ডিয়া ভেল্যু ফাণ্ড, আইচিআইচিআই প্ৰুডেন্সিয়েল ছেনছেক্স ইণ্ডিয়া ফাণ্ড ইত্যাদিৰ। আপুনি যদি প্ৰতিমাহে এছআইপিৰ দ্বাৰা এনেবোৰ ফাণ্ডত মাত্ৰ পাঁচ হেজাৰ টকাও বিনিয়োগ কৰে তেন্তে বাৰ্ষিক ১২ শতাংশ ৰিটাৰ্ণৰ হিচাপেৰে ১৫ বছৰৰ পাছত লাভ কৰিব পাৰে ২৫ লাখ টকা পৰ্যন্ত।

এইখিনিতে এটা কথা উনুকিয়াই থোৱা উচিত, বিনিয়োগৰ বজাৰখন সদায়েই পৰিবৰ্তনশীল। গতিকে যিকোনো বৃহৎ বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে বিশেষজ্ঞৰ পৰামৰ্শ লোৱাটো অত্যন্ত জৰুৰী। ইয়াৰ লগতে বিনিয়োগৰ পূৰ্বে এইটোও বিচাৰ কৰি চাব যাতে আপুনি বিনিয়োগ কৰিবলৈ ওলোৱা ফাণ্ড হাউছটো বা কোম্পানীটোৰ নাম ভাৰতীয় বিনিয়োগৰ বজাৰৰ প্ৰধান নিয়ন্ত্ৰক সংস্থা ছেবিৰ দ্বাৰা পঞ্জীয়নভুক্ত হয়।

## ১০ কোটি টকা পৰ্যন্ত আয়ৰ সুযোগ

**এছআইপিত** বিনিয়োগৰ মাধ্যমেদি ১০ কোটি টকা পৰ্যন্ত নিশ্চিত আয়ৰ বাবে দৰকাৰ দীৰ্ঘম্যাদী বিনিয়োগৰ। এই বিনিয়োগ আৰম্ভ কৰিব লাগিব সঠিক সময়ত আৰু সুনিৰ্দিষ্ট পৰিকল্পনা মতে। পৰিকল্পনা নাথাকিলে যিকোনো বিনিয়োগেই অৰ্থহীন। ৫০ৰ ডেওনা পাৰ কৰাৰ পূৰ্বেই যদি নিজৰ বেংক একাউণ্টৰ বেলেঞ্চ ১০ কোটি টকা হোৱাটো বিচাৰে তেন্তে বিনিয়োগ আৰম্ভ কৰিব লাগিব কুৰি পাৰ হোৱাৰ ঠিক পাছতে। ইমান কম বয়সত এছআইপি বিনিয়োগ আৰম্ভ কৰিলে প্ৰথম ঢাপতেই বৃহৎ ৰাশি বিনিয়োগ কৰা মুঠেও সম্ভৱ নহয় বিনিয়োগকাৰীজনৰ বাবে। গতিকে এনে স্থলত ধীৰে সুস্থিৰে আগবঢ়াটো জৰুৰী। ইয়াৰ বাবে প্ৰথমাৱস্থাত বিনিয়োগকাৰীয়ে সেয়ে মিউছুৱেল ফাণ্ড এছআইপিৰ সহায় ল'ব পাৰে। অৰ্থাৎ এছআইপিৰ ক্ষেত্ৰখনত আপোনাৰ বিনিয়োগৰ মাধ্যম হিচাপে আপুনি ব্যৱহাৰ কৰিব পাৰে মিউছুৱেল ফাণ্ডক। মিউছুৱেল ফাণ্ড এছআইপি বিনিয়োগৰ জৰিয়তে আপুনি ২৫ বছৰত ১০ কোটি টকা অনায়াসে জমা কৰিব পাৰিব। বাৰ্ষিক ১২ৰ পৰা ১৫ শতাংশ ৰিটাৰ্ণ পাব পাৰিব আপোনাৰ বিনিয়োগ ৰাশিৰ ওপৰত। ইয়াৰ বাবে চৰ্ত মাথোঁ এটাই। বছৰে বছৰে নিজৰ সামৰ্থ্য অনুযায়ী বিনিয়োগৰ পৰিমাণ বঢ়াই যাব লাগিব। এছআইপিৰ হিচাপ মতে, ২৫ বছৰৰ ভিতৰত ১০ কোটি টকা আয় কৰিবলৈ হ'লে বিনিয়োগ ৰাশিৰ পৰিমাণ হ'ব লাগিব প্ৰতিমাহে ২৬,০০০ টকা। বাৰ্ষিক ৰিটাৰ্ণৰ পৰিমাণ যদি ১০ শতাংশ বা ততোধিক কৰিব বিচাৰে তেন্তে বিনিয়োগ ৰাশিৰ পৰিমাণ বেছি হোৱাটো বাঞ্ছনীয়। অৱশ্যে পিছলৈ লাহে লাহে বিনিয়োগৰ পৰিমাণ কমাবও পাৰিব। বিনিয়োগকাৰীয়ে যদি প্ৰতিবছৰে ১২ শতাংশকৈ ৰিটাৰ্ণ লাভ কৰে তেন্তে মাহিলি বিনিয়োগৰ পৰিমাণ আপোনা আপুনি কিছু হ্ৰাস পাব। ধৰা হ'ল, বিনিয়োগকাৰীয়ে একেৰাহে তিনি বছৰমান ১৫ শতাংশকৈ ৰিটাৰ্ণ পাইছে। এনে ক্ষেত্ৰত বিনিয়োগ প্ৰতিমাহে ২৬ হেজাৰ টকাৰ পৰা হ্ৰাস কৰি ১৪ বা ১৫ হেজাৰ টকালৈ নমাব পৰা যাব।




আপুনি বাৰু দেশৰ সবাতোকৈ জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য বীমা প্ৰতিষ্ঠান এলআইচিৰ কোনো লাভজনক আঁচনিত ধন বিনিয়োগৰ পৰিকল্পনা কৰি আছে নেকি? গ্ৰাহকক ভালৰো ভাল লাভজনক আৰু সুৰক্ষাৰ নিশ্চিতি থকা আঁচনি আগবঢ়োৱাৰ উদ্দেশ্যে ভাৰতীয় জীৱন বীমা নিগমে বিভিন্ন আঁচনি বজাৰত উলিয়াই দিছে। তাৰ ভিতৰত ব্যাপকভাৱে জনপ্ৰিয় হোৱা এক আঁচনি হৈছে এলআইচি জীৱন লাভ। এই আঁচনিত প্ৰতি মাহে মাত্ৰ ২৩৩ টকাকৈ জমা কৰিলে সহজতে ১৭ লক্ষ টকা লাভ কৰিব পাৰি।

# ১৭ লক্ষ টকাৰ ৰিটাৰ্ণ দিব এলআইচিৰ এই পলিচীয়ে!

### আঁচনিখনৰ গুৰুত্বপূৰ্ণ দিশসমূহ কি কি ?

এলআইচিৰ জীৱন লাভ আঁচনিখন হৈছে এখন নন্ লিংকড পলিচী । অৰ্থাৎ শ্বেয়াৰ বজাৰৰ সূচকৰ উঠা-নমাৰ স'তে এই পলিচীৰ কোনো সম্পৰ্ক নাই। পলিচীখনত ধন বিনিয়োগ কৰিলে বিনিয়োগকাৰীৰ টকা সম্পূৰ্ণ সুৰক্ষিত হৈ থাকে। এই সীমিত প্ৰিমিয়ামৰ পলিচীখনত সন্তানৰ বিয়া-বাৰু, উচ্চ শিক্ষা অথবা সম্পত্তি ক্ৰয়ৰ পৰিকল্পনাৰে বিনিয়োগ কৰিব পাৰি যাতে ভৱিষ্যতে আৰ্থিক সুবিধা হয়।

ন্যূনতম আঠ বছৰ বয়সৰ পৰা বিনিয়োগ কৰিব পৰা এই পলিচীৰ গ্ৰাহকৰ বয়সৰ ঊৰ্ধ্বসীমা হৈছে ৫৯ বছৰ। আনহাতে পলিচীখনৰ টাৰ্ম ১৬ৰ পৰা ২৫ বছৰ পৰ্যন্ত। এই পলিচীত ন্যূনতম ছাম এচিয়ৰ্ডৰ পৰিমাণ হৈছে দুই লক্ষ টকা। বিপৰীতে, সৰ্বোচ্চ কোনো সীমা নাই। বিনিয়োগকাৰীয়ে একেৰাহে তিনি বছৰ পৰ্যন্ত প্ৰিমিয়াম জমা দিয়াৰ পাছত প্ৰয়োজন সাপেক্ষে ঋণো ল'ব পাৰে এলআইচিৰ জীৱন লাভ আঁচনিখনৰ মাধ্যমেৰে। নিৰ্ধাৰিত নিয়ম অনুসৰি জীৱন লাভ আঁচনিৰ গ্ৰাহকে জমা দিয়া প্ৰিমিয়ামত কৰ ৰেহাইৰ সুবিধাও উপভোগ কৰিব পাৰে।

দুৰ্ভাগ্যবশতঃ পলিচী হোল্ডাৰৰ মৃত্যু হ'লে তেওঁৰ দ্বাৰা মনোনীত ব্যক্তিয়ে লাভ কৰিব সম্পূৰ্ণ বীমা ৰাশিৰ লগতে বোনাছ। পলিচী হোল্ডাৰৰ মৃত্যু হ'লে আৰু মৃত্যুৰ সময়লৈ প্ৰিমিয়ামৰ সমস্ত দেনা সম্পূৰ্ণ হ'লে মনোনীত ব্যক্তিয়ে বীমাৰাশি, ছিম্পল ৰিভাৰ্ছনৰি বোনাছ আৰু ফাইনেল এডিচন বোনাছ আটাইখিনি লাভ কৰিব পাৰে।

### কেনেদৰে পাব ১৭ লক্ষ টকাৰ ৰিটাৰ্ণ ?

কোনো এজন গ্ৰাহকে যদি তেওঁৰ ২৩ বছৰ বয়সৰ পৰাই এই আঁচনিত বিনিয়োগ কৰে তেওঁ ১৭ লক্ষ টকাৰ ৰিটাৰ্ণ লাভৰ সুযোগ পাব। ইয়াৰ বাবে গ্ৰাহকজনে সুদীৰ্ঘ ১৬ বছৰৰ টাৰ্মপ্লেন বাছনি কৰিব লাগিব আৰু ১০ লক্ষ টকাৰ ছাম এচিয়ৰ্ডৰ অপছনটো গ্ৰহণ কৰিব লাগিব। পলিচীৰ টাৰ্ম আৰু ছাম এচিয়ৰ্ডৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ পাছত একেৰাহে ১০ বছৰ পৰ্যন্ত যদি দৈনিক ২৩৩ টকাকৈ জমা থ'ব পাৰে তেন্তে ম্যাদ পূৰ হোৱাৰ সময়লৈ অৰ্থাৎ গ্ৰাহকজনৰ ৩৯ বছৰ বয়সত তেওঁ লাভ কৰিব ১৭,১৩,০০০ টকাৰ নিশ্চিত ৰিটাৰ্ণ।






লাভ নহ'লেও লোকচানৰো ভয় নাই বাবে এই আঁচনিৰ সুতৰ হাৰ ইকুইটি বা সমাংশতকৈও কম। পিছে সুতৰ হাৰ যিমানেই কম নহওক কিয় বা কৰ যিমানেই ভৰিবলগীয়া নহওক কিয়, বেংকৰ ফিক্সড ডিপ'জিট আঁচনিত ৰিটাৰ্ণ নিশ্চিত।

# ফিক্সড্ ডিপ'জিটত বেংকতকৈ অধিক সুত দিব এইটো সংস্থাই

**বেংকৰ** ফিক্সড্ ডিপ'জিট আঁচনি হৈছে বিনিয়োগৰ অন্যতম নিৰ্ভৰযোগ্য মাধ্যম। এই আঁচনি কৰৰ আওতাত পৰে, অৰ্থাৎ ইয়াৰ পৰা হোৱা উপাৰ্জন কৰযোগ্য। গতিকে লাভৰ পৰিমাণ অন্য আঁচনিৰ তুলনাত কিছু কম ইয়াত। কিন্তু লাভ নহ'লেও লোকচানৰো ভয় নাই বাবে এই আঁচনিৰ সুতৰ হাৰ ইকুইটি বা সমাংশতকৈও কম। পিছে সুতৰ হাৰ যিমানেই কম নহওক কিয় বা কৰ যিমানেই ভৰিবলগীয়া নহওক কিয়, বেংকৰ ফিক্সড ডিপ'জিট আঁচনিত ৰিটাৰ্ণ নিশ্চিত। সেয়েহে কম শংকাৰ বিনিয়োগ হিচাপে আজিও সাধাৰণ ভাৰতীয়ৰ বাবে বিনিয়োগৰ প্ৰথম পছন্দ বেংকৰ ফিক্সড ডিপ'জিট। পিছে বিভিন্ন বেংকে ফিক্সড ডিপ'জিটত কম সুতৰ হাৰ দি থকাৰ পৰিবৰ্তে কেতবোৰ অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানে (NBFCs) গ্ৰাহকক তুলনামূলকভাৱে অধিক সুত দিবলৈ আৰম্ভ কৰিছে শেহতীয়াকৈ। এনে এক প্ৰতিষ্ঠান হৈছে বাজাজ ফাইনেঞ্চ। এই প্ৰতিষ্ঠানটোৱে সম্প্ৰতি অনলাইন ফিক্সড ডিপ'জিটৰ ওপৰত অধিক সুত আগবঢ়োৱাৰ সমান্তৰালভাৱে গ্ৰাহকসকলক অন্য বিভিন্ন বিত্তীয় তথা বিনিয়োগৰ সুবিধা প্ৰদান কৰিছে। বিশেষকৈ যিসকল বিনিয়োগকাৰীয়ে দীৰ্ঘ ম্যাদৰ বাবে (Long Term Investment) বিনিয়োগ কৰিব বিচাৰে, তেওঁলোকে এই প্ৰতিষ্ঠানটোৰ দ্বাৰা এক লাভজনক বিকল্পৰ সন্ধান পাব পাৰে। বৰ্তমান সময়ত দেশৰ বিভিন্ন চৰকাৰী বেংকসমূহে সাত দিনৰ পৰা ১০ বছৰৰ বাবে কৰা ফিক্সড ডিপ'জিটত গ্ৰাহকক ৫.৩০ৰ পৰা ৬.৫০ শতাংশ সুত প্ৰদান কৰি থকাৰ বিপৰীতে ডাকঘৰে এই ধৰণৰ আঁচনিত দি আছে ৫.৫০ৰ পৰা ৬.৭০ শতাংশ সুত। একেদৰে বেংকৰ এফডিত জ্যেষ্ঠ নাগৰিকসকলে ৫.৮০ৰ পৰা ৬.৫০ শতাংশ সুত লাভ কৰাৰ বিপৰীতে ডাকঘৰৰ ক্ষেত্ৰত এই হাৰ ৫.৫০ৰ পৰা ৬.৭০ শতাংশতে সীমিত। কিন্তু বাজাজ ফাইনেঞ্চে একৰ পৰা পাঁচ বছৰলৈকে কৰা এফডিৰ ওপৰত সাধাৰণ গ্ৰাহকক ৫.৬৫ৰ পৰা ৬.৬০ শতাংশলৈকে সুত প্ৰদান কৰিব এতিয়াৰে পৰা। সমান্তৰালভাৱে জ্যেষ্ঠ নাগৰিকৰ বাবেও ৫.৯০ৰ পৰা ৬.৭৫ শতাংশলৈকে সুত আগবঢ়াব প্ৰতিষ্ঠানটোৱে।

# ৰন্ধন গেছৰ চিলিণ্ডাৰত তিনিশ টকা ৰেহাই!




**যোৱা** পহিলা জুলাইৰ পৰা দেশজুৰি দাম বাঢ়িছে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ। জুনৰ তুলনাত দাম বৃদ্ধি পাইছে ২৫.৫০ টকা। পিছে দাম বৃদ্ধি পালেও তাৰ মাজতে আছে ৰন্ধন গেছৰ গ্ৰাহকসকলৰ বাবে বিশেষ এক সুখবৰ। ৰন্ধন গেছৰ দাম অনলাইনযোগে পৰিশোধ কৰা ক্ৰেতাই এইবাৰ লাভ কৰিব বিশেষ ৰেহাই। এই ৰেহাই আগবঢ়াইছে পেটিএম নামৰ ডিজিটেল পেমেণ্ট সংস্থাটোৱে। বিদ্যুতৰ বিলৰ পৰা আৰম্ভ কৰি ম'বাইল ৰিচাৰ্জ, অনলাইন শ্বপিঙলৈ বিভিন্ন ক্ষেত্ৰত আজিকালি সময়ে সময়ে বিভিন্ন অফাৰ চলি থকা দেখা যায় যদিও ৰন্ধন গেছৰ ক্ষেত্ৰত এনে সুবিধা প্ৰায় নগণ্য বুলিব পাৰি। কৰ'না কালত প্ৰায় সকলো ধৰণৰ লেন-দেনৰ কামত ডিজিটেল প্লেটফৰ্মসমূহৰ ব্যৱহাৰ বেছি হোৱালৈ লক্ষ্য ৰাখি এইবাৰ ৰন্ধন গেছৰ বুকিঙতো মোটা অংকৰ ৰেহাই কৰিছে পেটিএমে। পেটিএমৰ মাধ্যমেদি এল পি জি চিলিণ্ডাৰ বুকিং কৰা গ্ৰাহকে তিনিশ টকা পৰ্যন্ত কেছবেক লাভৰ বিশেষ সুবিধা পাব। অৱশ্যে এই অফাৰ কেৱল পেটিএমৰ নতুন গ্ৰাহকসকলৰ বাবেহে উপলব্ধ হ'ব। আনহাতে, এনে গ্ৰাহকসকলে কেৱল প্ৰথমটো চিলিণ্ডাৰৰ ক্ষেত্ৰতেই নহয়, পৰৱৰ্তী তিনিটা চিলিণ্ডাৰ ক্ৰয় কৰাৰ সময়তো বিশেষ ৰেহাই লাভ কৰিব পেটিএমৰ পৰা। বজাৰত বয়-বস্তুৰ আকাশলংঘী মূল্যৰ মাজতে পেটিএমৰ এই ঘোষণাই কিছু হ'লেও আশ্বস্ত কৰিছে সাধাৰণ গ্ৰাহকক।

মাত্ৰ পাঁচ হেজাৰ টকাৰ প্ৰাৰম্ভিক মূলধন বিনিয়োগেৰে কৰিব পৰা এই ব্যৱসায়ৰ দ্বাৰা প্ৰতি মাহে আপুনি আয় কৰিব পাৰে মোটা অংকৰ ধন। এবাৰ এই ব্যৱসায়ত হাত দিয়া মানে বছৰি লাখ টকাৰ উপাৰ্জন প্ৰায় নিশ্চিত বুলি ধৰি ল'ব পাৰে।

# ডাকঘৰৰ ফ্ৰেন্সাইজি ল'ব পাৰে আপুনিও




**আপুনি** বাৰু জানেনে, ডাকঘৰৰ স'তে সহযোগিতাৰে ব্যৱসায় কৰি খুব সহজতে স্বাৱলম্বী হ'ব পাৰি আজিকালি। মাত্ৰ পাঁচ হেজাৰ টকাৰ প্ৰাৰম্ভিক মূলধন বিনিয়োগেৰে কৰিব পৰা এই ব্যৱসায়ৰ দ্বাৰা প্ৰতি মাহে আপুনি আয় কৰিব পাৰে মোটা অংকৰ ধন। এবাৰ এই ব্যৱসায়ত হাত দিয়া মানে বছৰি লাখ টকাৰ উপাৰ্জন প্ৰায় নিশ্চিত বুলি ধৰি ল'ব পাৰে। এনেদৰে স্বাৱলম্বী হ'বৰ বাবে আপুন ডাকঘৰৰ ফ্ৰেন্সাইজি (Post office Franchise) ল'ব লাগিব। অৰ্থাৎ আপোনাৰ অধীনত থাকিব এটা ডাকঘৰ। আচৰিত হৈছে নহয়নে? দৰাচলতে দেশৰ বহু অঞ্চলত আজিকোপতি ডাকঘৰৰ সুব্যৱস্থা নথকাত সম্প্ৰতি ফ্ৰেন্সাইজি বিতৰণৰ দ্বাৰা ডাক সেৱাক সহজলভ্য কৰি তুলিব বিচাৰিছে কেন্দ্ৰীয় চৰকাৰে। বৰ্তমানে দেশ জুৰি মুঠ ১.৫৫ লক্ষ ডাকঘৰ আছে যদিও এই সংখ্যা অচিৰেই বৃদ্ধি কৰাৰ লক্ষ্য লৈছে বিভাগটোৱে। ভাৰতীয় ডাক বিভাগৰ তৰফৰ পৰা সম্প্ৰতি দুই ধৰণৰ ফ্ৰেন্সাইজি দি থকা হৈছে। ইয়াৰে প্ৰথমটো হৈছে আউটলেট খোলাৰ আৰু দ্বিতীয়টো হৈছে পোষ্টেল এজেণ্টৰ ফ্ৰেন্সাইজি। ইয়াৰে যিকোনো এটা আপুনি নিজৰ ইচ্ছা অনুযায়ী বাছনি কৰিব পাৰে। তদুপৰি চহৰ আৰু গ্ৰামাঞ্চলত পোষ্টেল ষ্টেম্প আদি ঘৰে ঘৰে বিক্ৰী কৰাৰ বাবে পোষ্টেল এজেণ্টৰ ফ্ৰেন্সাইজিও ল'ব পাৰে ইচ্ছুকসকলে।

ডাকঘৰৰ ফ্ৰেন্সাইজি ল'বলৈ



হ'লে ব্যক্তি এজনৰ বয়স ১৮ বছৰতকৈ অধিক হোৱাটো বাধ্যতামূলক। প্ৰাপ্তবয়স্ক যিকোনো ভাৰতীয় নাগৰিক যাৰ ন্যূনতম শিক্ষাগত অৰ্হতা অষ্টম শ্ৰেণী উত্তীৰ্ণ বা ততোধিক, তেনে ব্যক্তিয়ে এই ফ্ৰেন্সাইজিৰ বাবে আবেদন কৰিব পাৰে। ভাৰতীয় ডাক বিভাগৰ নিৰ্দিষ্ট প্ৰ-পত্ৰযোগে আবেদন কৰাৰ পাছত নিৰ্বাচিত হ'লে ডাক বিভাগৰ স'তে এক বুজাবুজিৰ চুক্তিত (MoU) স্বাক্ষপ কৰিব লাগে। চুক্তিত চহী কৰাৰ পাছত মাত্ৰ পাঁচ হেজাৰ টকা খৰচ কৰিলেই হাতে কামে আৰম্ভ কৰিব পাৰি এই ব্যৱসায়। এইদৰে ফ্ৰেন্সাইজি লাভ কৰাৰ পাছত লাহে লাহে আপোনাৰ ব্যৱসায়িক উপাৰ্জন আৰম্ভ হ'ব। এই ব্যৱসায়ত ডাক বিভাগৰ পৰা লাভ কৰা কমিছনৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিব পাৰে। অৱশ্যে এইটো সম্পূৰ্ণৰূপে আপোনাৰ কামৰ ওপৰত নিৰ্ভৰ কৰিব। সাধাৰণতে চুক্তিপত্ৰত চহী কৰাৰ সময়তে কমিছনৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিয়া হয়।

### কমিছনৰ পৰিমাণ ঃ

* ৰেজিষ্টাৰ্ড আৰ্টিকলৰ বুকিং ঃ তিনি টকা।
* স্পীড পষ্ট আৰ্টিকল ঃ পাঁচ টকা।
* ১০০-২০০ টকাৰ মানি অৰ্ডাৰ বুকিং ঃ ৩.৫ টকা।
* ২০০ টকাতকৈ বেছি মানি অৰ্ডাৰ বুকিং ঃ পাঁচ টকা।
* প্ৰতিমাহে ৰেষ্টিষ্ট্ৰী আৰু স্পীড পোষ্টৰ ১,০০০তকৈ অধিক বুকিঙৰ ক্ষেত্ৰত ঃ ২০ শতাংশ অতিৰিক্ত কমিছন।
* পোষ্টেল ষ্টেম্প, পোষ্টেল ষ্টেছনাৰী আৰু মানি অৰ্ডাৰৰ ফৰ্ম বিক্ৰী কৰিলে, বিলিং এমাউণ্টৰ পাঁচ শতাংশ কমিছন।
* ৰেভিনিউ ষ্টেম্প, চেন্ট্ৰেল ৰিক্ৰুইটমেণ্ট ফী ষ্টেম্প আদিৰ বিক্ৰীত ঃ ডাক বিভাগৰ আয়ৰ ৪০ শতাংশ পৰ্যন্ত কমিছন।

উল্লেখ্য যে এইদৰে ফ্ৰেন্সাইজিৰ ব্যৱসায় আৰম্ভ কৰিব খুজিলে আপুনি ডাকঘৰৰ আনুষ্ঠানিক অধিসূচনা পঢ়িব পাৰে আৰু অফিচিয়েল ছাইটৰ পৰা আবেদন কৰিব পাৰে। আবেদন কৰিবলৈ নিম্নোক্ত অফিচিয়েল লিংকটোত (https:// w.w.w.indiapost.gov.in/VAS/ DOP PDFFiles/Franchise.pdf) ক্লিক কৰিব পাৰে।

# ৰেকাৰিং ডিপ'জিট ঃ ডাকঘৰ বনাম এছবিআই




**সৰু**-সুৰা জমা একাউণ্টৰ বাবে ৰেকাৰিং ডিপ'জিট বা আৰডিক ভাৰতীয় মধ্যবিত্তসকলে সৰ্বোত্তম আঁচনি বুলি গণ্য কৰে আজিৰ তাৰিখতো। এনে একাউণ্টত প্ৰতিমাহে এক নিৰ্দিষ্ট অংকৰ ধন জমা কৰি তাৰ বাবদ আকৰ্ষণীয় সুত উপাৰ্জন কৰিব পৰা যায়। এই আঁচনিৰ জনপ্ৰিয়তাৰ মূল কাৰণ এয়াই যে ইয়াত নামমাত্ৰ বিনিয়োগতে সুতৰ উপাৰ্জন সম্ভৱ। আৰডি একাউণ্ট বেংক বা ডাকঘৰ উভয়তে খুলিব পৰা যায়। দেশৰ সৰ্ববৃহৎ চৰকাৰী বেংক এছবিআই আৰু ভাৰতীয় ডাক বিভাগৰ আৰডি একাউণ্টৰ সুতৰ হাৰ, ম্যাদ আৰু অসুবিধাসমূহৰ এক তুলনামূলক বিশ্লেষণ তলত দাঙি ধৰা হ'ল—

### ডাকঘৰৰ আৰডি ঃ

ন্যূনতম মাত্ৰ এশ টকাৰ পৰা এই আঁচনিত ধন জমা কৰাৰ সুবিধা আছে। পাছত নিজৰ প্ৰয়োজন আৰু সামৰ্থ্য অনুযায়ী জমাৰাশি বৃদ্ধি কৰিবও পৰা যায়। ডাকঘৰৰ এই আৰডিত ৫.৮ শতাংশ হাৰত সুত দি থকা হৈছে বৰ্তমানে। মুঠ পাঁচ বছৰৰ বাবে এই আঁচনিত ৰেকাৰিং একাউণ্ট খুলিব পাৰি। ইয়াত সুত কম্পাউণ্ডিং হিচাপে যোগ কৰা হয়। যাৰ ফলত দীৰ্ঘ ম্যাদৰ বাবে ধন জমা কৰিলেহে লাভ বেছিকৈ পাব পাৰি। আঁচনিখনত প্ৰত্যেক তিনি মাহৰ মূৰে মূৰে সুতৰ হাৰ সলনি হয় আৰু সেই সুতৰ পৰিমাণেই গ্ৰাহকৰ একাউণ্টৰ জমাৰাশিৰ লগত যোগ কৰা হয়। বৰ্তমানে চলি থকা সুতৰ হাৰৰ হিচাপত গ্ৰাহকে মাত্ৰ ৩.৬০ লক্ষ টকা বিনিয়োগ কৰিলে সুতৰ বাবদ অতিৰিক্ত ১.৪০ লক্ষ টকা আয় কৰিব পাৰে। উল্লেখ্য যে যিকোনো ব্যক্তিয়ে ডাকঘৰত নিজৰ নামত এই আৰডি একাউণ্ট খুলিব পাৰে। আঁচনিখনৰ সীমাবদ্ধতা এয়ে যে পৰিয়ালৰ অন্য কোনো সদস্য বা অন্য কোনো সংস্থাৰ নামত আৰডি খোলাৰ নিয়ম নাই।

### এছবিআইৰ আৰডি ঃ

সাধাৰণ উপভোক্তাৰ সুবিধাৰ্থে দেশৰ বৃহত্তম বেংকিং প্ৰতিষ্ঠান এছবিআইৰ তৰফৰ পৰা বিভিন্ন আঁচনি মুকলি কৰা হৈছে। এনে জনপ্ৰিয় আঁচনিসমূহৰ ভিতৰত অন্যতম হ'ল এছবিআই ৰেকাৰিং ডিপ'জিট আঁচনিখন। এই আঁচনিখনৰ আওতাত উপভোক্তাই প্ৰতিমাহে নিৰ্দিষ্ট পৰিমাণৰ ধনৰাশি নিৰ্দিষ্ট সময় পৰ্যন্ত জমা ৰাখিব পাৰে। বিত্তীয় বিশেষজ্ঞসকলৰ মতে, ৰেকাৰিং ডিপ'জিটৰ মাধ্যমেদি এজন ব্যক্তিয়ে অলপ অলপ কৰি এক বৃহৎ অংকৰ টকা সঞ্চয় কৰিব পাৰে নিজৰ দৈনন্দিন বা মাহিলি বাজেটত তিলমানো প্ৰভাৱ নপৰাকৈ। এছবিআই ৰেকাৰিং ডিপ'জিট আঁচনিখনত ঘাটিৰ আশংকা একেবাৰে নাই। তদুপৰি ইয়াত আয়ো নিশ্চিত।

সাধাৰণ গ্ৰাহকৰ ক্ষেত্ৰত তিনিৰ পৰা পাঁচ বছৰ ম্যাদৰ ৰেকাৰিং ডিপ'জিটত ৫.৩ শতাংশ সুত আয় কৰাৰ সুবিধা দিছে বেংকটোৱে। আনহাতে, পাঁচ বছৰতকৈ অধিক ম্যাদৰ ৰেকাৰিং ডিপ'জিটত সুতৰ হাৰ হৈছে ৫.৪ শতাংশ। ইফালে ফিক্সড্ ডিপ'জিটৰ দৰেই ৰেকাৰিং ডিপ'জিটৰ ক্ষেত্ৰতো প্ৰবীণ গ্ৰাহকসকলে এছবিআইৰ পৰা অতিৰিক্ত সুত আহৰণ কৰিব পাৰে। সেই অনুযায়ী এই শ্ৰেণীৰ উপভোক্তাই পাঁচ বছৰৰ অধিক ম্যাদৰ আৰডিত ৬.২ শতাংশকৈ সুত অৰ্জন কৰিব পাৰে এছবিআইৰ পৰা।

বৰ্তমানে যি সুতৰ হাৰ চলি আছে সেই হিচাপেৰে ৬০ বছৰতকৈ কম বয়সীয়া কোনো গ্ৰাহকে যদি ১০ বছৰৰ বাবে প্ৰতি মাহে এহেজাৰ টকাকৈ এই আঁচনিত বিনিয়োগ কৰে তেন্তে ম্যাদ পূৰ হোৱাৰ অন্তত ৫.৪ শতাংশ সুতসহ মুঠ ১,৫৯,১৫৫ টকা লাভ কৰিব।

# চিৰাঙৰ গৰুভাষা অঞ্চলত ভূৰ নদীৰ ব্যাপক খহনীয়া

## শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩ জুলাই ঃ** চিৰাং জিলাৰ চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত ভূৰ নদীয়ে সৃষ্টি কৰা তীব্ৰ খহনীয়া প্ৰতিৰোধৰ বাবে ৰাইজে দাবী জনাই অহাৰ পাছতো চৰকাৰ তথা জলসম্পদ বিভাগে কোনো ধৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলবাসী ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ভূৰ নদীৰ খহনীয়াই অঞ্চলটোৰ লোকক শংকিত কৰি তুলিছে। অঞ্চলটোৰ আবাদী মাটি শস্য পথৰ, ঘৰ-বাৰী, বাট-পথ আদি খহনীয়া কবলত পৰিছে। তদুপৰি খহনীয়াৰ ফলত বাট-পথ, গৃহ শিৰ আৰু দুৰ্গা মন্দিৰ দন্তক পথ ভূৰ নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। ভূৰ নদীৰ খহনীয়া অব্যাহত থাকিলে গৰুভাষা, ৰাবানঘট, লাউৰীপৰা, চান্দপুৰ, জুইলাগা, গোড়গাঁও, ছালবাৰী আদি ভূৰ নদীৰ বুকুত বিলীন হোৱাটো এক প্ৰকাৰ খাটাং। উক্ত খহনীয়া অঞ্চলত আজি লৈ বিভাগীয় বিষয়াৰ পৰা পৰিদৰ্শন কৰা নাই বুলি ৰাইজে অভিযোগ কৰিছে। জলসম্পদ বিভাগ আছে যদিও ঢাক-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰ হৈ আছে। বিভাগৰ কামৰ নমুনা এই অঞ্চলৰ ৰাইজৰ দৃষ্টিত দেখা পোৱা নাই যদিও আন আন ঠাইত কম বেছি পৰিমাণে ব্যৱস্থা লোৱা পৰিলক্ষিত হৈছে। সেয়ে বিভাগীয় বিষয়া তথা চৰকাৰে বন খহনীয়াগ্ৰস্ত অঞ্চলত খহনীয়া প্ৰতিৰোধ, বাট-পথ, মেৰামতিৰ ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰিবলৈ অঞ্চলবাসী ৰাইজে দাবী জনাইছে। ইপিনে, যোৱা ১৩ জুনত বিটিআৰৰ এম চি এল এ মাধৱ ছেত্ৰীয়ে ঘৰুভাষা অঞ্চলত খহনীয়া পৰিদৰ্শন কৰি খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে ৰাইজক।

# তামুলপুৰত অবৈধভাৱে শিল কঢ়িওৱা তিনিখন ডাম্পাৰ জব্দ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ জুলাই ঃ** বাগ্‌সা জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা তামুলপুৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি ডাঃ বেদাংগ তালুকদাৰে কালি আবেলি বৰনদীৰ অবৈধভাৱে শিল কঢ়িয়াই অনা তিনিখন ডাম্পাৰ ওদালগুৰি তামুলপুৰ পথৰ অমৰচ'কত জব্দ কৰে। মহকুমাধিপতিয়ে কালি উক্ত পথেৰে গৈ থাকোতে এছ-২৫ ডি চি-৪৪৫৩, এছ-২৫ ই চি-৮৫৪২, এছ-০১ এল চি-১৫০৭ নম্বৰৰ তিনিখন শিলভৰ্তি ডাম্পাৰ বৰনদীৰ কুঁৰেৰীৰ পৰা আহি থাকোতে সন্দেহ ওপজাত চালান পৰীক্ষা কৰে। চালান পৰীক্ষা কৰাৰ সময়তে চালানকেইখনত কোনো ধৰণৰ তাৰিখ উল্লেখ নথকাত মহকুমাধিপতিয়ে ডাম্পাৰকেইখন জব্দ কৰি লগে লগে তামুলপুৰ ৰেঞ্জৰ বন বিভাগক গতাই দিয়ে। বন বিভাগে মহকুমাধিপতিৰ নিৰ্দেশ মানি তামুলপুৰ ৰেঞ্জলৈ ডাম্পাৰকেইখন আনি নথিপত্ৰসমূহ পৰীক্ষা কৰাত অবৈধভাৱে শিল কঢ়িওৱা কথাটো ওলাই পৰে। সম্প্ৰতি ডাম্পাৰকেইখন তামুলপুৰ ৰেঞ্জত ৰখা হৈছে। উল্লেখ্য যে ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যজুৰি সান্ধ্য আইন চলি থকাৰ মাজতে তামুলপুৰ মহকুমাৰ একাংশ শিল-বালি মহলৰ পৰা ডাম্পাৰেৰে চালানি বহীনভাৱে শিল-বালি সৰবৰাহ কৰি আছে।

# অভয়াপুৰীত মাতৃ-পুত্ৰ সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৩ জুলাই ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তৰ্গত দুৰ্গাপুৰৰ মাতৃ আৰু পুত্ৰ বিগত ছদিন ধৰি সন্ধানহীন হৈ থকা কাৰ্যই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰঞ্জিত ৰাজবংশীৰ কন্যা লক্ষী ৰাজবংশী (২২) আৰু তেওঁৰ চাৰিবছৰীয়া পুত্ৰ জীত মণ্ডল যোৱা ২৭ জুনৰ পৰা ঘৰৰ পৰা সন্ধানহীন হৈ পৰে। দেখনিয়াৰ চেহেৰা আৰু চাৰি ফুট ছয় ইঞ্চি ওখ লক্ষী ৰাজবংশীয়ে সন্ধানহীন হোৱাৰ সময়ত নীলা ৰঙৰ চেলোৱাৰ পৰিহিত থকাৰ লগতে পুত্ৰ জীত দুই ফুট ছয় ইঞ্চি ওখ। মহিলাগৰাকীৰ লগতে পুত্ৰ সন্তানটোৰ কোনো লোকে সন্ধান পালে বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সহায়ক কক্ষত ৯৪৩৫৭-৩৬১১১ নম্বৰ ম'বাইল ফোন নতুবা দূৰভাষ নম্বৰ ০৩৬৬৪-২৩০৮৯৮ত জনাবলৈ জনসংযোগ বিভাগে আহ্বান জনাইছে।

# এমাহে বিকল হৈ থকা দেওমৰনৈ উপ-ডাকঘৰ সুচল

## বাতৰি প্ৰকাশৰ পাছতে গা লৰিল ডাক বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ৩ জুলাই ঃ** দৰং জিলাৰ দেওমৰনৈ উপ-ডাকঘৰটোৰ বিগত পাঁচ জুনৰ পাৰ কম্পিউটাৰ, ইণ্টাৰনেট সেৱা বন্ধ হৈ থকাত ৰাইজক জীয়াতু ভোগাইছে। উক্ত বাতৰি 'দৈনিক অগ্ৰদূত'ৰ লগতে একাংশ সংবাদ মাধ্যমত প্ৰকাশ হোৱাত গা লৰিল বিভাগীয় কৰ্তৃপক্ষৰ। কালি মঙলদৈ ডাক সংমণ্ডলৰ পৰিদৰ্শক প্ৰশান্ত শৰ্মা দেওমৰনৈত উপস্থিত হৈ দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা আৰু বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থাৰ বিষয়ববীয়াৰ লগত এক আলোচনাত মিলিত হৈ উপ-ডাকঘৰটোৰ সমস্যাসমূহ অতি কম দিনৰ ভিতৰত সমাধান কৰাৰ আশ্বাস দিয়ে। আজিৰে পৰা ডাকঘৰটোৰ বিকল হৈ থকা কম্পিউটাৰ সহিতে ইণ্টাৰনেট সেৱা পুনৰ প্ৰচলন কৰি ৰাইজৰ বাবে সেৱা মুকলি কৰে।

# ভঙা জুপুৰিত অকলশৰে দিন কটাইছে দৃষ্টিশক্তিহীনা মোহিনী

## চৰকাৰী আঁচনিৰ পৰা বঞ্চিত বৃদ্ধা



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩ জুলাই ঃ** দৰিদ্ৰ লোকৰ বাবে চৰকাৰে ইতিমধ্যে বহু আঁচনি ৰূপায়ণ কৰিছে যদিও এই আঁচনিসমূহৰ পৰা আজিও বঞ্চিত হৈ আছে অনেক হিতাধিকাৰী। উদাহৰণ স্বৰূপে মোহিনী নাথ নামৰ বৃদ্ধাগৰাকীৰ কথাকে ক'ব পাৰি। গোৱালপাৰা জিলাৰ শিলৰবড়ী গাঁৱৰ দুৰ্ভগীয়া মহিলাগৰাকীয়ে বিগত কে'বাবছৰ ধৰি টিনপাতেৰে সজোৱা সৰু জুপুৰি এটাত দিন অতিবাহিত কৰি আহিছে। ইতিমধ্যে দুয়োটা চকুৰে দৃষ্টিশক্তি হেৰুওৱা বৃদ্ধাগৰাকীয়ে চৰকাৰৰ পৰা মাহেকত পাঁচ কিলোগ্ৰাম বিনামূলীয়া চাউল লাভ কৰাৰ বাদে বৃদ্ধ পেঞ্চন, চৰকাৰী আৱাসগৃহ, অৰুণোদয় আঁচনি আজিলৈকে কোনো সুবিধাই লাভ কৰা নাই। ইফালে, হাবিয়ে-জংঘলে আৱৰি থকা জুপুৰিটোকো বন্যহস্তীয়ে কে'বাবাৰো ভাঙিলে। আনকি হাতীৰ আক্ৰমণৰ পৰা বহুবাৰ কথমপিহে প্ৰাণ ৰক্ষা পৰিছে বৃদ্ধাগৰাকীৰ। পিছে, দৰিদ্ৰ আৰু অতি যন্ত্ৰণাকাতৰ জীৱন অতিবাহিত কৰি থকা মহিলাগৰাকীৰ খবৰ ল'বলৈ আজিলৈকে আহৰি নহ'ল কোনো জনপ্ৰতিনিধি বা চৰকাৰী বিষয়াৰ। যাৰ বাবে দিনৰ পাছত দিন জংঘলে আৱৰা সৰু এটা জুপুৰীতে অকলশৰে অতি কষ্টদায়ক জীৱন কটাইছে অন্ধ মহিলাগৰাকীয়ে। স্থানীয় ৰাইজৰ আহ্বান কোনো সদাশয় ব্যক্তি বা চৰকাৰী প্ৰতিনিধিয়ে একো নহ'লেও বৃদ্ধাগৰাকীক নিশাটো কটাবৰ বাবে যাতে এটি বাসগৃহৰ ব্যৱস্থা কৰি দিয়ে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক যাদৱ স্বৰ্গীয়াৰীৰো সুদৃষ্টি বাঞ্ছা কৰিছে শিলৰবড়ীৰ ৰাইজে।

# পথ দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে হোজাইত পথ সুৰক্ষা সমিতিৰ সভা

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩ জুলাই ঃ** হোজাই জিলাৰ সদৰ শংকৰদেৱ নগৰস্থিত জিলা উপায়ুক্ত কাৰ্যালয়ত যোৱা ৩০ জুনত হোজাই জিলা পথ সুৰক্ষা সমিতিৰ এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। সভাখনত হোজাই জিলা পৰিবহণ বিষয়া উপস্থিত থাকি জিলাখনৰ বিভিন্ন ঠাইত অত্যধিক হাৰত বৃদ্ধি পোৱা পথ দুৰ্ঘটনা সংঘটিত হোৱা পথসমূহ চিনাক্তকৰণ আৰু সেই পথসমূহত সংঘটিত হোৱা দুৰ্ঘটনাসমূহ ৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে বৰ্ণনা কৰে। লগতে যোৱা ছমাহত যানবাহন আইন উলংঘনকাৰীসকলৰ বিৰুদ্ধে পৰিবহণ বিভাগে লোৱা ব্যৱস্থাৱলীৰ বিষয়েও বিষয়াসকলৰ আগত উপস্থাপন কৰে। সভাত জিলাখনত সঘনাই সংঘটিত হোৱা পথ দুৰ্ঘটনা ৰোধৰ বাবে ৰাইজৰ মাজত ব্যাপক সজাগতামূলক প্ৰচাৰ অভিযান চলোৱাৰ পোষকতা কৰাৰ লগতে প্ৰয়োজন অনুসৰি দুৰ্ঘটনা সংঘটিত হোৱা পথসমূহৰ গতিৰোধ ব্যৱস্থা আৰু পথৰ দাঁতিত নিৰ্দেশনামূলক সাংকেতিক চিহ্ন স্থাপন কৰাৰ পোষকতা কৰে।

# ৩৮ বছৰে চৰকাৰীকৰণ ন'হল দাৰিদুৰী ৰত্নপীঠ হাইস্কুল

## ১১ শিক্ষক-শিক্ষয়িত্ৰীৰ জীৱনলৈ ঘোৰ অন্ধকাৰ

**অগ্ৰদূত বাৰ্তা**

**আগিয়া, ৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ পশ্চিম বিধানসভা সমষ্টিৰ অন্তৰ্গত দাৰিদুৰীত অৱস্থিত ৰত্নপীঠ হাইস্কুল সুদীৰ্ঘ ৩৮ বছৰে প্ৰাদেশিকীকৰণ নোহোৱাত বিদ্যালয়খনত কৰ্মৰত ১১ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা। এশ শতাংশই ৰাভা জাজাতি অধ্যুষিত দাৰিদুৰীত অৱস্থিত বিদ্যালয়খনত ৰাভা জনজাতীয় ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। অসম আন্দোলনৰ বহু ঘাত-প্ৰতিঘাটৰ উক্ত অভিজ্ঞতা বুকুত বান্ধি স্থানীয় ৰাইজে ১৯৮৩ত দাৰিদুৰীত ৰত্নপীঠ হাইস্কুল স্থাপন কৰে। পৰৱৰ্তী ১৯৯২ত অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা বিদ্যালয়কনে স্বীকৃতিও লাভ কৰে। তৎসত্বেও ৩৮ বছৰ উকলি যোৱাৰ পাছতো বিদ্যালয়খন প্ৰাদেশিকীকৰণ নকৰাটো অঞ্চলটোৰ জাজাতীয় ৰাইজৰ প্ৰতি অসম চৰকাৰৰ এয়া চূড়ান্ত অৱজ্ঞা বুলি মত পোষণ কৰিছে স্থানীয় ৰাইজে। ইতিপূৰ্বে কে'বাগৰাকী শিক্ষকে বিনা বেতনে অৱসৰ গ্ৰহণ কৰাৰ লগতে আন কে'বাগৰাকীৰো অৱসৰৰ সময় সমাগত। সেয়ে শিক্ষাগুৰুসকলৰ জীৱনৰ আৰ্থিক নিৰাপত্তা আৰু শিক্ষাৰ্থীসকলৰ গুণগত শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খন প্ৰাদেশিকীকৰণৰ দাবীত আজি পুনৰ অসম চৰকাৰৰ শিক্ষামন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ৰাইজৰ হৈ স্মাৰকপত্ৰত স্বাক্ষৰ কৰা ৰত্নপীঠ হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি খনীন্দ্ৰ ৰাভা, দাৰিদুৰী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বেছেন ৰাভা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ দাৰিদুৰী সমষ্টিৰ সাধাৰণ সদস্যা জোনালী ৰাভা আৰু দাৰিদুৰী গাঁও পঞ্চায়তৰ সভাপতি পৃথিৰাজ ৰাভাই। স্মাৰকপত্ৰত উল্লেখ কৰি কয় যে বৰ্তমান বিদ্যালয়খনৰ অচলাৱস্থা পৰিৱেশ আৰু কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ দুৰৱস্থাই আমাৰ সামাজিক জীৱন যাত্ৰাত যথেষ্ট প্ৰভাৱ পেলাইছে। বৰ্তমানৰ বিদ্যালয় প্ৰাদেশিকীকৰণ আইনে ভাৰতীয় সাংবিধানিক অতিক্ৰম কৰি দুখীয়া পিছপৰা জনজাতিসকলৰ দান-বৰঙণিৰে গঢ়ি উঠা বিদ্যালয়খনক নিঃশেষ পৰ্যায়লৈ ঠেলিব দিছে। খিলঞ্জীয়া ভূমিপুত্ৰ হৈয়ো চৰকাৰী বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত বছৰ বছৰ ধৰি এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ হোৱা হেতুকে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত আহিছে। সেয়েহে দাৰিদুৰীবাসী ৰাইজে শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত নোহোৱাকৈ উক্ত অঞ্চলত এখন স্বকীয় হাইস্কুল হিচাপে জীয়াই ৰাখি শিক্ষাৰ অধিকাৰ সাব্যস্ত কৰি জীৱন ধাৰণৰ মান উন্নত কৰিব বিচাৰো বুলি স্মাৰকপত্ৰত উল্লেখ কৰাৰ লগতে খিলঞ্জীয়া ভূমিপুত্ৰসকল শিক্ষাগ্ৰহণত বাধাগ্ৰস্ত নোহোৱাকৈ জনজাতিসকলৰ স্বাৰ্থত উক্ত বিদ্যালয়খনক প্ৰাদেশিকীকৰণ কৰিবলৈ দাবী জনায় শিক্ষামন্ত্ৰীক।




*তেজপুৰৰ বৃদ্ধাশ্ৰমত মাস্ক-ছেনিটাইজাৰ বিতৰণ এছবিআই-বিজ্ঞাণ কেন্দ্ৰৰ, শনিবাৰে।*

# হাজোৰ পথত সৌৰশক্তি চালিত বিজুলী বাতি সংযোজন কামৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩ জুলাই ঃ** হাজো-গুৱাহাটী পথৰ কুলহাটী-চেঁচামুখ দলংঘাট চ'কৰ পৰা হাজো সুৰেন দাস মহাবিদ্যালয় পৰ্যন্ত প্ৰায় সাত কিলোমিটাৰ জোৰা পথৰ দাঁতিত সৌৰশক্তি চালিত বিজুলী বাতি সুযোজন কাম যোৱা ২৭ জুনত মুকলি কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। এছ পি এম আৰ এম পুঁজিৰ অধীনত ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ৰ নিৰ্ধাৰিত তিনিকোটি ২৫ লাখ টকা ব্যয় সাপেক্ষে এই কামৰ প্ৰথম কিস্তিৰ আৱণ্টিত ৬৪,৯৪,৪০০ লাখ টকাৰে এই কাম আৰম্ভ কৰে। এই কামৰ বাবে আৱণ্টন লাভ কৰিছে সিংঘি ইনফ্ৰাপাৱৰ প্ৰজেক্ট প্ৰাইভেট লিমিটেডে। চেচাঁমুখ দলংঘাট চ'কত অনুষ্ঠিত এক সভা সম্বোধন কৰি বিধায়িকা হৰিপ্ৰিয়াই কয়, 'দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন এতিয়া বাস্তৱায়িত হ'বলৈ গৈ আছে। নগৰ-মহানগৰৰ লেখীয়াকৈ এতিয়া গ্ৰামাঞ্চলৰ বাট-পথো বিজুলী বাতিৰ পোহৰত জিলিকি উঠিবলৈ লৈছে। যাৰ ফলত গ্ৰামাঞ্চলৰ জনসাধাৰণে সমানে আনন্দ ল'ব পাৰিব। সম্প্ৰতি ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত অসমৰ সৰ্বাংগীন উন্নতি হ'বলৈ ধৰিছে। অনাগত দিনত নিশ্চয় ৰাজ্যৰ অন্যান্য সমষ্টিৰ লেখীয়াকৈ হাজো সমষ্টি এটা সৰ্বাংগ সুন্দৰ সমষ্টিলৈ ৰূপান্তৰ হ'ব, ইয়াত কোনো সন্দেহ নাই।' আনহাতে, বিধায়ক হৰিপ্ৰিয়াই ঐতিহাসিক পিটকাটি বিলৰ উন্নয়নমূলক কাম-কাজৰো বুজ লয়। তদুপৰি বিধায়ক হৰিপ্ৰিয়াই হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত উপস্থিত হৈ মাধৱ মন্দিৰৰ ওপৰলৈ জ্যেষ্ঠ, বৃদ্ধ আৰু দিব্যাংগ সকলোৱে উঠিবলৈ পৰাকৈ অতি সোনকালে যন্ত্ৰচালিত খটখটী নিৰ্মাণ কৰিব বুলি উল্লেখ কৰে। আনহাতে, বিধায়িকাই কেদাৰ মন্দিৰ সংযোগী পথত নিৰ্মিত এটি আটকধুনীয়া জিৰণি চ'ৰাও মুকলি কৰে।

# চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চিকিৎসা কৰ্মীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ৩ জুলাই ঃ** ক'ভিড মহামাৰীৰ বিৰুদ্ধে কৰা যুঁজত স্বাস্থ্যকৰ্মীসকলে সন্মুখ সমৰৰ সৈনিকৰূপে কৰ্তব্য সম্পাদন কৰি আহিছে। নিজৰ জীৱনকো তুচ্চ কৰি ক'ভিড ৰোগীৰ চিকিৎসাত ৰত হোৱা চিকিৎসাকৰ্মীসকলৰ কৰ্তব্যনিষ্ঠা আৰু মহানুভৱতাক সকলোৱেই প্ৰশংসা কৰি অহাৰ সময়তে যোৱা পহিলা জুলাইত চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চতিয়া নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক সহিতে স্বাস্থ্যকৰ্মীসকলক তেওঁলোকৰ কৰ্তব্যনিষ্ঠাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। চতিয়া জ্ঞান বিকাশ একাডেমীত চলি থকা মেগা ভেক্সিনেশ্বন কেম্পত কালি উপস্থিত হয় চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ত্ৰিদীপ ভূঞা, সভাপতি ভাস্কৰ বুঢ়াগোহাঁই, সাংগঠনিক সম্পাদক মৃণাল কলিতা আৰু কাৰ্যনিৰ্বাহক সদস্য চানি বৰুৱা। ছাত্ৰ সন্থাৰ দলটোৱে কেম্পটোত কৰ্মৰত হৈ থকা চতিয়া স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডঃ অনুপম দাসক প্ৰমুখ্যে স্বাস্থ্যকৰ্মীসকলক একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা জ্ঞাপন কৰি ছাত্ৰ সন্থাৰ উপদেষ্টা ত্ৰিদীপ ভূঞাই কয় যে বৰ্তমান সময়ত চিকিৎসা কৰ্মীসকলে মহামাৰীৰ বিৰুদ্ধে যেনেদৰে যুঁজ দি জনসাধাৰণক আশ্বস্ত কৰি আহিছে সেয়া সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য। এই মুহূৰ্তত সকলোৱেই মানৱ সেৱাত ব্ৰতী চিকিৎসাকৰ্মীসকলৰ মনোবল অটুট ৰখাৰ বাবে তেওঁলোকক অনুপ্ৰাণিত কৰাৰ দৰকাৰ। সম্বৰ্ধিত চিকিৎসাকৰ্মীসকলে এনে কাৰ্যই অনাগত সময়ত তেওঁলোকক মানৱ সেৱাৰ বাবে আৰু উদ্বুদ্ধ কৰিব বুলি জনায়।

# বাগ্‌সাৰ বাহবাৰীত আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ জুলাই ঃ** সদৌ অসম আদিবাসী সন্থা চমুকৈ আছাৰ কালি ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কালিৰ দিনটোতে প্ৰয়াত জাষ্টিন লাক্ৰাৰ নেতৃত্বত জন্মলাভ কৰিছিল ছাত্ৰ সংগঠন আছা। কালি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আৰু বাহবাৰী আঞ্চলিকৰ উদ্যোগত বাগ্‌সাৰ শালবাৰীৰ বাহবাৰীত উদ্‌যাপন কৰা হয় প্ৰতিষ্ঠা দিৱস। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, ছবিদ তৰ্পণৰ লগতে সামাজিক দূৰত্ব বজাই ৰাখি এক আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। কৃষ্ণ কুজুৰৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাচক্ৰত আদিবাসীসকলৰ সমস্যা সন্দৰ্ভত আলোচনা কৰাৰ লগতে ছাত্ৰ সংগঠনটোৰ ২৫ বছৰ হোৱা হেতুকে ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সন্দৰ্ভত আলোচনা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে আছাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকা, ৰাজু তিৰ্কীৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি।

# দৰঙত চাৰি অভিযুক্তক জেললৈ প্ৰেৰণ ঃ ট্ৰাক জব্দ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৩ জুলাই ঃ** দৰং আৰক্ষী আৰু বন বিভাগৰ যুটীয়া অভিযানত অবৈধ কাঠসহ জব্দ হোৱা দুখন ট্ৰাকৰ লগতে গ্ৰেপ্তাৰ হোৱা চাৰিজন লোকক কালি আদালতে কাৰাগাৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা ৩০ জুনৰ নিশা খাৰুপেটীয়া আৰক্ষীয়ে জব্দ কৰা এ এছ-০১ জে চি-৯৭৮৭ নম্বৰৰ ট্ৰাকখন কাঠসহ জব্দ কৰি বন বিভাগক খবৰ দিয়ে। বন বিভাগৰ মঙলদৈ খণ্ড বন বিষয়া খগেন কলিতা আৰু ৰঙিয়া সদৰ খণ্ড বন বিষয়া হাফিজুদ্দিন আহমেদৰ নেতৃত্বত যোৱা এটি দলে ট্ৰাকখন আৰক্ষীৰ পৰা চমজি লয়। আনহাতে, সেই নিশাই মঙলদৈ খণ্ড বন বিষয়া, ৰঙিয়া সদৰ খণ্ড বন বিষয়া, নলবাৰী-কুৰুৱা বনাঞ্চলিক বিষয়া আৰু বন সুৰক্ষা বাহিনীৰ এটা দলে দিপীলাৰ পৰা বি আৰ-০৬ জি চি-৮৭২০ নম্বৰৰ কাঠভৰ্তি ট্ৰাকখন জব্দ কৰে। এই দুখন ট্ৰাকৰ পৰা উদ্ধাৰ হোৱা অবৈধ কাঠৰ মূল্য কমেও আঠলাখ টকা হ'ব বুলি বিভাগীয় সূত্ৰে প্ৰকাশ। এই কাৰ্যত জড়িত জখলাবন্ধাৰ মকিবুৰ আলী (৩৭), খাৰুপেটীয়াৰ জেহিৰুল ইছলাম (৩৩), নগাঁও ৰূপহীৰ হাফিজুল হক (২৭) আৰু বিহাৰৰ মতিহাৰীৰ ৰবীন্দ্ৰ কুমাৰ (৪০)ক কালি আদালতত হাজিৰ কৰোৱাত আদালতে চাৰিওজনকে কাৰাগাৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে এই দুই ট্ৰাক কাঠ ছিপাঝাৰৰ এজন ব্যৱসায়ীয়ে আনিছিল।

# বেগা নদীক প্ৰদূষণমুক্ত কৰাৰ দাবী মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩ জুলাই ঃ** দৰং জিলাৰ সদৰ মঙলদৈ চহৰৰ মাজেৰে বৈ যোৱা বেগা নদীক অতি শীঘ্ৰে প্ৰদূষণমুক্ত কৰাৰ দাবী তুলিছে মঙলদৈ মহকুমা ছাত্ৰ সন্থাই। মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি শুচিব্ৰত শইকীয়া আৰু সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি ডেকাই এক বিবৃতিত বেগা নদীৰ দুৰ্গন্ধ আৰু জাবৰ-জোঁথৰে ভৰা পৰিৱেশৰ বাবে মঙলদৈবাসী ৰাইজে দীৰ্ঘদিন ধৰি জীয়াতু ভুগি আহিছে বুলি অভিযোগ কৰিছে। নৈখন প্ৰদূষণমুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে ২০১৯তে এক কৰ্ম আঁচনি প্ৰস্তুত কৰিছিল আৰু এই আঁচনিৰ ভিতৰত মল নিষ্কাসণ প্ৰকল্প নিৰ্মাণ, বেগা নৈৰ পাৰত পদপথ নিৰ্মাণ, প্লাষ্টিকজাতীয় আৰু অন্য আৱৰ্জনা নৈৰ বুকুৰ পৰা আঁতৰ কৰা লগতে নৈখনত আৱৰ্জনা পেলোৱা ৰোধ কৰা ইত্যাদি অন্তৰ্ভুক্ত হৈ আছিল। এই আঁচনি ২০২০ৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ কথা আছিল যদিও ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ হেমাহিৰ বাবে আজিলৈ ইয়াৰ কাম আৰম্ভ নোহোৱাৰ অভিযোগ তুলিছে ছাত্ৰ নেতাদ্বয়ে। সেয়েহে মঙলদৈ মহকুমা ছাত্ৰ সন্থাই এই বিষয়টোৰ ওপৰত জিলা প্ৰশাসন তথা প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক অতি সোনকালে এক কাৰ্যকৰী সিদ্ধান্ত গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ

**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট, ৩ জুলাই ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাটত এতিয়া বিজেপিয়ে বিজেপিৰ প্ৰধান শত্ৰু হৈছে। বিশেষকৈ হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষৰ বিৰুদ্ধে পাঁচগৰাকী নিৰ্বাচিত আৰু মনোনীত সদস্যই অনাস্থা প্ৰস্তাৱ উত্থাপনৰ পাছত হাওৰাঘাট বিজেপিৰ ভিতৰচ'ৰাত সৃষ্টি হৈছে জোঁকাৰণি। উল্লেখ্য যে পৌৰসভাৰ অধ্যক্ষৰ বিৰুদ্ধে উত্থাপন হোৱা অনাস্থা প্ৰস্তাৱৰ আঁত ধৰি শেহতীয়াভাৱে হাওৰাঘাট পৌৰসভাৰ মনোনীত সদস্য জয়প্ৰকাশ গোৱালাই একাংশ সংবাদ মাধ্যমত হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষ আৰু হাওৰাঘাট পৰিষদীয় সমষ্টিৰ নিৰ্বাচিত জনপ্ৰতিনিধি তথা যুৱ নেতা খনছিং ৰংপীৰ বিৰুদ্ধে অনা ভিত্তিহীন অভিযোগৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে হাওৰাঘাট মণ্ডল বিজেপিৰ লগতে দলটোৰ সাতটাকৈ মৰ্চা সংগঠনৰ বিষয়ববীয়াসকল। বুধবাৰে হাওৰাঘাট মণ্ডল বিজেপিৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি স্থানীয় বিজেপি নেতৃত্বই হাওৰাঘাট পৌৰসভাৰ মনোনীত ৱাৰ্ড কমিছনাৰ জয়প্ৰকাশ গোৱালাৰ মনেসজা সকলো অভিযোগ নাকচ কৰি এয়া ভিত্তিহীন আৰু উদ্দেশ্য প্ৰণোদিত বুলি মন্তব্য কৰে। মণ্ডল বিজেপিৰ নেতা ভূপেন ব্ৰহ্মই জয়প্ৰকাশ গোৱালাই কংগ্ৰেছৰ একমাত্ৰ ৱাৰ্ড কমিছনাৰ ৰঘুনাথ দাসৰ স'তে লগলাগি বিজেপিৰ বিৰুদ্ধে এনে অপপ্ৰচাৰ আৰু ষড়যন্ত্ৰত নমা বুলি মুকলি অভিযোগ কৰে। দলবিৰোধী কাৰ্যৰ বাবে শীঘ্ৰেই পৌৰসভাৰ মনোনীত ৱাৰ্ড কমিছনাৰ জয়প্ৰকাশ গোৱালাক বিজেপি দলৰ পৰা বহিষ্কাৰ কৰা হ'ব বুলি হাওৰাঘাট মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মিলাৰাম বড়োৱে বুধবাৰে সংবাদমেলখনত স্পষ্ট কৰি দিয়ে। মাথোঁ সেয়াই নহয় গোৱালাৰ মনোনীত সদস্যৰ পদো খাৰিজ কৰাৰ বাবে দলে অচিৰেই স্বায়ত্ত পৰিষদলৈ পত্ৰ প্ৰেৰণ কৰিব। পিছে হাওৰাঘাট পৌৰসভাৰ অধ্যক্ষৰ বিৰুদ্ধে দলৰ নিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলে অনা অনাস্থা প্ৰস্তাৱৰ সন্দৰ্ভত কোনো মন্তব্য নকৰি হাওৰাঘাট মণ্ডল বিজেপিৰ বিষয়ববীয়াসকলে এই ক্ষেত্ৰত সমগ্ৰ বিষয়টো দলৰ মজিয়াত আলোচনা কৰি তাৰ সমাধান সূত্ৰ উলিয়াব বুলি কৌশলী মন্তব্য আগবঢ়ায়।

# অসম অলিম্পিক সংস্থাৰ উদ্যোগত নগাঁও আৰক্ষীক সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুলাই ঃ** ড্ৰাগছ আৰু অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে ধাৰাবাহিক সফল অভিযান চলোৱা নগাঁও আৰক্ষীক কালি অসম অলিম্পিক সংস্থাৰ উদ্যোগত সংস্থাৰ অন্তৰ্গত নগাঁও জিলাৰ সহযোগী ক্ৰীড়া সংগঠনসমূহে সম্বৰ্ধনা জনায়। নগাঁও আৰক্ষী নিবেশৰ সভাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই কয়, 'এনে অনুষ্ঠানে আৰক্ষীক নিজৰ কৰ্তব্য পালনত অনুপ্ৰেৰণা যোগোৱাৰ লগতে মনোবল বৃদ্ধি কৰে।' তেওঁ লগতে আৰু কয় যে নগাঁও জিলাক ড্ৰাগছ আৰু অপৰাধ মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে নগাঁও আৰক্ষীয়ে প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে। নিশ্চিতভাৱে আমি সফল হ'ম। ড্ৰাগছ আৰু অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে আমাৰ অভিযান চলি আছে আৰু অনাগত দিনতো চলি থাকিব। অনুষ্ঠানত অংশগ্ৰহণ কৰি নগাঁও কলেজৰ অধ্যক্ষ ডঃ শৰৎ বৰকটকীয়ে ড্ৰাগছৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে। বিশিষ্ট ক্ৰীড়া সংগঠক তপন দাসে আঁত ধৰা অনুষ্ঠানত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বলীন ভূঞা, অসম অলিম্পিক সংস্থাৰ সদস্য অভিজিৎ নাথ, বিশিষ্ট চিকিৎসক ডাঃ কৃষ্ণ বৰা, সাংবাদিক কনক হাজৰিকা, ক্ৰীড়া সংগঠক উজ্জ্বল বৰুৱা, অমিতাভ বৰুৱা, প্ৰভাত বৰা, অসীম ভাৱাল, প্ৰতিভাবান যুৱক হীৰকজ্যোতি বৰা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানতে সংস্থাৰ তৰফৰ পৰা ড্ৰাগছ আৰু অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক ক্ৰমে ধ্ৰুৱ বৰা, নিৰুপম হাজৰিকা, মানস শইকীয়া, উপ-আৰক্ষী অধীক্ষক ক্ৰমে ত্ৰিদীপ প্ৰতীম কূমবাং, দীপ্তি মালি, গুণাৰাম দাস, দুৰ্লভ দাসৰ উপৰি জিলাখনৰ বিভিন্ন থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু নগাঁও আৰক্ষীৰ বিশেষ গোটৰ জোৱানসকলক সম্বৰ্ধনা জনোৱা হয়।

# আজাৰাৰ মিনি ষ্টেডিয়ামৰ অগ্ৰগতিৰ বুজ ল'লে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩ জুলাই ঃ** আজাৰাৰ ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰবৰীস্থিত খেলপথাৰৰ নিৰ্মীয়মাণ মিনি ষ্টেডিয়ামৰ কামৰ অগ্ৰগতিৰ কালি পৰিদৰ্শন কৰে স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। এককোটি টকাৰ অনুদানেৰে নিৰ্মাণৰত ষ্টেডিয়ামখনৰ অগ্ৰগতিৰ বিধায়কজনে সন্তোষ প্ৰকাশ কৰি ইয়াৰ নিৰ্মাণৰ কাম শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে। ষ্টেডিয়ামখন পৰিদৰ্শন কৰি বিধায়ক কলিতাই সমগ্ৰ অঞ্চলটোৰ ক্ৰীড়াৰ উন্নয়নত উক্ত মিনি ষ্টেডিয়ামে এক আশাৰ বতৰা কঢ়িয়াই আনিব বুলি কয়। বৃহত্তৰ অঞ্চলটোৰ প্ৰতিভাবান খেলুৱৈসকলৰ সুপ্ত প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলিও তেওঁ উল্লেখ কৰে। পৰিদৰ্শন কালত বিধায়কজনৰ লগত কামৰূপ জিলা ক্ৰীড়া বিষয়া ধ্ৰুৱ গগৈ আৰু ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত পাটগিৰিও উপস্থিত থাকে।

# ৰতিয়াদহৰ পৰা সোণাহাট পথত পুখুৰী সদৃশ গাঁত

## যাতায়াতৰ নামত ৰাইজে ভুগিছে যমৰ যাতনা

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৩ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ সোণাহাটলৈ যোৱা পথৰ দুৰৱস্থাই এই অঞ্চলটোৰ ৰাইজক জীয়াতু ভোগাই আহিছে। ৰাষ্ট্ৰীয় ঘাইপথ ১৭ৰ ৰতিয়াদহৰ পৰা সেণাহাটৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰলৈ যোৱা পথছোৱাৰ দৈৰ্ঘ ১০ কিলোমিটাৰ। পথছোৱা নিৰ্মাণৰ পাছৰে পৰা মেৰামতিৰ অভাৱত সৃষ্টি হৈছে ডাঙৰ ডাঙৰ গাঁতৰ। সাধাৰণ বৰষুণৰ পানীতে পথছোৱা পুখুৰী সদৃশ অৱস্থাত পৰিণত হয়। বৃহৎ অঞ্চলৰ ৰাইজে পথছোৱাৰে মটৰ চাইকেল, চাৰিচকীয়া গাড়ীৰো যাতায়াত কৰাটো দূৰৰে কথা খোজকাঢ়িব পৰা কঠিন হৈ পৰিছে। আনহাতে, উক্ত পথেৰে প্ৰত্যেক দিনে সোণাহাট বাণিজ্য কেন্দ্ৰলৈ শ শ ট্ৰাকে অতিৰিক্ত শিল আৰু কয়লা কঢ়িয়াই আহিছে। যাৰ বাবেই পথছোৱাৰ অৱস্থা অধিক শোচনীয় হৈ পৰিছে। ভাৰত-বাংলাদেশ সীমান্তৰ বিভিন্ন গ্ৰামাঞ্চলৰ ৰাইজে বহিঃজগতৰ স'তে যোগাযোগৰ একমাত্ৰ পথৰ দুৰৱস্থাই ৰাইজক নৰক যন্ত্ৰণা ভোগাইছে। পথছোৱা মেৰামতিৰ সলনি পথছোৱাৰ বহন ক্ষমতা ন টন বুলি ছাইন বোৰ্ড আঁৰি দি গড়কাপ্তানী বিভাগে নিজৰ দায়িত্ব সামৰিছে। কিন্তু গড়কাপ্তানী বিভাৰ নিৰ্দেশনাক অমান্য কৰি প্ৰত্যেক দিনা ট্ৰাকসমূহে ২০-২৫ টনলৈ শিল আৰু কয়লা কঢ়িয়াই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰলৈ গৈ আহিছে। কিন্তু আৰক্ষী আৰু গড়কাপ্তানী বিভাগে ট্ৰাকসমূহৰ বিৰুদ্ধে একো ব্যৱস্থা গ্ৰহণ নকৰি ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰি আহিছে। এই ৰাস্তাৰে অতিৰিক্ত বোজা কঢ়িওৱা ট্ৰাকৰ চলাচল বন্ধৰ বাবে ধুবুৰী জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে দাবী জনালেও গা লৰা নাই বিভাগৰ। অতিশীঘ্ৰে পথছোৱা মেৰামতি নকৰিলে ধুবুৰী জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে আন্দোলনৰ ভাবুকি প্ৰদান কৰিছে। আনহাতে, পথছোৱা নিৰ্মাণৰ বাবে বিভাগে আঠ কোটি টকা আবন্টন যদিও ঠিকাদাৰৰ হেমাহিত আজিয়ো ফলকতে সীমাৱদ্ধ হৈ আছে পথ নিৰ্মাণৰ আঁচনিৰ কাম। কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি জগদীশ চন্দ্ৰ ৰায়ে ক্ষোভ প্ৰকাশ কৰে আৰু শীঘ্ৰই পথছোৱা মেৰামতি কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৪ জুলাই, দেওবাৰ, ২০২১ পৃষ্ঠা ১১

# কৰ'নাৰী ধমনী ব্লক- হাৰ্টএটেক

## কাৰণ-প্ৰতিৰোধৰ উপায়



আজি-কালি হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। বিশ্ব স্বাস্থ্য সংস্থায়ো ইতিমধ্যে হৃদৰোগক মহামাৰীৰূপে ঘোষণা কৰিছে। এতিয়া কম বয়সীয়া লোকো এই ৰোগত আক্ৰান্ত হৈছে। জীৱন শৈলীৰ পৰা আৰম্ভ কৰি খাদ্যাভ্যাসলৈকে সকলো কাৰকে হৃদৰোগ সৃষ্টিত প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায় কৰিছে। হৃদৰোগৰ ভিতৰত অন্যতম হাৰ্টএটেক। এই হাৰ্টএটেকৰ অন্যতম কাৰক হ'ল হ'ল হাৰ্টএটেক।

হৃদযন্ত্ৰক পৰিপুষ্টি যোগোৱা ধমনী দুডাল হ'ল—সোঁ কৰ'নাৰী আৰু বাওঁ কৰ'নাৰী। এই দুডাল ধমনীয়ে হৃদযন্ত্ৰৰ সোঁ আৰু বাওঁ ফাললৈ গৈ তাৰ পেশীসমূহক বিভিন্ন শাখা-প্ৰশাখাৰ দ্বাৰা তেজৰ যোগান ধৰে। শৰীৰৰ আন পেশীত ধমনীৰ সৰু সৰু শাখাসমূহৰ মাজত যিদৰে অধিক পৰিমাণে শাখাৰ মিলন হয় হৃদযন্ত্ৰৰ ভিতৰত তেনে এখন ছবি দেখিবলৈ পোৱা নাযায়। এই খিনিতে উল্লেখ কৰিব পাৰি যে



কৰ'নাৰী ধমনী ব্লক হোৱাটো। কৰ'নাৰী ধমনী বিভিন্ন কাৰণত আংশিক বা সম্পূৰ্ণৰূপে 'ব্লক' বা বন্ধ হ'ব পাৰে। এনেদৰে বন্ধ বা আংশিকভাৱে বন্ধ হ'লে তেজ চলাচলত ব্যাঘাত জন্মে। হৃদযন্ত্ৰই স্বাভাৱিকভাৱে কাৰ্য সম্পাদনৰ বাবে ধমনীৰে তেজৰ চলাচল সঠিকভাৱে হৈ থাকিব লাগিব। বহুতো লোকে হাৰ্টব্লক আৰু হাৰ্টএটেক একে বুলিয়ে ভাবে। দৰাচলতে কৰ'নাৰী-ধমনী সম্পূৰ্ণৰূপে বন্ধ বা ব্লক হ'লেহে হাৰ্টএটেক হোৱাৰ আশংকা থাকে। অক্সিজেনযুক্ত তেজ যেতিয়া ধমনীৰে গৈ হৃদযন্ত্ৰৰ বিভিন্ন অংশত প্ৰৱেশ কৰিব নোৱাৰে দৰাচলতে তেতিয়াই আৰম্ভ হয় বিপদ। কেতিয়াবা ধমনীৰ বেৰত ক'লেষ্টেৰল বা চৰ্বি জাতীয় দ্ৰব্য জমা হৈ সম্পূৰ্ণৰূপে বন্ধ হয়। হৃদপেশীৰ স্বয়ংক্ৰিয়ভাৱে সংকোচন, সম্প্ৰসাৰণ, বৈদ্যুতিক পৰিবাহিতা, ছন্দোময় বৈদ্যুতিক স্পন্দন সৃষ্টিৰ ক্ষমতা আছে।

### বুকুৰ বিষক অৱহেলা নকৰিব

বহুতো লোকে সঘনাই বুকুৰ বিষ হৈ থাকিলেও চিকিৎসকৰ ওচৰলৈ নাযায়। চিকিৎসকৰ পৰামৰ্শ অবিহনে গেষ্ট্ৰিকৰ ঔষধ আনি খায়। দীৰ্ঘদিন ধৰি অৱহেলা কৰাৰ ফলত জটিল সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়েহে সঘনাই বুকুৰ বিষ হ'লে হৃদৰোগ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

### কম বয়সত আক্ৰান্ত হ'লে

যেতিয়া অতি কম বয়সতে

### কৰ'নাৰ ধমনী বন্ধ হ'লে দেখা দিয়া লক্ষণ

কৰ'নাৰী ধমনী বন্ধ বা প্ৰতিবন্ধকতাৰ সৃষ্টি হ'লে বুকুৰ বিষ (এঞ্জিনা) হয়। বুকুখন হেঁচা মাৰি ধৰাৰ দৰে হয়। বুকুখনত কিহবাই হেঁচি ধৰাৰ দৰে অনুভৱ হ'বলৈ ধৰে। হাৰ্টএটেক হোৱাৰ আশংকা থাকিলে বুকুৰ বিষৰ উপৰি বিষ কেতিয়াবা হাতৰ ফালেও প্ৰসাৰিত হয়। এই বিষ পিছফালেও হ'ব পাৰে।

জীৱনত কেতিয়াও নকৰা অনুভৱ হ'বলৈ ধৰে। অৰ্থাৎ নতুন অনুভৱ এটাৰ স'তে যেন পৰিচয় হয়। শাৰীৰিক পৰিশ্ৰম হ'লে বুকুখন ধপ ধপ কৰে।

শ্বাস-প্ৰশ্বাস ঘন ঘন হ'বলৈ ধৰে।

যেতিয়া কৰ'নাৰী ধমনী সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে তেতিয়া হাৰ্টএটেকৰ আশংকাই অধিক।



সমগ্ৰ বিশ্বতে মহামাৰী ৰূপ ধাৰণ কৰা হৃদৰোগ সম্পৰ্কে বিভিন্ন দিশ সামৰি হেল্‌থচিটি হাস্পতালৰ হৃদৰোগ বিভাগৰ সঞ্চালক **ডাঃ শশাংক বৰুৱাৰ** *স'তে সাংবাদিক* **নয়ন কুমাৰ শৰ্মাৰ** এক সাক্ষাৎকাৰ

### পুৰুষ-মহিলাৰ কোন বেছি আক্ৰান্ত হয়

পুৰুষ-মহিলা এই ৰোগত আক্ৰান্ত হয় যদিও পুৰুষৰ সংখ্যা তুলনামূলকভাৱে বেছি হোৱা দেখা যায়। আগতে এনে ৰোগত পুৰুষসকল বেছিকৈ আক্ৰান্ত হৈছিল যদিও পুৰুষসকল বেছিকৈ আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছিল। সময়ৰ লগে লগে জীৱন ধাৰণৰ পদ্ধতি তথা কৰ্মক্ষেত্ৰত সৃষ্টি হোৱা চাপ বৃদ্ধি পাবলৈ ধৰিলে। এনে চাপৰ বাবে মহিলাসকলো আক্ৰান্ত হোৱাৰ আশংকা বৃদ্ধি পালে।

### দীৰ্ঘদিন দৰৱ খালে আক্ৰান্ত হ'ব পাৰে নেকি?

কিছুমান ঔষধ দীৰ্ঘদিন ধৰি ব্যৱহাৰ কৰি থাকিলে ইয়াৰ পাৰ্শ্বক্ৰিয়া স্বৰূপে কিছুমান সমস্যাই গা কৰি উঠাৰ আশংকা নোহোৱা নহয়। বিশেষকৈ ষ্টেৰয়ড আদি বিশেষ কোনো ৰোগৰ বাবে ব্যৱহাৰ কৰি থাকিলে পৰোক্ষভাৱে হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। অৰ্থাৎ ষ্টেৰয়ড আদি দীৰ্ঘদিন ব্যৱহাৰ কৰাটো শংকাৰ কাৰণ হ'ব পাৰে।

### এবাৰ ব্যৱহাৰ কৰা তেল পুনৰ নাখাব

বহুতো লোকে তেলত ভজা আঞ্জা বা ভাজি খাই ফাল পায়। কিছুমানে আকৌ মাছ ভাজি তেলখিনি পিছদিনালৈকে থৈ দিয়ে। কেতিয়াবা আকৌ তেলত পুৰী আদি ভাজি সেউখিনি তেলকে পাছত আঞ্জা ৰন্ধাত ব্যৱহাৰ কৰে। অৰ্থাৎ এবাৰ ব্যৱহাৰ কৰি থৈ যোৱা তেলখিনি পুনৰ ব্যৱহাৰ কৰে। এনেদৰে ভজা তেল পুনৰ ব্যৱহাৰ কৰিলে হৃদৰোগ হোৱাৰ কাৰকবোৰ বৃদ্ধি হ'ব পাৰে।

### সোণালী সময় তিনি ঘণ্টা

হাৰ্টএটেক হোৱাৰ তিনি ঘণ্টাৰ ভিতৰত যদি প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি কৰিব পাৰি তেতিয়া হ'লে হৃদযন্ত্ৰৰ ক্ষতিৰ পৰিমাণ বহু পৰিমাণে প্ৰতিৰোধ কৰাটো সম্ভৱ। সেইবাবে হাৰ্টএটেক হোৱাৰ পাছত যিমান সম্ভৱ সিমান সোনকালে



চিকিৎসকৰ ওচৰলৈ আনিব লাগে। যদিহে চিকিৎসালয়ত প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টিৰ চিকিৎসা উপলব্ধ তেতিয়া আক্ৰান্তই সোনকালে আৰোগ্য লাভ কৰিব। তদুপৰি হৃদযন্ত্ৰৰ ক্ষতি কম খোৱাৰ বাবে আশংকাও নিশ্চয় হ্ৰাস পাব। অৱশ্যে সকলো ঠাইতে প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি নাথাকিব পাৰে। তেনে ক্ষেত্ৰত কেনেবাকৈ ৬-১২ ঘণ্টাৰ ভিতৰতো যদি প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি উপলব্ধ চিকিৎসালয়লৈ নিয়াতো সম্ভৱ হয় তেতিয়াহ'লে জীৱন ৰক্ষা কৰাটো সম্ভৱ হ'ব পাৰে। যিমানেই চিকিৎসাত পলম কৰিব সিমানেই

সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলত কমসংখ্যক চিকিৎসালয়তহে প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি উপলব্ধ। কৰ'নাৰী এঞ্জিঅ'প্লাষ্টি আৰু প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টিৰ চিকিৎসা ময়ে প্ৰথম কৰিছো। সেই অভিজ্ঞতাৰ পৰা এটা কথা ক'ব পাৰো যে হাৰ্টএটেকৰ পাছত যদিহে তিনি ঘণ্টাৰ ভিতৰত এঞ্জিঅ'প্লাষ্টি কৰা হয় তেতিয়া আক্ৰান্তজনৰ জীৱনৰ সংশয় ভালেখিনি হ্ৰাস পায়। প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি মানে জীৱন দান বুলি ক'লেও অযুক্তি কৰা নহ'ব।

### চিকিৎসা কৰিলেই উপশম সম্ভৱ নে

হাৰ্টএটেক মানেই মৃত্যু নহয়। আনহাতে, হাৰ্টএটেকৰ পাছত যদি সকলো উন্নতমানৰ চিকিৎসা কৰা হয় তথাপি ৫-১৫ শতাংশৰ ক্ষেত্ৰত জীৱন ৰক্ষা



কৰাটো সম্ভৱ নহয়। অৰ্থাৎ যিধৰণৰ পদ্ধতিৰেই চিকিৎসা নকৰক কিয়, ৫-১৫ শতাংশ আক্ৰান্তৰ জীৱন ৰক্ষা কৰাটো সম্ভৱ নহয়। সহজ অৰ্থত ক'বলৈ হ'লে সকলো চিকিৎসা আগবঢ়ালেও এই সংখ্যকৰ মৃত্যু হয়। সকলোৰে ক্ষেত্ৰত সময়মতে চিকিৎসা কৰাটো সৰ্বাতোকৈ গুৰুত্বপূৰ্ণ বিষয়।

### লক্ষণ ফুটি নুঠিবও পাৰে

যেতিয়া ধমনীত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈ হাৰ্টএটেক আদি হয় তেতিয়া কিছুমান লক্ষণ ফুটি উঠে। পিছে কেতিয়াবা কিছুমান লোকৰ ক্ষেত্ৰত লক্ষণ ফুটি নুঠিবও পাৰে। অৰ্থাৎ ধমনীত প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱাৰ পাছতো বয়স্ক লোকজনে বিশেষ লক্ষণ অনুভৱ নকৰিবও পাৰে। সেইবাবে বয়স্ক লোকসকলে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰা উচিত।

### এবছৰ বয়সতো পেচমেকাৰ সংস্থাপন কৰা হয়

হৃদৰোগ যে সদায় বয়স্ক লোকসকলৰেই হয় সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। কাৰণ কিছুমান শিশুৰ জন্মতেই বিভিন্ন ধৰণৰ হৃদৰোগ হ'ব পাৰে। যদিহে জন্মতেই হৃদৰোগ আৰু হৃদযন্ত্ৰৰ কোনো সমস্যা থাকে তেতিয়াহ'লে কম বয়সতেই পেচমেকাৰৰ প্ৰয়োজন হ'ব পাৰে। আনকি জৰুৰী হ'লে এবছৰতেই পেচমেকাৰ সংস্থাপিত কৰিবলগীয়া হয়। আজি-কালি এনে ধৰণৰ পেচমেকাৰ ব্যৱহাৰ কৰা বহু শিশুৱে আন দহটা শিশুৰ দৰেই জীৱন যাপন কৰিব পৰাটো সম্ভৱ হৈছে।

### এশ বছৰতো চিকিৎসা সম্ভৱ

বহুতো লোকে এক-ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ এই বুলি মন্তব্য কৰে যে বয়স বেছি হ'লে হৃদৰোগৰ চিকিৎসা কৰি সুফল নাপায়। পিছে এশ বছৰতো হাৰ্টব্লক হ'লে পেচমেকাৰ সংস্থাপিত কৰি সুফল লাভ কৰাটো সম্ভৱ। মই বিগত সময়ছোৱাত ২৫ বছৰ বয়সতো এঞ্জিঅ'প্লাষ্টি কৰিছো। তদুপৰি ১০৫ বছৰতো অস্ত্ৰোপচাৰ কৰি হোজাইৰ লোক এজনৰ পেচমেকাৰ সংস্থাপিত কৰি সুফল পোৱাটো সম্ভৱ হৈছে। হোজাইৰ এজন লোকৰ ১০৫ বছৰত অস্ত্ৰোপচাৰ কৰিছিলো। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত ইমান বেছি বয়সত পেচমেকাৰ সংস্থাপিত কৰি সফল হোৱা ইয়াৰ পূৰ্বে হোৱা নাছিল।

### গৰ্ভৱতী মহিলাৰ 'হাৰ্টএটেক' হ'লে

গৰ্ভাৱস্থাত যিকোনো সমস্যাই ভয়াৱহ ৰূপ ল'ব পাৰে। সেইবাবে সকলোৱে এই সময়ত সাৱধানতা অৱলম্বন কৰা উচিত। যদিহে গৰ্ভাৱস্থাত কোনো মহিলাৰ ধমনীত প্ৰতিবন্ধক বা প্লাগ হৈ হাৰ্টএটেক হয় তেতিয়া হ'লে প্ৰথমতে মহিলাগৰাকীৰ জীৱন ৰক্ষা কৰিবলৈ সকলো প্ৰকাৰৰ ব্যৱস্থা কৰা হয়। গৰ্ভত ভ্ৰূণ থাকিলেও যদি প্ৰয়োজন হয় তেতিয়াহ'লে চিকিৎসা কৰিবই লাগিব। এনেদৰে চিকিৎসা কৰোতে কেতিয়াবা ভ্ৰূণৰ ওপৰত প্ৰভাৱ পৰাৰ আশংকা নথকা নহয়।

### বংশগত প্ৰভাৱ আছেনে ?

স্বাভাৱিকতেই সকলোৰে মনত এটা প্ৰশ্নৰ উদয় হয়। হাৰ্টএটেক আদিৰ ক্ষেত্ৰত বংশগত প্ৰভাৱ থাকেনে? ইয়াৰ উত্তৰত এটাই ক'ব লাগিব যে যদিহে বংশত অৰ্থাৎ পৰিয়ালৰ পিতৃ-মাতৃ অথবা ঘৰৰ কোনো সদস্যৰ হৃদৰোগৰ সমস্যা আছে তেতিয়াহ'লে ইয়াৰ পৰোক্ষ প্ৰভাৱ সন্তানৰ ওপৰত পৰাৰ পূৰামাত্ৰে আশংকা থাকে। সাধাৰণতে ৬৫ বছৰৰ তলৰ লোকসকলক হৃদৰোগৰ বংশগত প্ৰভাৱৰ ক্ষেত্ৰত 'প্ৰিমেচিউৰ' বুলি গণ্য কৰা হয়। সেইবাবে এই বয়সৰ লোকসকলে বংশগত প্ৰভাৱৰ পৰা হাত সাৰিবলৈ নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কাৰণ নিয়মীয়াকৈ পৰীক্ষা কৰি থাকিলে ৰোগবিধ প্ৰতিৰোধ কৰা সম্ভৱ। পৰিয়ালত এনে ৰোগৰ ইতিহাস থাকিলে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত।

## কেনেদৰে প্ৰতিৰোধ কৰিব পাৰি

**হৃদৰোগ প্ৰতিহত কৰিবলৈ সৰুৱে পৰাই কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিবই লাগিব। তদুপৰি দৈনন্দিন জীৱন-যাপনত সকলোৱে যিবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগে সেয়া উল্লেখ কৰা হ'ল—**

প্ৰচুৰ পৰিমাণে ক'লেষ্টেৰলযুক্ত খাদ্য গ্ৰহণৰ পৰা আঁতৰি থাকিব লাগিব। এনে খাদ্য কমাই খালে বিপদৰ আশংকা থাকে।

জীৱনশৈলী সুসংবদ্ধ হ'ব লাগে। কাৰণ শৃংখলিত জীৱনশৈলীয়ে বহুতো ৰোগ-প্ৰতিৰোধ কৰিব পাৰে।

সদায় যিমান সম্ভৱ চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত। কাৰণ কেৱল হৃদৰোগীৰ বাবে নহয় আন বহুতো ৰোগ-প্ৰতিৰোধ কৰাটো সম্ভৱ হ'ব। যিমানেই চাপৰ মাজত থাকে সিমানেই ৰক্তচাপ বৃদ্ধিৰ আশংকা থাকে। উচ্চ ৰক্তচাপ বৃদ্ধি মানে ইয়াৰ প্ৰভাব পৰিব হৃদযন্ত্ৰৰ ওপৰত। তদুপৰি অধিক চাপৰ মাজত থকা লোকসকলৰ শৰ্কৰা বৃদ্ধিৰো পূৰামাত্ৰে আশংকা থাকে। ডায়েবেটিছ যিমান সোনকালে আৰম্ভ হয় সিমানেই কম বয়সতে



হৃদৰোগ বৃদ্ধি পায়। গতিকে দৈনন্দিন জীৱন-যাপনত যিমান সম্ভৱ সিমানেই চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত।

নিয়মীয়াকৈ ফলমূল খাব লাগে। বতৰৰ ফলসমূহ নিয়মীয়াকৈ খালেও শৰীৰে প্ৰয়োজনীয় উপাদান লাভ কৰে।

দৈনন্দিন খাদ্য তালিকাত প্ৰচুৰ পৰিমাণে সতেজ সেউজীয়া শাক-পাচলি অন্তৰ্ভুক্ত কৰা উচিত। শাক-পাচলিত শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদান ভিটামিনৰ পৰা আৰম্ভ কৰি খনিজ পদাৰ্থ আদি লাভ কৰে। বিশেষকৈ মাটিৰ তলত হোৱা পাচলি বেছি খাব লাগে।

নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ লাভ কৰিও এনে সমস্যাৰ পৰা হাত সাৰিব পাৰি। কাৰণ যদিহে কোনো কাৰণত কেতিয়াবা লক্ষণবিহীনভাৱে কোনো সমস্যাৰ সৃষ্টি হৈ থাকে তেতিয়া পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা ৰোগ নিৰ্ণয় কৰি চিকিৎসা কৰাটো সম্ভৱ।

কম পৰিমাণে নিমখ খাব লাগে। কাৰণ নিমখ বেছি খালে শৰীৰত ছ'ডিয়ামৰ পৰিমাণো বৃদ্ধি পায়। কেঁচা নিমখ নোখোৱাটোৱে মংগলজনক। কিছুমান লোকৰ মনত ভ্ৰান্ত ধাৰণা আছে যে আঞ্জাত নিমখ বেছি খালেও একো নহয়। পিছে কেঁচা নিমখেই হওক অথবা আঞ্জাতেই নাখাওক কিয়, ছ'ডিয়াম শৰীৰত প্ৰৱেশ কৰিবই। গতিকে বেছি নিমখ খোৱা অভ্যাস এৰিব লাগিব।

ফাষ্টফুড, জাংকফুড আদিৰ পৰা আঁতৰি থকাটোৱে মংগলজনক। কাৰণ এনেধৰণৰ খাদ্যত শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদানসমূহৰ পৰিৱৰ্তে বিভিন্ন ৰোগ বৃদ্ধিৰ কাৰকবোৰহে থাকে।

উচ্চ ফাইবাৰযুক্ত খাদ্য গ্ৰহণ কৰিব লাগে। এনে ধৰণৰ খাদ্যই বিভিন্ন ৰোগ-প্ৰতিৰোধত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ।দ্যত কম পৰিমাণে তেল ব্যৱহাৰ কৰাটোৱে মংগলজনক।

নিয়মীয়াকৈ ব্যায়াম কৰিলেও হৃদৰোগ আদিৰ পৰা হাত সাৰিব পাৰি। সদায় নিৰ্দিষ্ট দূৰত্ব খোজ কাঢ়িলেও সুফল পোৱা যায়। পুৱাই হওক গধূলিয়েই হওক সদায় এক নিৰ্দিষ্ট দূৰত্ব খোজ কাঢ়িলে ৰক্তচাপত ডায়েবেটিছৰ লগতে হৃদৰোগ প্ৰতিৰোধ সম্ভৱ।

মাদকদ্ৰব্য, গুট্‌খা আদি একেলগে খোৱাৰ ফলত কেৱল হৃদৰোগেই নহয় আন বহুতো সম্যস্যাই নিজৰ অজ্ঞাতে গা কৰি উঠিব পাৰে। গতিকে এনেধৰণৰ সামগ্ৰীৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

### কেতিয়া শংকাৰ কাৰণ হয়

এনে ধৰণৰ সমস্যাই কিছু কিছু ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰে। কিছুমান কাৰণৰ বাবে কৰ'নাৰী ধমনীৰ প্লাগ বা প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে।

বয়স বৃদ্ধিৰ লগে লগে ধমনীৰ ক্ষতিসাধন হোৱাৰ উপৰি ধমনীসমূহ ঠেক বা সৰু হ'বলৈ ধৰে।

উচ্চ ৰক্তচাপৰ বাবে এনে ধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। ৰক্তচাপ অনিয়ন্ত্ৰিত হৈ থাকিলে ধমনী ডাঠ আৰু সৰু আকৃতিৰ হ'ব পাৰে।

তেজত ক'লেষ্টেৰলৰ পৰিমাণ বৃদ্ধি পালে যদি দীৰ্ঘদিন ধৰি অনিয়ন্ত্ৰিত ৰূপত থাকিলে ধমনীত প্লাগবন্ধ বা প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱাৰ আশংকা থাকে।

ধূম্ৰপান হ'ব পাৰে হৃদৰোগৰ অন্যতম কাৰণ। ধূমপায়ীসকল সহজেই এনে সমস্যাৰ বলি হ'ব পাৰে।

কৰ'নাৰী ধমনীৰ ৰোগ সৃষ্টিৰ ক্ষেত্ৰত ডায়েবেটিছৰো প্ৰভাৱ থাকে।

বংশগত প্ৰভাৱৰ বাবেও এনে হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

মহিলাসকলৰ মেনোপ'জ বা ৰজঃস্বলাৰ পাছত আশংকা বৃদ্ধি পায়।

মেদবহুলতাও হ'ব পাৰে এনে সমস্যাৰ অন্যতম কাৰণ।

কায়িক পৰিশ্ৰম নকৰিলেও হ'ব পাৰে। কিছুমানে দিনৰ দিনটো যি পৰিমাণে খাদ্য গ্ৰহণ কৰে সেই অনুপাতে কায়িক শ্ৰম নকৰে।

ফাষ্টফুড, জাংকফুড আদিৰ বাবেও হোৱাৰ আশংকা থাকে। আজি-কালি এনেধৰণৰ খাদ্য বেছিকৈ খোৱাৰ প্ৰৱণতা জাগি উঠা বাবে কৰ'নাৰী ধমনীত 'প্লাগ' সৃষ্টিৰো আশংকা বৃদ্ধি পাইছে।

যিমানেই মানসিক চাপৰ মাজত থাকিব সিমানেই হৃদৰোগ আদিৰ আশংকা নুই কৰিব নোৱাৰি।



তদুপৰি বয়স বৃদ্ধি, জীৱনশৈলীজনিত কাৰণত প্ৰত্যক্ষ-পৰোক্ষভাৱে ধমনীত প্ৰভাৱ পৰাত বিপদ ঘনীভূত হয়।

ক'লেষ্টেৰল বা চৰ্বি আদিৰ বাবে হৃদযন্ত্ৰৰ ধমনীৰ টেমুনাৰ দৰে হৈ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ধমনীৰ বেৰত এয়া জমা হোৱাৰ লগে লগে তেজ চলাচলৰ পথটো সৰু বা ঠেক হৈ পৰে। কেতিয়াবা চৰ্বি আদি বেছি পৰিমাণে জমা হোৱাৰ ফলত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। যেতিয়া ধমনীত বাধা জন্মে তেতিয়া সেই অঞ্চলত তেজৰ চেকুৰা বান্ধে? তেজৰ চেকুৰা বন্ধাৰ ফলত এসময়ত ধমনী সম্পূৰ্ণৰূপে অথবা আংশিকৰূপে বন্ধ হোৱাত হৃদযন্ত্ৰৰ মাংসপেশীলৈ ৰক্ত সঞ্চালনত ব্যাঘাত জন্মে। এনেদৰে ৰক্ত সঞ্চালন বন্ধ হোৱাত মাংসপেশী ধ্বংস বা মৰি যায়। সহজ অৰ্থত এয়াই হাৰ্ট ব্লক হয় আৰু ইয়াৰ ফলত হাৰ্টএটেক হয় তেতিয়া উপযুক্ত চিকিৎসা সঠিকভাৱে কৰিব লাগে। ঔষধ আৰু এঞ্জিঅ'প্লাষ্টি কৰি সুফল লাভ কৰাটো সম্ভৱ। এনে লোকৰ জীৱনশৈলী শৃংখলিত হ'লেহে ভৱিষ্যৎ হাৰ্টএটেক আদিৰ আশংকা হ্ৰাস পাব। নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণৰ লগতে জীৱনশৈলীৰ পৰিৱৰ্তন কৰিবই লাগিব। কাৰণ উশৃংখলিত জীৱন-যাপনে আয়ুস হ্ৰাস কৰে।

### কিমানদিন জীয়াই থাকিব পাৰে

হাৰ্টএটেকৰ ফলত হৃদযন্ত্ৰৰ কিমান ক্ষতিসাধন হৈছে তাৰ ওপৰত নিৰ্ভৰ কৰে ভৱিষ্যতে কিমান জীয়াই থাকিব। যদিহে হৃদয়ন্ত্ৰৰ বেছিকৈ ক্ষতিসাধন হয় তেতিয়া হ'লে শংকা থাকে। কাৰণ বেছি ক্ষতিসাধন



হ'লে চিকিৎসা লাভৰ পাছত উপশম লাভ কৰে যদিও সামান্য অৱহেলা কৰিলেই বিপদ ঘনীভূত হ'ব পাৰে।

### মাদকদ্ৰব্য-ধপাত পৰিহাৰ কৰক

ধপাত জাতীয় সামগ্ৰী বিশেষকৈ চিগাৰেট আদি বেছিকৈ সেৱন কৰিলে বিপদ ঘনীভূত হয়। আজি-কালি বহুতেই গুট্‌খা-মাদকদ্ৰব্য একেলগে খায়। দিনটোৰ ভিতৰত কিমান ব্যৱহাৰ কৰে সেয়া হয়তো ব্যৱহাৰ কৰোতাজনেও জ্ঞাত নহয়। ধপাত,

### ঠাণ্ডা খাদ্য খালে পেটৰ জ্বলা-পোৰা কমিবনে

কিছুমান লোকে পেটৰ জ্বলা-পোৰাৰ সমস্যা থাকিলে আক্ৰান্ত সময়খিনিত ঠাণ্ডা খাদ্য খায়। এনে ধৰণৰ খাদ্য গ্ৰহণ কৰাৰ পাছত সাময়িকভাৱে ভাল পালেও এইটো পিছে স্থায়ী সমাধান নহয়। কোনো কোনো লোকৰ যিবোৰ বস্তু খালে সমস্যাই গা কৰি উঠাৰ পাছত ঠাণ্ডা পানীয় আদি খাই সাময়িক উপশম ঘটালেও এতিয়া পিছে ইয়াৰ ঔষধ ওলাইছে। গতিকে ঔষধ ব্যৱহাৰ কৰিহে এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি।

### মেদবহুলতা আৰু এচিডিটি

মেদবহুল লোকসকলৰ যিকোনো ৰোগ হোৱাৰ আশংকা বেছি। শকত লোকৰ পেটৰ মেদৰ চাপ পৰে পাকস্থলীৰ ওপৰত। যিমানেই চাপ পৰিবলৈ ধৰে সিমানেই এচিডৰ নিঃসৰণো বৃদ্ধি পায়। সেইবাবে শৰীৰৰ ওজন স্বাভাৱিক কৰি ৰাখিবলৈ সকলোৱে চেষ্টা কৰা উচিত।

### ব্যায়াম কৰিলেও গেষ্ট্ৰিক হ্ৰাস পায়

নিয়মীয়াকৈ ব্যায়াম কৰিলেও শাৰীৰিক কাম-কাজৰ প্ৰক্ৰিয়া স্বভাৱিক হৈ থাকে। শৰীৰৰ সকলো পদ্ধতিয়ে স্বাভাৱিকভাৱে কাম-কাজ কৰি থাকিলে হজমো স্বাভাৱিক হয়। তেতিয়া গেষ্ট্ৰিকৰ সমস্যাই সহজে গা কৰি উঠিব নোৱাৰে। অৱশ্যে নিজৰ ইচ্ছা মতে ব্যায়াম কৰাৰ পৰিৱৰ্তে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

### ভাত খাওঁতে পানী খাব নালাগে

প্ৰায়ভাগ লোকেই ভাত খোৱাৰ সময়ত সঘনাই পানী খায়। যেতিয়া খাদ্য গ্ৰহণ কৰা হয় তেতিয়া পাকস্থলীত বিশেষ ধৰণৰ এচিড নিঃসৰণ হয়। খোৱাৰ সময়ত পানী খালে পাকস্থলীৰ এই এচিড পানীৰ স'তে মিহলি হোৱাত এচিডিটিৰ সমস্যা গা কৰি উঠে। ভাত খোৱাৰ বহু সময় পাছতহে পানী খাব লাগে।

### পেট ভৰ্তি থাকিলেও

এনে কিছু লোক আছে যিসকলে পেট ভৰ্তি থাকিলেও আন খোৱা দেখিলে খাবলৈ ইচ্ছা কৰে। আনে কি খাইছে সেইটো ডাঙৰ কথা নহয়, নিজৰ পেট খালী নে ভৰ্তি সেইটোহে ভাবিব লাগে। অৰ্থাৎ পেট ভৰ্তি হৈ থাকিলে নোখোৱাটোৱে ভাল। তদুপৰি বহুতো লোকে প্ৰতি সাঁজতে পেট ভৰাই খায়। তেনেদৰে খোৱাৰ পৰিৱৰ্তে যদি কম পৰিমাণে সঘনাই খায় তেতিয়াহ'লে গেষ্ট্ৰিকৰ লগতে আন বহুতো সমস্যাৰ পৰা হাত সৰাতো সম্ভৱ। পাকস্থলীত এচিড নিঃসৰণ হোৱাৰ এটা পদ্ধতি বা সময় থাকে। এই নিঃসৰণৰ পৰিমাণত উনৈশ-বিশ হ'লেই গেষ্ট্ৰিক আদিৰ সমস্যাই গা কৰি উঠে।

### ধূমপান-মদ্যপানো হ'ব পাৰে কাৰণ

গেষ্ট্ৰাইটিছৰ কাৰণসমূহৰ ভিতৰত অন্যতম হ'ল ধূমপান-মদ্যপান। বহুতে দিনটোৰ ভিতৰত ইমান চিগাৰেট সেৱন কৰে যে তেওঁলোকক 'চেইন স্ম'কাৰ' বুলি কোৱা হয়। এনে লোকৰ গেষ্ট্ৰিক আদিৰ সমস্যাই বেছিকৈ জুৰুলা কৰে। ধূমপানৰ ফলত এচিড পোনপটীয়াকৈ পাকস্থলীত প্ৰৱেশ কৰি ক্ষতিসাধন কৰে।

# আজাৰাত দুবছৰতেই ভাঙিল গড়কাপ্টানী পথ ঃ যাতায়াত বন্ধ



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ জুলাই ঃ** বৃহত্তৰ অঞ্চলৰ এটি গড়কাপ্টানী পথৰ উন্নয়ন দুবছৰ পাছতেই পুনৰ ভাগি যোৱাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অকল সেয়াই নহয় পথটোৰ এনে অৱস্থাত সেই পথেৰে চাৰিচকীয়া যানবাহনৰ চলাচল বন্ধ হৈ পৰিছে। কাহিকুছি গাঁও পঞ্চায়ত অঞ্চলৰ ৰাণী অঞ্চলৰ মংগলবৰীয়া বজাৰৰ উত্তৰ-পূব পৰিষদৰ অধীনৰ মৈৰাম-ৰাণী শুকুৰবৰীয়া পথৰ পৰা সজ্জনপাৰা মাজপাৰা সংযোগী পথটোৰ উন্নয়ন কৰা হয়। গড়কাপ্টানী বিভাগৰ গুৱাহাটী পথ সংমণ্ডলৰ অধীনত এছ অ' পি ডি (জি) শিতানত কে'বা লাখ টকা ব্যয় সাপেক্ষে উন্নয়নৰ বাবে উক্ত পথটোৰ বিগত ২০১৮ৰ চাৰি নৱেম্বৰত স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে পথটোৰ উন্নয়নৰ বাবে মাটি পুতি ব্লক পাৰি উন্নয়ন কৰা হয়। পিছে দুবছৰ পাছতেই উক্ত পথৰ শেষৰ ফালে পথৰ মাজতেই প্ৰকাণ্ড গাঁতৰ সৃষ্টি হয়। উপায়হীন হৈ ৰাইজে নিজাববীয়াকৈ উক্ত গাঁতত বেৰ দি দুৰ্ঘটনা ৰোধৰ চেষ্টা কৰা পৰিলক্ষিত হৈছে। এনে অৱস্থাত পথছোৱাত চাৰিচকীয়া যানবাহন চলাচল বন্ধ হৈ পৰিছে।

# নগৰবেৰাৰ টুপামাৰীত বিধ্বস্ত পথত জাল মাৰি ৰাইজৰ প্ৰতিবাদ




**আলোপতি, ৩ জুলাই ঃ** বকো সমষ্টিৰ অন্তৰ্গত টুপামাৰীত একাংশ ৰাইজে আজি সাব্যস্ত কৰে অভিনৱ প্ৰতিবাদ। সমষ্টিটোৰ তিনি নম্বৰ টুপামাৰীৰ গড়কাপ্টানী পথৰ পৰা নকিমুদ্দিন মাষ্টৰৰ ঘৰলৈ যোৱা পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ থকাত পথটোৰে যাতায়াত একপ্ৰকাৰ ব্যাহত হৈ পৰিছে। ২০১৮-১৯ৰ বিধায়ক উন্নয়ন পুঁজিৰ ধনেৰে পথটো মেৰামতি কৰা হৈছিল যদিও নিৰ্মাণ কাৰ্যত দুৰ্নীতি সংঘটিত হোৱাৰ বাবেই বৰষুণ পৰিলেই যাতায়াতৰ অনুপযোগী হৈ পৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। একাঁঠু বোকাময় পথটো পুনঃনিৰ্মাণ কৰাৰ দাবীত একাংশ লোকে জালেৰে মাছ মাৰি ব্যতিক্ৰমী প্ৰতিবাদ সাব্যস্ত কৰে। জিলা প্ৰশাসন তথা স্থানীয় বিধায়িকা নন্দিতা দাসৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এনেদৰে ব্যতিক্ৰমী ৰূপত প্ৰতিবাদ সাব্যস্ত কৰিছে গঞাই।

# ফলাফলৰ মূল্যায়ন নীতিৰ সংশোধনৰ আহ্বান প্ৰাক্তন মন্ত্ৰীৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ জুলাই ঃ** মাধ্যমিক শিক্ষা পৰিষদ, অসম (ছেবা) আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে পৰীক্ষা অনুষ্ঠিত নকৰি যি পদ্ধতিৰে মূল্যায়ন নীতি গ্ৰহণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে এই ব্যৱস্থাই কেৱল ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ বাবে মুঠেও সন্তোষজনক নহয় বুলি মন্তব্য প্ৰকাশ কৰিছে প্ৰাক্তন মন্ত্ৰী তথা অধ্যাপক গিৰিন্দ্ৰ কুমাৰ বৰুৱাই। এক বিবৃতিত বৰুৱাই কয় যে বৰ্তমান ক'ভিড-১৯ৰ ভয়াৱহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ছেবা অথবা সংসদ উভয়ে পৰীক্ষা অনুষ্ঠিত কৰাটো সম্ভৱ নহয়। দুয়োটা পৰীক্ষাৰ পৰীক্ষাৰ্থীৰ সংখ্যা প্ৰায় সাত লাখমান হ'ব। ইমান বৃহৎ সংখ্যক পৰীক্ষাৰ্থী পৰীক্ষাত বহিবলৈ কোৱাটো বৰ্তমানৰ সংকটকালত মুঠেও গ্ৰহণযোগ্য হ'ব নোৱাৰে। চৰকাৰে গঠন কৰা বিশেষজ্ঞ কমিটীৰ পৰামৰ্শ অনুসৰি পৰীক্ষা অনুষ্ঠিত নকৰাটো আদৰণীয় বুলি প্ৰাক্তন মন্ত্ৰী বৰুৱাই উল্লেখ কৰে। কিন্তু এই দুয়োটা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিব নোৱাৰিব বুলি কোৱাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। যিহেতু একাংশ ছাত্ৰ-ছাত্ৰীয়ে এই দুয়োটা ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান চৰকাৰী চাকৰিৰ বাবে আবেদন কৰে। কিন্তু বিভাগীয় মন্ত্ৰীয়ে কোৱা মতে, এনে ধৰণেৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত বাধ্যবাধকতা থাকিব। যদিহে সেয়ে হয় আৰু লগতে পুনৰ পৰীক্ষাত বহিবলৈ আবেদন কৰিব লাগে, তেনেহ'লে চৰকাৰ তথা বিভাগৰ কৰ্মসূচী দুমুখীয়া ধৰণৰ হোৱা বুলি বৰুৱাই উল্লেখ কৰে। এনে ব্যৱস্থাই কেৱল পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰতে নহয় আমাৰ সমাজখন আগবাঢ়ি যোৱাৰ ক্ষেত্ৰতো সন্তোষজনক নহ'ব। সেয়েহে বিষয়টো বিশেষভাৱে পুনৰ বিবেচনা কৰিবলৈ শিক্ষামন্ত্ৰী তথা চৰকাৰক প্ৰাক্তন মন্ত্ৰীজনে অনুৰোধ জনাইছে।

# কৃষি বিজ্ঞান কেন্দ্ৰ কোকৰাঝাৰে বিতৰণ কৰিল ধানৰ বিধান




**অগ্ৰদূত বাৰ্তা**
**দোতমা/ফকিৰাগ্ৰাম, ৩ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত তেলীপাৰাস্থিত কৃষি বিজ্ঞান কেন্দ্ৰই আজি ধানৰ বিধান বিতৰণ কৰে। শালি ধানৰ খেতি উন্নত কৰাৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰই কৃষি আৰু গ্ৰাম্য পৰিৱৰ্তন প্ৰকল্পৰ অধীনত বাৰিষা ঋতুত হোৱা ধানৰ বিধান কৃষকৰ মাজত বিতৰণ কৰে। এই ধানৰ বিধানৰ ভিতৰত ৰঞ্জিত (১) ৫৭০ কেজি, বাহাদুৰ (১) ৩৩০ কেজি, স্বৰ্ণ (১) ৯০ কেজি। ইপিনে উন্নত প্ৰজাতিৰ ধানৰ বিধানৰ মাজত ক'লা জহা ১৮০ কেজি, বকুল জহা ৩০ কেজি, চি আৰ সুগন্ধ ধান (৯০৯) ১৫০ কেজি ধানৰ বিধান বিতৰণ কৰে। উল্লেখ্য যে ইতিমধ্যে কোকৰাঝাৰ জিলাৰ ৯০ শতাংশ কৃষকে ধানৰ বিধান ৰোপণ কৰিছে। অৱশ্যে কেন্দ্ৰই পলমকৈ বিধান বিতৰণ কৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে।

# ওদালগুৰি কোচ ৰাজবংশী সন্মিলনী-আক্ৰাছুৰ আঞ্চলিক সমিতি গঠন

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৩ জুলাই ঃ** সদৌ অসম কোচ ৰাজবংশী সন্মিলনী আৰু আক্ৰাছুৰ ওদালগুৰি আঞ্চলিক সমিতি দুখন যোৱা দুই জুলাইত গঠন কৰা হয়। সেই উপলক্ষে ওদালগুৰিৰ হৰপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ভক্ত সিংহৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাতে ভক্ত সিংহক সভাপতি আৰু ৰাজ সিংহক সাধাৰণ সম্পাদক হিচাপে লৈ ২১ জনীয়া সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ ওদালগুৰি আঞ্চলিক সমিতিখন গঠন কৰা হয়। উক্ত সভাতে কৰুণা বৰ্মনক সভাপতি আৰু বিক্ৰম সিংহক সম্পাদক হিচাপে লৈ আক্ৰাছুৰ ২১ জনীয়া ওদালগুৰি আঞ্চলিক সমিতিখনো গঠন কৰা হয়। সাধাৰণ সভাত উপস্থিত থাকে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অতুল বৰ্মন, ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক অখিল ৰাজবংশীকে ধৰি দুয়োখন সমিতিৰ বিষয়ববীয়াসকল।

# টংলাৰ ধৰ্মপ্ৰাণ উপেন্দ্ৰ চন্দ্ৰ ডেকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩ জুলাই ঃ** ওদালগুৰি জিলাৰ টংলা চাৰি নম্বৰ ৱাৰ্ডৰ চিত্ৰ নগৰ নিবাসী ধৰ্মপ্ৰাণ সৰবৰহী জ্যেষ্ঠ নাগৰিক উপেন্দ্ৰ চন্দ্ৰ ডেকা (৮৯)ৰ আজি বিয়লি বাৰ্ধক্যজনিত কাৰণত চিকিৎসাধীন অৱস্থাতে নিজ বাসগৃহত পৰলোক প্ৰাপ্তি হয়। ১৯৩৪ত নগাঁও জিলাৰ পবিত্ৰ তীৰ্থস্থান বৰদোৱাৰ ওচৰৰ বাৰোৱতীত ওপজা ডেকাৰ পিতৃ বলিৰাম ডেকা আৰু মাতৃ চেনীমাই ডেকা। কঠোৰ জীৱন সংগ্ৰামত জঁপিয়াই পৰা ডেকাই কৰ্মসূত্ৰে অবিভক্ত দৰঙৰ ঢেকিয়াজুলিত বেহা-বেপাৰ কৰি মিলিটাৰী কেম্পলৈ বাঁহ যোগান ধৰাৰ সুযোগতে ১৯৬১ত সৈনিক হিচাপে যোগদান কৰি ডিব্ৰুগড়, লিকাবালি আৰু অৰুণাচল প্ৰদেশ (নেফা)ৰ চীন-ভাৰত সীমান্তত কৰ্তব্যৰত হৈছিল। ১৯৬২ৰ ভাৰত-চীন যুদ্ধ সমাপ্তি হোৱাত সৈন্য বিভাগৰ চাকৰি বাদ দি সীমা সুৰক্ষা বলৰ অধীনত ডাক আৰু তাঁৰ বিভাগত কৰ্মৰত হোৱা ডেকাই ভাৰত-পাকিস্তান যুদ্ধ প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিল। বাংলাদেশ গঠনৰ পাছত মিউচুৱেল বদলিৰ যোগেদি টংলা নগৰত নিগাজিকৈ বাস কৰা ডেকাই বৃহত্তৰ টংলা অঞ্চলৰ তিনি স্থানত মহাপুৰুষীয়া গৃহাশ্ৰম প্ৰতিষ্ঠা কৰে। সমাজসেৱা, ধৰ্ম-কৰ্মকে জীৱনৰ ব্ৰত হিচাপে লোৱা ডেকাই বিভিন্ন মন্দিৰত সামগ্ৰী প্ৰদান কৰাৰ লগতে কে'বাজনো অন্ধ লোকক খঞ্জুৰী আৰু তাল দান কৰে। ১০খন ধৰ্মপুথি ৰচনা কৰা ডেকাৰ পুথিসমূহৰ ভিতৰত অন্যতম হ'ল ক্ৰমে ভক্তি তত্ত্ব নাম (তিনিটা খণ্ড), বৈষ্ণৱ নিত্য কৰ্ম, আত্মাৰ পৰিচয় ভাগৱত সাৰ, যুগ ধৰ্ম, বিপদ তাৰণ জীৱমুক্ত আৰু শ্ৰীকৃষ্ণৰ ভক্তি প্ৰেম ঘোষা আৰু প্ৰেম ভক্তি প্ৰেম ঘোষামৃত অন্যতম। মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু কন্যাৰ লগতে গুণমুগ্ধক ইহসংসাৰত এৰি যায়। অসমীয়া প্ৰতিদিনৰ টংলাস্থ সাংবাদিক, প্ৰচাৰ ভাৰতীৰ সাংবাদিক নাৰায়ণ ডেকাৰ পিতৃ আছিল ডেকা। তেওঁৰ মৃত্যুত দল-সংগঠনসমূহে গভীৰ শোক প্ৰকাশ কৰে।

## আই নৈৰ খহনীয়া প্ৰতিৰোধী জিঅ'বেগ আঁচনিৰ কাম বন্ধত সৃজনগ্ৰামত প্ৰতিক্ৰিয়া

# তিৰপালেৰে ঢাকি মথাউৰি ৰক্ষাৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৩ জুলাই ঃ** শৈল বান্ধ, কংক্ৰিটৰ পাৰ্কুপাইন আদিৰে খহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰা জলসম্পদ বিভাগে বঙাইগাঁও জিলাৰ সৃজনগ্ৰামত তিৰপালেৰে ঢাকি খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৰ্থ চেষ্টা চলোৱা কাৰ্যই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে সৃজনগ্ৰাম অঞ্চলৰ সিদলসতী-ৰজাঘুলি মথাউৰিটোৰ হুৱামাৰা অংশত আই নৈয়ে তীব্ৰ খহনীয়াৰ সৃষ্টি কৰাত অঞ্চলটোৰ ক্ৰমে বটগুৰী, চাৰিপুনীয়া, দৰকিনামাৰী, কাকৈজানা, পায়ৰাপাৰা, দেৱানপাৰা, দহেলাপাৰা, সোণাখুলি, বৰঘোলা, খামাৰপাৰা, চুকানী, পাখিৰীগুৰী আদি গাঁওসমূহৰ ৰাইজে আতংকিত হৈ পৰে। ইয়াৰ পাছতে খৰালি কালত সময় নোপোৱা বিয়াগোম জলসম্পদ বিভাগে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰায় দুই কোটিটকীয়া জিঅ'বেগ আঁচনি গ্ৰহণ কৰাত কিছু পৰিমাণে হ'লেও স্বস্তিৰ নিশ্বাস কাঢ়ে অঞ্চলটোৰ ৰাইজে। কিন্তু জলসম্পদ বিভাগৰ ধুবুৰী সংমণ্ডলৰ জৰিয়তে ৰূপায়ণ হ'বলগীয়া আঁচনিখনৰ নিৰ্মাণৰ বাবে দায়িত্বৰত ঠিকাদাৰে বৰপেটা জিলাৰ ১৫ জনকৈ পাৰদৰ্শী শ্ৰমিক কাম কৰাৰ বাবে আনে যদিও ৰহস্যজনকভাৱে কে'বা দিনো শ্ৰমিকসকল শুই-বহি কটায়ে বিদায় মাগে।

অৱশ্যে পাছত জিঅ'বেগ আঁচনিখনৰ আৰম্ভণি কৰে যদিও বাৰিষাৰ অজুহাতত কাম বন্ধ ৰাখে ঠিকাদাৰে। উক্ত অভিযোগ মতে, জিঅ'বেগ আঁচনিৰ কাম কৰাৰ সময় উকলি যোৱাৰ বাবে নিৰ্মাণকাৰ্য বন্ধ কৰাৰ নিৰ্দেশ দিছে বিভাগে। কিন্তু প্ৰশ্ন হয় বিগত বাৰিষাতে বিধ্বস্তপ্ৰায় মথাউৰিটোৰ ক্ষেত্ৰত কিয় পলমকৈ আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। জলসম্পদ বিভাগৰ এনে দায়িত্বহীনতাৰ বাবে অনাগত দিনত প্ৰতিবছৰে দেখুওৱা আই নৈৰ সংহাৰ মূৰ্তিৰ কথা ভাবিয়েই নিদ্ৰাহৰণ হৈছে নৈপৰীয়া ৰাইজৰ।



বৰ্তমানে বৰষুণৰ পানীত খহি নাযাবলৈ নিৰ্মাণৰত অংশত বাঁহৰ বেৰ আৰু তিৰপালেৰে ঢাকি মথাউৰিটোক ৰক্ষা কৰিবলৈ চেষ্টা চলাইছে বিভাগে। বিগত সময়ত জলসম্পদ আৰু গ্ৰামোন্নয়ন বিভাগে অঞ্চলটোত কোটি কোটি টকা ব্যয় কৰিও খহনীয়া প্ৰতিৰোধ কৰাত ব্যৰ্থ হোৱাৰ পাছতো ক্ষতিগ্ৰস্ত মথাউৰিটোক তিৰপালেৰে ঢাকি ৰক্ষা কৰিব বিচৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই অঞ্চলটোৰ ৰাইজে।

# এপিচিডিএলৰ টংলা বৈদ্যুতিক সংমণ্ডলৰ বিদ্যুৎ কৰ্তন অভিযান

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩ জুলাই ঃ** বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ শক্তি বিভাগে বিদ্যুৎ কৰ্তন অভিযান তীব্ৰতৰ কৰি তুলিছে। বিগত সময়ছোৱাত চৰকাৰসমূহৰ সোপাঢিলা নীতিৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা গ্ৰাহকে বিদ্যুৎ বিল আদায় দিয়া নাছিল। কিন্তু বিদ্যুৎ বিল আদায় নিদিয়া গ্ৰাহকসকলৰ বিৰুদ্ধে অসম চৰকাৰ আৰু শক্তি বিভাগৰ মন্ত্ৰী বিমল বৰাৰ কঢ়া নিৰ্দেশত এইবেলি অহা ১০ জুলাইলৈকে বিদ্যুৎ কৰ্তন অভিযান ব্যাপক কৰি তুলি শক্তি বিভাগৰ নতুন উদ্যম ঘূৰাই আনিছে। অসম বিদ্যুৎ শক্তি নিগম লিমিটেডৰ অধীনস্থ টংলা বৈদ্যুতিক উপ-সংমণ্ডলৰ কৰ্মচাৰীবৃন্দই ভেৰগাঁও মহকুমাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ঘৰে ঘৰে গৈ বিদ্যুৎ বিল পৰিশোধ নকৰা গ্ৰাহকৰ বিৰুদ্ধে ব্যাপক অভিযান চলাইছে। টংলাস্থ বৈদ্যুতিক উপ-সংমণ্ডলৰ কৰ্মচাৰীবৃন্দই ইতিমধ্যে ভালেকেইটা প্ৰতিষ্ঠানৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই জাননী জাৰি কৰিছে। বছৰ বছৰ ধৰি বিদ্যুৎ বিল আদায় নিদিয়া উল্লেখযোগ্য প্ৰতিষ্ঠানসমূহ হ'ল ভেৰগাঁও আইটিআইৰ প্ৰায় দুই লাখ ৬০ হেজাৰ টকা, খৈৰাবাৰী পিডব্লিউডিৰ কাৰ্যালয়ৰ প্ৰায় এক লাখ ৫০ হেজাৰ টকা, টংলা চিত্ৰনগৰস্থিত বন বিভাগৰ বিট অফিচৰ প্ৰায় ২৪ হেজাৰ টকা, খৈৰাবাৰী শিশু উন্নয়ন কেন্দ্ৰৰ প্ৰায় ৩৫ হেজাৰ টকা, হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ মণ্ডল বেৰেকৰ প্ৰায় পাঁচ লাখ ১৩ হেজাৰ টকা, ভেৰগাঁও জিলা পুথিভঁৰালৰ প্ৰায় ৪৫ হেজাৰ টকা আৰু ভেৰগাঁও পশু চিকিৎসা কেন্দ্ৰৰ প্ৰায় ১৯ হেজাৰ টকা। ইতিমধ্যে উক্ত আটাইকেইটা প্ৰতিষ্ঠানৰ বিদ্যুৎ সংযোগ কৰ্তন কৰিছে টংলা বৈদ্যুতিক উপ-সংমণ্ডল কাৰ্যালয়ে। আনহাতে, বিদ্যুৎ বিল আদায় নিদিয়া বাবে টংলা পৌৰসভাৰ কিছু অংশত পদপথৰ লাইটৰ বিদ্যুৎ সংযোগ কৰ্তন কৰিছে। বিদ্যুৎ বিল পৰিশোধ নকৰা গ্ৰাহক তথা প্ৰতিষ্ঠানসমূহক নাকী লগাবলৈ বিদ্যুৎ কৰ্তন কৰি এসেকা দিছে যদিও যুগান্তকাৰী পদক্ষেপলৈ দৃষ্টান্তমূলক শাস্তি নিদিলে বিদ্যুৎ চুৰিকাণ্ড তথা জালিয়াতি সদায় হৈ থাকিব বুলি সচেতন মহলে জনাইছে।

## হাম ছোৱালী জুনিয়ৰ মহাবিদ্যালয়ত তদন্তকাৰী বিষয়াৰ সন্মুখতে উদ্ভণ্ডালি

# মৈৰাবাৰীত পৰিচালনা সমিতিৰ সদস্য-অপসাৰিত সভাপতিৰ থৈয়া-নথৈয়া ৰণ

**অগ্ৰদূত বাৰ্তা**
**ভুৰাগাঁও, ৩ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী হাম ছোৱালী জুনিয়ৰ কলেজৰ এক অভিযোগ সন্দৰ্ভত তদন্ত কৰিবলৈ আজি প্ৰশাসনীয় বিষয়া উপস্থিত হোৱাৰ সময়তে দুটা পক্ষৰ থৈয়া-নথৈয়া ৰণে আজি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আনকি মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক মুস্তাফা ছহিদুল ইছলামে দুই প্ৰশাসনীয় মহিলা বিষয়াৰ সন্মুখতে কৰ্তৃপক্ষক চেণ্ডেল খুলি প্ৰহাৰ কৰিবলৈ যোৱা ঘটনাও সংঘটিত হয়। উল্লেখ্য যে এই মহাবিদ্যালয়খন এইবাৰ চৰকাৰীকৰণ হ'ব বুলি তালিকাভুক্ত হৈছিল যদিও অধ্যক্ষা চালেহা বেগমৰ প্ৰমাণপত্ৰ জালিয়াতিৰ অভিযোগত চৰকাৰীকৰণ তালিকাৰ পৰা কৰ্তন কৰা হয়। উল্লেখ্য যে চালেহা বেগম ধিং সমষ্টিৰ প্ৰাক্তন বিধায়ক ছহিদুল ইছলামৰ তৃতীয়া পত্নী। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হোৱাৰ সুবাদতে প্ৰাক্তন বিধায়কজনে ভুৱা প্ৰমাণপত্ৰৰ সহায়ত চালেহাক অধ্যক্ষাৰূপে নিযুক্তি দিছিল; কিন্তু অধ্যক্ষাগৰাকীৰ জালিয়াতিৰ বাবে বাকী পদসমূহো চৰকাৰীকৰণ কৰা নহ'ল। ইয়াকে লৈ বাকীসকলো ক্ষুব্ধ হৈ অধ্যক্ষাৰ কোঠাত তলা লগাই এঘৰীয়া কৰি সভাপতিজনক অপসাৰণ কৰে। অধ্যক্ষা পত্নীৰ কাৰ্যালয়ত কিয় তলা লগাব বুলি প্ৰশ্ন কৰি ইছলামে মৰিগাঁও উপায়ুক্তৰ ওচৰত এক অভিযোগ দাখিল কৰে। সেই অভিযোগৰ ভিত্তিত আজি উপায়ুক্ত সীমাৰেখা ভূঞাৰ প্ৰতিনিধিৰূপে অতিৰিক্ত উপায়ুক্ত অৰুন্ধতি নৰহ মিপুনৰ লগতে আই এছ বুলি গগৈ ভূঞাই তদন্ত কৰিবলৈ আহে। কিন্তু তদন্তকাৰী বিষয়াদ্বয়ে দুয়োপক্ষক বহুৱাই আলোচনা কৰিব ধৰোতে প্ৰতিষ্ঠাকালৰ সদস্য বুলি দাবী কৰা জহিৰুল ইছলাম নামৰ লোকজনৰ স'তে সভাপতি বুলি দাবী কৰা প্ৰাক্তন বিধায়কজন থৈয়া-নথৈয়া ৰণত লিপ্ত হয়। দুয়োজনে দুয়োজনকে অশ্ৰাব্য ভাষাৰে গালি-গালাজ কৰি সাংবাদিকৰ কেমেৰাৰ সন্মুখতে ইজনে-সিজনক আক্ৰমণ কৰিবলৈ উদ্যত হয়। দুয়োগৰাকী মহিলা বিষয়াই উচ্চ শিক্ষানুষ্ঠানখনত সন্মুখীন হোৱা অস্বস্তিকৰ পৰিৱেশৰ বাবে দুয়োপক্ষকে আৰক্ষীৰ সহায় ল'ব বুলি সকীয়াই দি নিয়ন্ত্ৰণৰ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। দুয়োপক্ষই গালি-গালাজ কৰাতে ক্ষান্ত নাথাকি প্ৰাক্তন বিধায়কজনে চেণ্ডেল খুলি হাতত লৈ প্ৰহাৰ কৰিবলৈ উদ্যত হয়। জহিৰুল ইছলামে প্ৰাক্তন বিধায়কজনক চাকৰি দিয়াৰ নামত টকা খোৱা বুলি অভিযোগ কৰাৰ বিপৰীতে অধ্যক্ষা চালেহা আৰু ছহিদুলে জহিৰুলে বৰ্তমান উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰীৰ নামভৰ্তিৰ নামত হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰা বুলি অভিযোগ কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক শংকৰ ডেকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ৩ জুলাই ঃ** ভৱানীপুৰ নহাটীৰ অৱসৰপ্ৰাপ্ত শিক্ষক শংকৰ ডেকা (৮৫)ৰ আজি দুপৰীয়া নিজ বাসভৱনত মৃত্যু হয়। ৭৬ নম্বৰ ভৱানীপুৰ এক নম্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডেকাই ২০০২ত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ দীৰ্ঘদিন ধৰি শ্বাসপ্ৰশ্বাসজনিত ৰোগত ভুগি আছিল। বিভিন্ন সামাজিক কামত জড়িত অৱসৰী প্ৰধান শিক্ষকজনে মৃত্যুৰ সময়ত পত্নীৰ স'তে দুই পুত্ৰ আৰু এগৰাকী বিবাহিতা কন্যাৰ লগতে আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়। শিক্ষকজনৰ মৃত্যুত ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

# গোৱালপাৰাত দুই মহিলাসহ তিনি বাংলাদেশী নাগৰিক ধৃত

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩ জুলাই ঃ** গোৱালপাৰা আৰক্ষীয়ে কালি দুগৰাকী মহিলাসহ তিনিজন বাংলাদেশৰ নাগৰিকক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে অভয়াপুৰীৰ নম্বৰপাৰা প্ৰথম খণ্ডৰ আব্দুল খালেক (৭৫) নামৰ ব্যক্তিজনকো গ্ৰেপ্তাৰ কৰা হয়। বাংলাদেশী লোককেইজনৰ ভিতৰৰ মহিলা দুগৰাকী হ'ল দেশখনৰ বাঘেৰহাট জিলাৰ মোৰেলাগঞ্জ আৰক্ষী থানাৰ আন্তৰ্গত আমতলী বজাৰৰ আবু তালেব শ্বেখৰ পত্নী কৰিমা তালুকদাৰ (২০) আৰু সোণাকাছি বজাৰৰ নুৰজামাল খানৰ পত্নী নাছৰিণ খান (২৭)। ধৃত লোকজন হ'ল বাঘেৰঘাট জিলাৰে মঙলাগাঁৱৰ প্ৰয়াত জলিল খানৰ পুত্ৰ আব্দুল খান (৫৫)। আব্দুল খানে সদৰী কৰা মতে, তেওঁলোকে বাংলাদেশৰ বাঘেৰঘাট সীমান্তৰে ভাৰতত প্ৰৱেশ কৰি বাংগালুৰুলৈ গৈছিল। তাত বিগত নমাহ এটা প্লাষ্টিক উদ্যোত শ্ৰমিকৰূপে কৰ্মৰত আছিল। বাংগালুৰুতে মহিলাগৰাকীয়ে জালিয়াতিৰে আধাৰ কাৰ্ডো বনাইছিল বুলি আব্দুলে সদৰী কৰে। শেহতীয়াকৈ তেওঁলোকে বাংলাদেশলৈ যাবলৈ বিচাৰিছিল। এই ক্ষেত্ৰত আব্দুল খালেকসহ তিনিজন লোকে তেওঁলোকক মানকাচাৰত থৈ অহাৰ দায়িত্ব লৈ ১০ হেজাৰ টকা আদায় কৰিছিল। কিন্তু যোৱা পহিলা জুলাইত অভয়াপুৰী বাছআস্থানৰ পৰা সেই দুজন লোকে পলায়ন কৰে। তাৰ পাছত আব্দুল খালেকে তিনিওকে বগুৱানত এনিশা থকাৰ ব্যৱস্থা কৰি দিছিল। বহুৱানৰ পৰা কালি পঞ্চৰত্নলৈ অহাৰ পথত নৰনাৰায়ণ সেঁতুৰ সমীপৰ পৰা দলংখনৰ পহৰা চকীৰ আৰক্ষীয়ে তিনিওকে সন্দেহবশতঃ কৰায়ত্ত কৰে। আব্দুল খানে জনোৱা মতে, যি দুজন লোকে টকা লৈ পলায়ন কৰে তেওঁলোকৰ লগত বাংগালুৰুত থকা সময়তে পৰিচয় হৈছিল। সেই সূত্ৰে তেওঁলোক তিনিও অভয়াপুৰীৰ নম্বৰপাৰাত উপস্থিত হৈছিল। আজি আব্দুল খানক দুদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰাৰ বিপৰীতে বাকীসকলক জেল হাজোতলৈ প্ৰেৰণ কৰা হয়।

# স্বাস্থ্য কেন্দ্ৰৰ চৰম গাফিলতিৰ বাবে ই-ৰিক্সাতে মৃত সন্তান প্ৰসৱ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ জুলাই ঃ** স্বাস্থ্য কেন্দ্ৰৰ গাফিলতিৰ বাবে বিশ্বনাথত এগৰাকী গৰ্ভৱতী মহিলাই ই-ৰিক্সাতে মৃত সন্তান প্ৰসৱ কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশ্বনাথৰ খৰাশিমলু গাঁৱৰ স্বাস্থ্য কেন্দ্ৰত যোৱা নিশা ফটিকাবস্তিৰ এগৰাকী গৰ্ভৱতী মহিলাই স্বাস্থ্যৰ অৱনতি ঘটাত স্বামী আৰু আশাকৰ্মীয়ে ভৰ্তি কৰিছিল। কেন্দ্ৰটোত থকা মনজিত কুৰ্মী নামৰ স্বাস্থ্য বিষয়াজনে মহিলাগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ প্ৰদান কৰাত ঘৰলৈ লৈ যায়। কিন্তু ঔষধ সেৱন কৰি পেটৰ বিষত আক্ৰান্ত হোৱাত উজাগৰি নিশা কটাই পৰিয়ালৰ লোকে মহিলাগৰাকীক পুৰা পুনৰ এখন ই-ৰিক্সাত স্বাস্থ্য কেন্দ্ৰলৈ নিয়াৰ পথতে এটা মৃত সন্তান প্ৰসৱ কৰে। কিন্তু তাৰ পাছতো পৰিয়ালৰ কাকূতি-মিনতিত গুৰুত্ব প্ৰদান নকৰিলে কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীয়ে। তাৰ সলনি মহিলাগৰাকী বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পৰামৰ্শ দিয়ে। সম্প্ৰতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে মহিলাগৰাকী। ইয়াকে লৈ মহিলাগৰাকীৰ স্বামীৰ লগতে একাংশ সচেতন লোকে তীব্ৰ ক্ষোভ উজাৰিছে স্বাস্থ্য কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে।

# শিক্ষক ছয়দুৰ ৰহমান ভূঞাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৩ জুলাই ঃ** হোজাই জিলাৰ নীলবাগানৰ সমীপৰ মোবাৰক বস্তি গাঁৱৰ বাসিন্দা তথা পশ্চিম নোৱাবিল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ছয়দুৰ ৰহমান বৰভূঞা (৫৪)ৰ আজি পুৱা ৯-৩০ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজৰ স'তে জড়িত বৰভূঞাই মৃত্যুৰ সময়ত শিক্ষয়িত্ৰী পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি জামাল আহমেদ, হোজই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহাম্মদ বৰভূঞা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা কমিটীৰ সভাপতি কফিলউদ্দিন বৰভূঞা, যমুনাপৰীয়া শাখা সাহিত্য সভা, নিউ ষ্টাৰ ক্লাব, নীলবাগান ক্ৰীড়া সন্থা, জোনাকী নিউজ চেণ্টাৰ, নীলবাগান আঞ্চলিক কৰ্মচাৰী পৰিষদে শোক প্ৰকাশ কৰিছে।

## তেজপুৰত শ্ৰম বিভাগৰ নৱনিৰ্মিত কাৰ্যালয় গৃহ উদ্বোধন মন্ত্ৰী কিষাণৰ

# চাহ বাগিচাৰ শ্ৰমিকৰ মাজত প্ৰতিষেধক-পৰীক্ষাগাৰক লৈ অপপ্ৰচাৰ চলোৱা হৈছে

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৩ জুলাই ঃ** তেজপুৰত আজি সহকাৰী শ্ৰম আয়ুক্ত কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন মুকলি কৰে ৰাজ্য চৰকাৰৰ শ্ৰম আৰু শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে। বৰছলাৰ বিধায়ক গণেশ লিম্বু, ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী আৰু শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ অংশগ্ৰহণেৰে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী কিষাণে কয় যে প্ৰায় তিনি কোটি ৩০ লাখ টকা ব্যয়ৰে এই কাৰ্যালয় ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁ ৰাজ্যত বৰ্তমান শ্ৰম বিভাগৰ এনে ১১টা কাৰ্যালয় নিৰ্মাণ কৰা হৈছে বুলিও সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেজপুৰত আজি উদ্বোধন কৰা কাৰ্যালয়টোৰ লিফ্‌ট আৰু কিছু ৰং কৰিবলৈ বাকী থকা বুলিও তেওঁ কয়। শ্ৰমিকসকলৰ কাম যাতে একেদিনাই আৰু সন্মান সহকাৰে কৰি দিয়া হয় তাৰ বাবেও শ্ৰম বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়া হৈছে বুলি মন্ত্ৰীজনে প্ৰকাশ কৰে। আনহাতে, ৰাজ্যৰ চাহ বাগিচা অঞ্চলত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে কয় যে চাহ বাগিচা অঞ্চলত সজাগতা সৃষ্টি কৰা হৈছে আৰু ইয়াত প্ৰতিষেধক প্ৰদানৰ কামো চলি আছে। তেওঁ এই ক্ষেত্ৰত স্বাস্থ্য বিভাগে যথাসম্ভৱ কাম কৰি থকা বুলি মন্তব্য প্ৰকাশ কৰি কয় যে যিসমূহ চাহ বাগিচা অঞ্চলত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে তেনে অঞ্চলসমূহত এশ শতাংশ কৰ'নাৰ পৰীক্ষা আৰু প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰী কিষাণে কয় যে চাহ বাগিচাসমূহত বৰ্তমান ট্ৰেড ইউনিয়ন, ছাত্ৰ সংগঠন, স্বেচ্ছাসেৱী সংগঠন, আৰক্ষী তথা প্ৰশাসনে স্বাস্থ্য বিভাগক পূৰ্ণ সহযোগিতা আগবঢ়াইছে আৰু শ্ৰমিকসকলৰ মনৰ পৰা বৰ্তমান কৰ'নাৰ পৰীক্ষা তথা প্ৰতিষেধক গ্ৰহণৰ ক্ষেত্ৰত ভয় দূৰ হৈছে। তেওঁ অভিযোগ কৰে যে ৰাজ্য চাহ বাগিচাসমূহত প্ৰথম অৱস্থাত চাহ শ্ৰমিকসকলক কৰ'না সংক্ৰমণৰ পৰীক্ষা কৰিবলৈ গ'লে কৰ'না সংক্ৰমণ হ'ব বুলি আৰু প্ৰতিষেধক ল'লে সন্তান জন্ম দিয়াৰ ক্ষমতা হেৰুৱাব বুলি অপপ্ৰচাৰ চলোৱা হৈছিল। এতিয়া চাহ শ্ৰমিকসকলৰ মাজত এনে অপপ্ৰচাৰৰ ফলত সৃষ্ট ভ্ৰান্ত ধাৰণা নোহোৱা হৈছে বুলিও তেওঁ কয়। চাহ বাগিচাসমূহত শ্ৰমিক থকা লাইনসমূহ ওচৰাওচৰি বাবেও সংক্ৰমণ বৃদ্ধি পাইছে। কৰ'নাৰ প্ৰথমটো ঢৌৱে চাহ বাগিচা অঞ্চলত প্ৰভাৱ পেলোৱা নাছিল যদিও ২০২১ৰ দ্বিতীয়টো ঢৌৱে যথেষ্ট প্ৰভাৱ পেলোৱাৰ বিষয়ে প্ৰকাশ কৰি তেওঁ চাহ বাগিচাত এশ শতাংশ প্ৰতিষেধক প্ৰদান কৰা হ'ব বুলিও কয়।



# টংলাত বিজেপিৰ মাস্ক-ছেনিটাইজাৰ বিতৰণ



**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩ জুলাই ঃ** বিশ্বজুৰি ভয়-আতংক-সন্ত্ৰাস সৃষ্টি কৰা ক'ভিড-১৯ অতিমাৰীৰ পৰা ৰাইজক সুৰক্ষিত কৰিবলৈ আজি টংলা চহৰত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুজিত সৰকাৰ, খালিংদুৱাৰ বিজেপিৰ যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক পাৰ্থ সেন আৰু মুদৈবড়ি বিজেপিৰ যুৱ মৰ্চাৰ সম্পাদক সুমন সাহাৰ নেতৃত্বত মাস্ক আৰু হেণ্ড ছেনিটাইজাৰ বিতৰণ কৰে। টংলা চহৰৰ সকলোবোৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ গৈ ব্যৱসায়ীসকলৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণৰ লগতে টংলা গ্ৰাম্য স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, নাৰ্ছ আৰু স্বাস্থ্যকৰ্মীসকলৰ লগতে টংলা চহৰত কৰ্তব্যৰত আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ লোকৰ মাজতো বিতৰণ কৰে মাস্ক আৰু ছেনিটাইজাৰ। তদুপৰি পথচাৰী, মটৰ চাইকেল আৰোহী, ই-ৰিক্সা চালককো হেণ্ড ছেনিটাইজাৰ আৰু মাস্ক বিতৰণ কৰে। ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য সুজিত সৰকাৰ নেতৃত্বাধীন দলটোৱে ক'ভিড-১৯ৰ ভয়াৱহতাৰ বিৰুদ্ধে যুঁজিবলৈ ৰাইজে সদায় সজাগ-সচেতন হ'ব লাগিব বুলি কয়।

## শিৱসাগৰৰ গ্ৰামাঞ্চলৰ সমস্যাৰ বুজ ল'লে বিধায়ক গগৈয়ে

# শিৱসাগৰক বিশ্বৰ ভিতৰত শক্তিশালী পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব

**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা**

**শিৱসাগৰ/নাজিৰা, ৩ জুলাই ঃ** এবছৰ ছমাহ কাৰাৰুদ্ধ হৈ থকা কৃষক নেতা অখিল গগৈয়ে মুক্তি লাভ কৰি কালি শিৱসাগৰলৈ অহাৰ পাছত আজি শিৱসাগৰৰ হাঁহচৰা পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন গ্ৰামাঞ্চলৰ সমস্যাৰ বুজ লয়। হাঁহচৰাবাসী ৰাইজে অখিল গগৈক আদৰণি জনায়। কাষৰ পৰা বিধায়ক অখিল গগৈক লগ পাবলৈ পথৰ কাষলৈ ওলাই আহে হেজাৰ হেজাৰ ৰাইজ। বিধায়কজনে হাঁহচৰা পঞ্চায়তৰ অন্তৰ্গত হাঁহচৰা, চেৰেকাপাৰ, সিংহদুৱাৰ, নপাম চেতিয়া গাঁও, কুজিবালি, নগাগাঁও দয়াচাৰিআলি আদি বিভিন্ন অঞ্চলৰ ৰাইজৰ সমস্যাৰ বুজ লৈ হাঁহচৰা পঞ্চায়তৰ অন্তৰ্গত ৰাইজক অতি শীঘ্ৰে সমস্যাসমূহ সমাধান হ'ব বুলি আশ্বাস দিয়ে। শিৱসাগৰৰ পৰ্যটন কেন্দ্ৰসমূহৰ নতুন ৰূপ দি অতি কমদিনৰ ভিতৰত পৰ্যটকৰ চকুত লগাকৈ শিৱসাগৰক বিশ্ব দৰবাৰত গঢ়ি তোলাৰ লগতে শিৱসাগৰৰ গ্ৰামাঞ্চলৰ বিভিন্ন সমস্যা ৰাস্তা-ঘাট, মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰতো বিশেষ ব্যৱস্থা ল'ব গগৈয়ে। শিৱসাগৰৰ হাঁহচৰা নপাম চেতিয়া গাঁৱৰ শ শ বিঘা গেজিং মাটি কৃষকৰ বাবে সুবিধা কৰি কৃষিৰ উপযোগী কৰি তোলাৰ প্ৰয়াস কৰিব বিধায়কজনে। চৰকাৰে শিৱসাগৰৰ উন্নয়নৰ বাবে ধনৰ আবণ্টন নিদিলেও যিকোনো উপায়েৰে শিৱসাগৰ সমষ্টি উন্নয়নত এইবাৰ নামি পৰিব বুলি ৰাইজৰ আগত ব্যক্ত কৰে। শিৱসাগৰৰ হাঁহচৰা, নগাগাঁও, মণিপুৰী গাঁও আদিকে ধৰি ভালেকেইটা অঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰে চহকী। সেইসমূহ জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ ভেটি সুদৃঢ় কৰাৰ উদ্দেশ্যে শিৱসাগৰৰ যিকোনো প্ৰান্তত পৰ্যটকৰ বাবে এখন সুকীয়া মঞ্চ দিয়াৰ লগতে নিবনুৱাসকলক এক কৰ্মসংস্থাপনৰ বাট মুকলি কৰাৰ আশ্বাস দিয়ে। ইয়াৰ পাছতে আটাছুৰ প্ৰাক্তন মুখ্য উপদেষ্টা যুৱ নেতা প্ৰয়াত অশ্বিনী চেতিয়াৰ হাঁহচৰা নপাম চেতিয়া গাঁৱৰ বাসগৃহলৈ গৈ শিৱসাগৰৰ নৱনিৰ্বাচিত বিধায়ক গগৈয়ে চেতিয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-বন্তি জ্বলাই সেৱা কৰাৰ লগতে পৰিয়ালৰ খা-খবৰ লয়।



ইপিন, শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ কাৰামুক্ত হোৱাৰ পাছত আজি উপস্থিত হয় গৃহ সমষ্টিত। শ শ শুভাকাংক্ষীৰ আদৰণিৰে সমষ্টিত পদাৰ্পণ কৰাৰ পাছত আজি গগৈয়ে পৰিদৰ্শন কৰে শিৱসাগৰৰ বহুকেইটা ঐতিহাসিক স্থান। বিধায়কজনে পৰিদৰ্শন কৰে ঐতিহাসিক জয়সাগৰ পুখুৰী। জয়সাগৰ পুখুৰীৰ পাৰত উপস্থিত হৈ তাত থকা জয় দৌল, দেৱী দৌল, ঘনশ্যাম মন্দিৰ আৰু ৰুদ্ৰ সিংহ উদ্যান পৰিদৰ্শন কৰে। তাৰ পাছতে বিধায়কজনে উপস্থিত হয় জয়মতী মৈদাম, হৰ গৌৰী দেৱালয়ত। পৰিদৰ্শন কৰে ঐতিহাসিক তলাতল ঘৰ। ইয়াৰ পূৰ্বে বিধায়ক গগৈয়ে পুৱাই ঐতিহাসিক শিৱসাগৰ পুখুৰীৰ পাৰত প্ৰাতঃ ভ্ৰমণ কৰি পুখুৰীৰ পাৰ, ঐতিহাসিক শিৱ দৌল চৌহদ আৰু যমুনা পৰিদৰ্শন কৰি বৰ্তমানৰ অৱস্থাৰ বুজ লয়। তেওঁ দিখৌ নদীৰ ওপৰত থকা কপিকল যুক্ত দলংখনৰো বৰ্তমান অৱস্থাৰ বুজ লয়। পৰিদৰ্শন কালত ঐতিহাসিক স্থানসমূহৰ বেদখল প্ৰত্যক্ষ কৰি উদ্বিগ্ন হৈ পৰে বিধায়কজন।

## চামগুৰিত বিদ্যালয়ৰ তলা ভাঙি লক্ষাধিক টকাৰ কম্পিউটাৰ লুট

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৩ জুলাই ঃ** সান্ধ্য আইনৰ মাজতে যোৱা নিশা নগাঁও জিলাৰ চামগুৰি পূৰ্ণিমা শইকীয়া উচ্চ ইংৰাজী বিদ্যালয়ত তলা ভাঙি লক্ষাধিক টকা মূল্যৰ কম্পিউটাৰ ছেটসহ খেলৰ সামগ্ৰী চুৰি হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক নগেন চন্দ্ৰ বৰাই জনোৱা মতে, আজি পুৱা কাৰ্যালয়ৰ কাম কৰিবলৈ আহি বিদ্যালয়ৰ তলা ভঙা দেখি হতভম্ব হৈ পৰে। পাছত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অতুল চন্দ্ৰ নাথক খবৰ দিয়াত তেওঁ বিদ্যালয়ত উপস্থিত হৈ সমগ্ৰ ঘটনা প্ৰত্যক্ষ কৰে। লগে লগে চুৰি হোৱা ঘটনা সন্দৰ্ভত চামগুৰি থানাত এজাহাৰ দাখিল কৰাত ঘটনাস্থলীত চামগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণকান্ত দলে উপস্থিত হৈ ঘটনাৰ বুজ লৈ তদন্ত আৰম্ভ কৰিছে। বিদ্যালয়খনৰ পৰা চোৰৰ দলে তলা ভাঙি তিনিটা কম্পিউটাৰ ছেটৰ সামগ্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে খেলিবলৈ ব্যৱহাৰ কৰা খেলৰ সামগ্ৰী চুৰি কৰি নিয়ে বুলি প্ৰধান শিক্ষক বৰাই জানিব দিয়ে।

# জুৰীয়াত ড্ৰাগছৰ অবাধ প্ৰচলন বন্ধ কৰাৰ দাবীত ৰাইজৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৩ জুলাই ঃ** জুৰীয়াত ড্ৰাগছ ব্যৱসায়ীৰ উদ্ভণ্ডালিত অতিষ্ঠ হৈ পৰা ৰাইজে আজি ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। যুৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া ড্ৰাগছ ব্যৱসায়ীক কৰায়ত্ত কৰাৰ দাবীত এইবাৰ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিল ৰাইজ। জুৰীয়াৰ বালুগুটিয়াত ক্ষুব্ধ শতাধিক ৰাইজে ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। বালুগুটিয়াত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই অহা ইকবাল আহমেদ ওৰফে সাগৰৰ গ্ৰেপ্তাৰৰ দাবীত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ড্ৰাগছ মাফিয়াজনৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰা একাংশ লোকে জুৰীয়া আৰক্ষীত অভিযোগ দাখিল কৰিছিল যাৰ পৰিণতিত দুদিন পূৰ্বে মাইনুল হক চৌধুৰী নামৰ এজন অভিযোগকাৰীক ছুৰিকাঘাট কৰি আহত কৰাৰ অভিযোগ উত্থাপন হৈছে এইজন ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে। বৰ্তমানে পলাতক হৈ থকা ইকবালক আটক কৰি কঠোৰ শাস্তি দিয়াৰ লগতে অঞ্চলটোত বৃদ্ধি পাই অহা ড্ৰাগছ, মদ, ভাঙৰ প্ৰচলন বন্ধৰ কঠোৰ ব্যৱস্থা ল'বলৈ দাবী জনাই ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে।

## সাহিত্য সেৱী বিনু গোস্বামীৰ জীৱন আধাৰিত স্মৃতিগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৩ জুলাই ঃ** অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম নাট্য সন্মিলনৰ আজীৱন সভ্য, অসম সত্ৰ মহাসভাৰ আজীৱন সভ্য, চলচলি শাখা সাহিত্য সভাৰ উপদেষ্টা, সাহিত্য সেৱী, নগাঁও জিলাৰ চলচলিস্থিত শ্ৰীশ্ৰী জগৱাল সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ নৰেন্দ্ৰ গোস্বামীৰ পত্নী বিনু গোস্বামীৰ জীৱন আধাৰিত স্মৃতিগ্ৰন্থখন আজি শ্ৰীশ্ৰী জগৱাল সত্ৰ প্ৰাংগণত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে জনাৰ্দন গোস্বামীয়ে। উন্মোচনী ভাষণত তেওঁ কয় যে বিনু গোস্বামী আছিল এগৰাকী সমাজ হিতৈষী, মহীয়সী মহিলা। সাহিত্য সভা, নাট্য সন্মিলন তথা সত্ৰীয়া ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ কথা তেওঁ শ্ৰদ্ধাৰে স্মৰণ কৰে। উক্ত সভাত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হেৰম্ব প্ৰসাদ গোস্বামী, সমাজকৰ্মী পুষ্পেন্দ্ৰ শৰ্মা, সত্ৰখনৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ অন্যতম সম্পাদক প্ৰান্তিক গোস্বামী, বিশিষ্ট সংস্কৃত পণ্ডিত লোহিত শৰ্মা প্ৰমুখ্যে কে'বাজনো গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# মুকালমুৱা ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক আদৰ্শ হাইস্কুল ঘোষণা

**মুকালমুৱা, ৩ জুলাই ঃ** বৰক্ষেত্ৰী সমষ্টিৰ ঐতিহ্যমণ্ডিত মুকালমুৱা ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক বিধায়কৰ আদৰ্শ হাইস্কুল ঘোষণা কৰা কাৰ্যই বৰক্ষেত্ৰীৰ শৈক্ষিক মহলত চৰ্চা লাভ কৰিছে। যোৱা দুই জুলাইত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে বিদ্যালয়খনত উপস্থিত হৈ বিধায়কৰ আদৰ্শ হাইস্কুল যোজনাত অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰে। বিদ্যালয়খনৰ অধ্যক্ষ সুদৰ্শন পাঠকৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত কৰি উক্ত সভাতেই বিধায়কজনে উক্ত ঘোষণা কৰে। বিধায়ক বৰ্মনে বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰ মুকালমুৱাত অৱস্থিত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ নামত থকা এই বিদ্যালয়খন উক্ত আঁচনিৰ অন্তৰ্ভুক্ত কৰা কাৰ্যত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকলে সন্তোষ প্ৰকাশ কৰে। উল্লেখ্য যে জিলাখনৰ ভিতৰতে সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা এই বিদ্যালয়খনৰ পৰা বিগত সময়ত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। বিধায়কৰ আদৰ্শ হাইস্কুলত অন্তৰ্ভুক্ত এই বিদ্যালয়খনত বিশুদ্ধ খোৱাপানী, অবিৰত পানী যোগানৰ স'তে স্বাস্থ্য সন্মত অনাময় ব্যৱস্থা, বিদ্যুৎ যোগান, আন্তঃ আৰু বহিঃ ক্ৰীড়া মণ্ডল, যোগাভ্যাস কেন্দ্ৰ, পুথিভঁৰাল আৰু অধ্যয়ন কোঠা, কম্পিউটাৰ কক্ষ, বিজ্ঞানগাৰ, ভাষা তত্ত্ব চৰ্চা কেন্দ্ৰ, পৰীক্ষাগাৰ, গণিত শাস্ত্ৰ পৰীক্ষাগাৰ, প্ৰকৃতি সংঘ, জলপান গৃহ, জৈৱিক আৰু উদ্ভিদ উদ্যান, পৰামৰ্শদান কেন্দ্ৰ, বৃত্তি আৰু ব্যক্তিত্ব বিকাশ কেন্দ্ৰ, পাঠ্যক্ৰম বহিৰ্ভূত বিষয় চৰ্চা (চিত্ৰ কলা, সংগীত, নৃত্য), বৃত্তিমুখী প্ৰশিক্ষণ কেন্দ্ৰ, আধুনিক প্ৰেক্ষাগৃহ, প্ৰাথমিক চিকিৎসা কেন্দ্ৰ, দিব্যাংগ শিক্ষাৰ্থীৰ বাবে বিশেষ সা-সুবিধা আদিৰ ব্যৱস্থা থাকিব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ছয় জুনত এক পত্ৰ যোগে ৰাজ্যৰ প্ৰতিগৰাকী বিধায়কক নিজৰ নিজৰ সমষ্টিত বিধায়কৰ আদৰ্শ হাইস্কুল যোজনাত একো একোখন বিদ্যালয়ৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে পত্ৰ জাৰি কৰিছিল।

## ছাত্ৰ নেতা বুদ্ধেশ্বৰ দাসৰ মৃত্যু ঃ দল-সংগঠনৰ শোক



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ নেতা, সমাজকৰ্মী বুদ্ধেশ্বৰ দাস (৪৩)ৰ যোৱা নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। নগাঁও চহৰৰ সমীপৰ বেঙেনাআটিৰ বাসিন্দা বুদ্ধেশ্বৰ দাস ২৯ জুনৰ সন্ধিয়া মৰিকলং বৰঘাটত এক মটৰ চাইকেল দুৰ্ঘটনাত পতিত হয়। গুৰুতৰভাৱে আহত দাসক লগে লগে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে সেই নিশাই গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। তিনিদিন মৃত্যুৰ স'তে যুঁজি অৱশেষত যোৱা নিশা নিয়তিৰ ওচৰত হাৰ মানিলে। ২০০১ৰ পৰা অসম জাতীয়তাবাদী যুৱ পৰিষদৰ লগত জড়িত দাসে ২০১১ৰ পৰা সংগঠনটোৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব বৰ্তমানলৈকে পালন কৰিছিল। তদুপৰি তেওঁ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য আছিল। বিগত সময়ত 'কা' বিৰোধী আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা দাসে নগাঁৱত জাতীয়তাবাদী আন্দোলনক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি বৰঘাট, মৰিকলং, বেঙেনাআটি অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ লগত জড়িত বুদ্ধেশ্বৰ দাস অঞ্চলটোত জনপ্ৰিয় যুৱ নেতা হিচাপে পৰিচিত আছিল। দাসৰ মৃত্যুত বৃহত্তৰ বৰঘাট, মৰিকলং, বেঙেনাআটি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। আজি দাসৰ মৃতদেহ ঘৰ আহি পোৱাৰ লগে লগে অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। তেওঁৰ মৃতদেহ লৈ অঞ্চলটোত এক শোক সমদল উলিওৱা হয়। তেওঁৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কাৰ্যকৰী সভাপতি প্ৰণৱ মহন্ত, সাধাৰণ সম্পাদক কনক ভৰালী, মুখ্য উপদেষ্টা প্ৰদীপ ভূঞা, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি ভবেন বৰা, অসম গণ পৰিষদৰ সাংগঠনিক সম্পাদক মণি মাধৱ মহন্ত, প্ৰাক্তন ছাত্ৰ নেতা ইন্দ্ৰজিৎ কলিতা, গোলাপ শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰচাৰ সম্পাদক প্ৰবীণ দাস, বিজেপিৰ ভোটাই পাথৰি মণ্ডলৰ উপ-সভাপতি বুধেন শইকীয়া, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, অসম জাতীয় পৰিষদৰ নগাঁও জিলা সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি আদি বিভিন্ন সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। তদুপৰি পৰিষদৰ নীল বাগান, ভেলেউগুৰি, কামপুৰ পাথৰি, কঠিয়াতলি, ননৈ, নগাঁও সদৰ আঞ্চলিক সমিতি আদিয়েও শোক প্ৰকাশ কৰে। বুদ্ধেশ্বৰ দাসৰ প্ৰতি স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত মাতৃ, পত্নী, পুত্ৰ এৰি থৈ যায়।

# সম্ভাব্য বানৰ বাবে চক্ৰ বিষয়াক সাজু থকাৰ নিৰ্দেশ বৰপেটা উপায়ুক্তৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা/কলগাছিয়া, ৩ জুলাই ঃ** বৰপেটা জিলাৰ সম্ভাব্য বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে আজি বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত চলিত প্ৰবল বৃষ্টিপাতৰ ফলত জিলাখনত হ'ব পৰা বান, দুৰ্যোগজনিত পৰিস্থিতিৰ বাবে সকলো চক্ৰ বিষয়াকে সম্পূৰ্ণ প্ৰস্তুত হৈ থাকিবলৈ উপায়ুক্তই নিৰ্দেশ দিয়ে। প্ৰতিটো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু ক্ষেত্ৰ বিষয়াসকলক নিজ নিজ অঞ্চলৰ চুকে-কোণে ঘূৰি সম্ভাব্য যিকোনো দুৰ্যোগৰ পূৰ্বানুমান লৈ সুৰক্ষামূক প্ৰচেষ্টা হাতত ল'বলৈও উপায়ুক্তই পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে এইবেলি



সম্ভাব্য বান দুৰ্যোগৰ মুখামুখি হোৱা বাবে ইতিপূৰ্বে চাৰিখনকৈ বৈঠক অনুষ্ঠিত হৈছিল যদিও বদলীৰ সূত্ৰে জিলাখনৰ চাৰিটাকৈ ৰাজহ চক্ৰত চাৰিজন নতুন চক্ৰ বিষয়াই যোগদান কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক পালনীয় কৰ্তব্যসমূহৰ বিষয়ে অৱগত কৰা হয়। এইবেলি আশ্ৰয় শিবিৰসমূহত ক'ভিড নিয়মাৱলীৰ সঠিক পালনৰ ওপৰতো উপায়ুক্তই গুৰুত্ব আৰোপ কৰে। দুৰ্যোগৰ সঁহাৰি অতি খৰতকীয়া আৰু কাৰ্যকৰী হ'ব লাগিব বুলি ভূচালে সকলোকে সকীয়াই দিয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত আৰু নৱজিৎ পাঠক আৰু আটাইবোৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু ক্ষেত্ৰ বিষয়াসকল উপস্থিত থাকে।

## জুৰীয়াত জব্দ লক্ষাধিক টকাৰ মূল্যৰ হেৰ'ইন

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৩ জুলাই ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত দগাঁও ধিংগাঁৱৰ ৰহমান নামৰ ড্ৰাগছ ব্যৱসায়ীৰ ঘৰত যোৱা দুই জুলাইৰ বিয়লি অভিযান চলাই আৰক্ষীয়ে মৰিগাঁও জিলাৰ দক্ষিণ ছিলপুখুৰী গাঁৱৰ খাজাল উদ্দিন নামৰ এটা ড্ৰাগছ সৰবৰাহকাৰীক বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক কৰে। মৰিগাঁৱৰ খাজাল উদ্দিনে জুৰীয়াৰ হিফজুৰ ৰহমানৰ ঘৰত ড্ৰাগছ ক্ৰয় কৰিবলৈ আহিছিল। গোপন খবৰৰ ভিত্তিত হিবজুৰ ৰহমান নামৰ ড্ৰাগছ ব্যৱসায়ীজনৰ বাসগৃহত অভিযান চলাই জব্দ কৰে ১১,৭ গ্ৰাম হেৰ'ইন, নগদ ৩৬ হেজাৰ টকাসহ দুখন মটৰ চাইকেল। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোক আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে যদিও মূল ব্যৱসায়ী হিবজুৰ ৰহমান পলাই সাৰিবলৈ সক্ষম হয়।

## দুৰ্ঘটনাত স্বামীক হেৰুৱাই পাঁচ কণমানিক বুকুত সাবটি জীৱন সংগ্ৰাম মণিকাৰ



**বিশেষ সংবাদদাতা**

**পাঠশালা, ৩ জুলাই ঃ** বজালী জিলাৰ তিতকা গাঁৱৰ এটি পৰিয়ালৰ কৰুণ গাথা। দুৰ্ঘটনা সংঘটিত হৈ স্বামীৰ মৃত্যুৰ পাছত পাঁচ কণমানি সন্তানক বুকুত সাবটি জীৱন সংগ্ৰাম চলাইছে দুৰ্ভগীয়া মণিকা চৌধুৰীয়ে। ই-ৰিক্সা চলাই নিজৰ পৰিয়ালটোক পোহপাল দিয়া স্বামী ধৰ্মেন্দ্ৰ চৌধুৰী যোৱা ২৮ মে'ত সংঘটিত এক দুৰ্ঘটনাত মৃত্যু হয়। তেতিয়াৰ পৰাই পাঁচ কণমানিক বুকুত সাবটি পৰিয়ালটো পোহপাল দিয়ে মণিকাই। স্বামীৰ মৃত্যুৰ পাছৰেই পৰাই ঘোৰ অমানিশা নামি আহিছে পৰিয়ালটোলৈ। চকুপানীৰে বাট নেদেখা হৈছে মণিকাই। বিভিন্নজনৰ সহায়-সহযোগিতাৰে পৰিয়ালটোক পোহপাল দিয়া মণিকাৰ দুৰ্দশাৰ কথা অৱগত হৈ কালি পৰিয়ালটোৰ কাষত উপস্থিত হয় মন্ত্ৰী তথা পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰঞ্জিত দাস। পৰিয়ালটোৰ কাষত উপস্থিত হৈ মন্ত্ৰী দাসে পৰিয়ালটোৰ দুৰৱস্থাৰ কথা বুজ লয়। পৰিয়ালটোৱে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত এটি গৃহ লাভ কৰিছিল যদিও টকাৰ অভাৱত সম্পূৰ্ণ কৰিব নোৱাৰিলে গৃহটো। প্লাষ্টিকৰ চালেৰে এটি সৰু পাকঘৰ সাজিছিল যদিও বৰষুণ আহিলে পানী সৰকি পৰে। ইপিনে, উজলা আঁচনিৰে গেছ লাভ কৰিছিল যদিও আৰ্থিক দুৰৱস্থাৰ বাবে চিলিণ্ডাৰ ক্ৰয় কৰিব নোৱাৰে। পৰিয়ালটোৰ এই দুৰ্বিষহ জীৱন প্ৰত্যক্ষ কৰি মন্ত্ৰী দাসে মণিকাক আৰ্থিক সাহায্য প্ৰদান কৰে। ভৱিষ্যতৰ দিনত পৰিয়ালটোৰ ক্ষেত্ৰত সংস্থাপনৰ কিবা ব্যৱস্থা গ্ৰহণৰ কথা প্ৰকাশ কৰে মন্ত্ৰী দাসে।

### মন্ত্ৰী ৰঞ্জিত দাসৰ সাহায্য

## বৰপেটাত ১০ জুলাইত ৰাষ্ট্ৰীয় লোক আদালত

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩ জুলাই ঃ** ৰাজ্যৰ অন্যান্য অংশৰ লগতে বৰপেটা জিলাতো অহা ১০ জুলাইৰ দিনা ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। আদালতসমূহত দীঘলীয়া সময় ধৰি বিচাৰাধীন হৈ থকা গোচৰ বাথ বিবাদসমূহ দ্ৰুততাৰে নিষ্পত্তি কৰাৰ বাবে গ্ৰহণ কৰা এই কাৰ্যসূচী অনুসৰি সেই দিনা জিলাখনৰ সত্ৰ ন্যায়ালয়, পাৰিবাৰিক আদালত, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তিকৰণ ন্যায়াধিকৰণ, মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত আদি সকলো আদালততে ক'ভিড নিয়মাৱলী মানি এইবেলি কিছু ব্যতিক্ৰমী ৰূপত লোক আদালত অনুষ্ঠিত কৰা হ'ব। এইবেলি কৰ'না মহামাৰীজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যিমান সম্ভৱ ভাৰ্চুৱেল পদ্ধতিৰেও গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তেওঁ জনোৱা মতে, এই উদ্দেশ্যে নিয়োজিত মধ্যস্থতাকাৰীসকলৰ জৰিয়তে গোচৰৰ উভয় পক্ষৰ মাজ টেলিফোনযোগে বা ভিডিঅ' কলযোগে বাৰ্তালাপ কৰি ১০ জুলাইৰ পূৰ্বেও আপোচ মীমাংসাৰ প্ৰয়াস চলোৱা হ'ব। এই সম্পৰ্কত অধিক জানিবলৈ আগ্ৰহীসকলে ৬০২৬৭৩৫৩৫০ ফোন নম্বৰত জিলা ন্যায়িক সেৱা প্ৰাধিকাৰীৰ স'তে যোগাযোগ কৰিব পাৰে।

# নলবাৰীত ফচল বীমা যোজনাৰ অধীনত ২০ হেজাৰ কৃষকক সামৰি লোৱাৰ লক্ষ্য

### জিলা উপায়ুক্তৰ অধ্যক্ষতাত বৈঠক

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ জুলাই ঃ** নলবাৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত গীতিমণি ফুকনৰ অধ্যক্ষতাত আজি প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ সন্দৰ্ভত এক পৰ্যালোচনামূলক বৈঠক অনুষ্ঠিত হয়। উক্ত সভাত জিলা কৃষি বিষয়াই কয় যে চলিত বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত নলবাৰী জিলাৰ কেচিচি ঋণ লোৱা-নোলোৱা সকলো কৃষকক সামৰি ২০ হেজাৰ কৃষকক পঞ্জীয়ন কৰাৰ বাবে লক্ষ্য ধাৰ্য কৰা হৈছে। জিলা কৃষি বিষয়াই লগতে জনায় যে শালি ধানৰ ক্ষেত্ৰত চলিত বৰ্ষৰ বাবে প্ৰতি বিঘাত ১৫৮.৪০ টকা আৰু প্ৰতি হেক্টৰত ১,১৮৮ টকা প্ৰিমিয়াম হিচাপে কৃষকসকলে আদায় দিব লাগিব। ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ বাবে চলিত ৩১ জুলাই অন্তিম দিন হিচাপে ধাৰ্য কৰা হৈছে। জিলা উপায়ুক্তই জিলা কৃষি বিষয়া তথা কৃষি বিভাগৰ আন সকলো বিষয়াবৰ্গক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ফচল বীমা যোজনাৰ সকলো পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। পঞ্জীয়ন প্ৰক্ৰিয়া যাতে সময়মতে নিয়াৰিকৈ তথা মসৃণভাৱে সমাপন কৰিব পৰা যায় তাৰ বাবে উপায়ুক্তই উক্ত বৈঠকতেই বীমা কোম্পানীসমূহক কৃষি উন্নয়ন বিষয়াসকলৰ সহায়ক হোৱাকৈ পৰ্যাপ্ত পৰিমাণৰ ফৰ্ম যোগান ধৰাৰ বাবে উনুকিয়াই দিয়ে। তেওঁ লীড বেংকৰ পৰিচালকক এক পৰীক্ষণ চলাই ফচল বীমা যোজনাৰ আওতালৈ আনিব পৰা বিভিন্ন বেংকৰ অধীনত কেচিচি ঋণ লোৱা কৃষকসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। কৃষি বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্তগৰাকীয়ে জিলা কৃষি বিষয়াক ফচল বীমা যোজনাৰ সমূহ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সুবিধা হোৱাকৈ এক হোৱাটছএপ গ্ৰুপ আৰম্ভ কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত অতিৰিক্ত উপায়ুক্ত (কৃষি) জিলা বিভাগৰ মুৰব্বী বিষয়া তথা অন্যান্য বিষয়াবৰ্গ, লীড বেংকৰ মেনেজাৰ, বিভিন্ন বেংকৰ শাখা প্ৰবন্ধকসকল, কেভিকে আৰু বীমা কোম্পানীৰ বিষয়া-কৰ্মচাৰী তথা অন্যান্য সংশ্লিষ্টসকল উপস্থিত থাকে।

## টিহুৰ ভাল্লা চ'কত ৫০ কিলোগ্ৰাম গাঞ্জা জব্দ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩ জুলাই ঃ** ৰাজ্যজুৰি ড্ৰাগছ, সুৰা, গাঞ্জাকে ধৰি নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই থকাৰ সময়তে কালি ৩১ নম্বৰ পথৰ নলবাৰী জিলাৰ টিহুৰ ভাল্লা চ'কত বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ হয়। নাথকুছি পহৰা চকীৰ বিষয়া অনুপজ্যোতি পাটগিৰিৰ নেতৃত্বত আৰক্ষী অভিযানকাৰী দলে ঘাইপথৰ টিহুৰ ভাল্লা চ'কৰ ওপৰত তালাচী চলাই এখন অল্ট' গাড়ীৰে ৩১ ঘাইপথেৰে বৰমালৈ নি থকা অৱস্থাত নাথকুছি পেট্ৰ'লিং পোষ্টৰ আৰক্ষীৰ তালাচীত গাড়ীখনৰ ডিকিৰ পৰা উদ্ধাৰ হয়। আৰক্ষীয়ে গাড়ীখনত অহা গাঞ্জা সৰবৰাহকাৰী আচাব দৈমাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয় যদিও গাড়ীচালক তথা আনজন সৰবৰাহকাৰী পলায়ন কৰে।

## ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ আঁচনি গ্ৰহণ কৰাৰ দাবী

### গোৱালপাৰা জিলা চিপিআই (এম)ৰ বিত্তমন্ত্ৰীক আবেদন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ জুলাই ঃ** বিত্তমন্ত্ৰী অজন্তা নেওগে আগন্তুক বাজেটৰ বাবে ৰাইজৰ পৰামৰ্শ বিচৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ গোৱালপাৰা জিলা সমিতিয়ে আজি গোৱালপাৰা জিলাৰ খহনীয়া ৰোধৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। সংগঠনটোৰ জিলা সম্পাদক ননী দাসে উত্থাপন কৰা দাবীসমূহ হ'ল ক্ৰমে গোৱালপাৰা জিলাক ব্ৰহ্মপুত্ৰৰ বান-খনহীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে স্থানীয় বান্ধ নিৰ্মাণ, এছিয়াৰ ভিতৰত বৃহৎ কল বজাৰ দৰংগিৰিত কল ভিত্তিত উদ্যোগ স্থাপন আৰু জিলাখনত প্ৰচুৰ উৎপাদন হোৱা ৰাবাৰ ভিত্তিত উদ্যোগ স্থাপন কৰি নিবনুৱাক সংস্থাপনৰ পথ মুকলি, কৃষকৰ উৎপাদিত ফচলৰ ন্যায্য মূল্য পোৱাৰ বাবে জিলাখনৰ আঠটা উন্নয়ন খণ্ডতে একোটাকৈ শীতল গৃহ নিৰ্মাণ, জিলাখনৰ স্বাস্থ্য উন্নয়নৰ বাবে গোৱালপাৰা সৈনিক স্কুল আৰু ৰাইজৰ আবেদনমৰ্মে এছচিচিপিৰ আঁচনিৰ পুঁজিৰে ১৯৯৫তে নিৰ্মাণ কৰা মৰনৈত ৩০খন বিছনাযুক্ত চিকিৎসালয়খন মুকলি কৰাৰ আঁচনি গ্ৰহণ, ৪৬ নম্বৰ দুধনৈ-পঞ্চৰত্ন ৰাজ্যিক ঘাইপথ ডুবাপাৰাৰ পৰা বিওচিলৈ থকা (প্ৰায় ১০ কিলোমিটাৰ) অৰ্ধনিৰ্মিত ৰাস্তা নিৰ্মাণৰ আঁচনি গ্ৰহণ আদি অন্যতম।

# তেজপুৰৰ দেৱীসিং ঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়া

## সংকটত চিকিৎসা মহাবিদ্যালয়ৰ পানী যোগান প্ৰকল্প

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ জুলাই ঃ** তেজপুৰৰ অন্যতম বনভোজ ক্ষেত্ৰ হিচাপে পৰিচিত দেৱীসিং ঘাটত ব্ৰহ্মপুত্ৰৰ ব্যাপক খহনীয়া আৰম্ভ হৈছে। উল্লেখ্য যে দ' পৰ্বতীয়া অঞ্চলৰ বহুসংখ্যক লোকৰ কৃষিভূমি থকা এই অঞ্চলটোত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধিৰ লগে লগেই এক পকনীয়াৰ সৃষ্টি হৈছে আৰু খহনীয়াৰ মাত্ৰা বৃদ্ধি পাইছে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ পানী যোগানৰ বাবে স্থাপন কৰা পানী যোগান প্ৰকল্পটোও খহনীয়াৰ কবলত পৰিছে। উল্লেখ্য যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঢেকিয়াজুলিস্থিত তেজপুৰ দুই নম্বৰ সংমণ্ডলৰ অধীনত নিৰ্মাণ কৰা এই প্ৰকল্পৰ কাম ২০২০তহে সম্পূৰ্ণ হৈছিল আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ইয়াৰ পৰা পানী যোগান ধৰা হয়। প্ৰকল্পটোৰ তদাৰকৰ দায়িত্বও চিকিৎসা মহাবিদ্যালয় হাস্পতালেই কৰে। ধেনুখন্দা পাহাৰৰ দাঁতিৰ এই অংশৰ খহনীয়াত পানী যোগান প্ৰকল্পটোৰ পাৰ ইতিমধ্যে খহাই নিছে। বৰ্তমান ইয়াত পানী যোগান প্ৰকল্পৰ কাষতে এখন বাৰ্জ আছে আৰু এই সমগ্ৰ অংশই খহনীয়াৰ কবলত পৰিছে। স্থানীয় ৰাইজে প্ৰকাশ কৰা অনুসৰি বৰ্তমান দেৱীসিং ঘাটৰ পাৰৰ এটা বৃহৎ অংশ বহি গৈছে আৰু যিকোনো সময়তে এই অংসটো খহনীয়াত জাহ যোৱাৰ আশংকা বৃদ্ধি পাইছে। উল্লেখ্য যে তেজপুৰৰ বিভিন্ন অঞ্চলৰ পৰা ইয়ালৈ আহি ব্ৰহ্মপুত্ৰ আৰু প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিবলৈ বহা অংশটো এই খহনীয়াৰ কবলত পৰিছে। প্ৰণিধানযোগ্য তেজপুৰৰ এই দেৱীসিং ঘাটত ব্ৰহ্মপুত্ৰৰ পানীত বহু সংখ্যক শিহু দেখিবলৈ পোৱা যায়। আনহাতে, যোৱা সময়ছোৱাত ইয়াত জলসম্পদ বিভাগে জিঅ' বেগৰে খহনীয়া প্ৰতিৰোধী আঁচনি ৰূপায়ণ কৰিছিল। এই আঁচনিৰ বাবে বৰ্তমান স্থানীয় ৰাইজৰ কৃষিভূমি সুৰক্ষিত হৈ থকা বুলি ৰাইজে প্ৰকাশ কৰি লগতে কয় যে বৰ্তমান খহনীয়া হৈ থকা স্থানটো জিঅ' বেগ পেলোৱা হৈছিল যদিও ইয়াত কিন্তু খহনীয়া ৰোধ হোৱাৰ পৰিবৰ্তে বৃদ্ধিহে পাইছে। বৰ্তমান খহনীয়াক্ৰান্ত অংশত ব্ৰহ্মপুত্ৰৰ পানী আৰু বৃদ্ধি পালেই খহনীয়া অধিক বৃদ্ধি পোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে।



## প্ৰতিষ্ঠিত মীনপালক শুক্লেশ্বৰ ব্ৰহ্মৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩ জুলাই ঃ** নলবাৰী জিলা ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খাতিকুছি গাঁও নিৱাসী তথা ৰাজ্যৰ এজন প্ৰতিষ্ঠিত মীন ব্যৱসায়ী শুক্লেশ্বৰ ব্ৰহ্ম (৬৪)ৰ কালি পুৱা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ব্ৰহ্মৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তিয়ে তেওঁৰ গৃহত আহি ভিৰ কৰে। মে'ৰ শেষভাগত জ্বৰ-কাহ হোৱাত চিকিৎসকৰ পৰামৰ্শ মতে ক'ভিড পৰীক্ষাত কৰ'নাত আক্ৰান্ত হয় যদিও আঠ জুলাইত পুনৰ পৰীক্ষা কৰাত তেওঁ কৰ'নাৰ পৰা মুক্ত হয়। কিন্তু যোৱা এক জুলাইত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটি ব্ৰহ্মৰ মৃত্যু হয়। মীন পালকৰ সমান্তৰালভাৱে তেওঁ এসময়ত গাহৰিৰ ব্যৱসায় কৰি বছৰি লাখ লাখ টকা উপাৰ্জন কৰাৰ লগতে আন ১০ জনক সংস্থাপন দিছিল। তেওঁ জীৱিত অৱস্থাত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱা, প্ৰাক্তন বিধায়ক অশোক শৰ্মা, মদন কলিতা, ঘগ্ৰাপাৰ প্ৰেছ ক্লাব, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী জিলা এছ টি মৰ্চা সভাপতি হিতেশ ব্ৰহ্ম, খাতিকুছি অগপ সমিতি, বড়িগোগ বনভাগ ব্লক কংগ্ৰেছ, খাতিকুছি-সাগৰকুছি দুৰ্গা মন্দিৰ সমিতি, পশ্চিম বনভাগ আঞ্চলিক সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী বিকন বড়োকে ধৰি একমাত্ৰ পুত্ৰ সন্তান আৰু দুই বিবাহিতা জীয়ৰীৰ লগতে গুণমুগ্ধক ইহ সংসাৰত এৰি যায়।



বলিউদত পৰৱৰ্তী সময়ত লাকী আলী, ৰেম' ফাৰ্ণাণ্ডেজ, চনু নিগম, দিলজিৎ সিং দোছাঞ্জ, ইলা অৰুণ, কৱিতা কৃষ্ণমূৰ্তি, হিমেশ ৰেছমিয়া, ৰাগেশ্বৰী আদি সংগীত শিল্পীয়ে অভিনয়ো কৰিছিল। কিন্তু অভিনয় শিল্পীয়ে ছবিত গীত গোৱাৰ উদাহৰণ বৰ কম।

# অভিনয়ৰ সমান্তৰালকৈ সংগীতত অৰিহণা

**কিংবদন্তি** কিশোৰ কুমাৰে এসময়ত অভিনয় আৰু সংগীত সমানে অব্যাহত ৰাখিছিল। যদিও তেওঁক এগৰাকী সংগীত শিল্পীৰূপেহে স্মৰণ কৰা হয়। বলিউদত পৰৱৰ্তী সময়ত লাকী আলী, ৰেম' ফাৰ্ণাণ্ডেজ, চনু নিগম, দিলজিৎ সিং দোছাঞ্জ, ইলা অৰুণ, কৱিতা কৃষ্ণমূৰ্তি, হিমেশ ৰেছমিয়া, ৰাগেশ্বৰী আদি সংগীত শিল্পীয়ে অভিনয়ো কৰিছিল। কিন্তু অভিনয় শিল্পীয়ে ছবিত গীত গোৱাৰ উদাহৰণ বৰ কম। এসময়ৰ তাৰকা অভিনেতা অশোক কুমাৰ, কাননবালা আদি দুই-এক অভিনয় শিল্পীয়ে ছবিত গীত গাইছিল। সেইদৰে অমিতাভ বচ্চন, শ্বাহৰুখ খান, সঞ্জয় দত্ত আদিয়েও দুই-এটা গীতত কণ্ঠদান কৰিছে। বিগত কিছু বছৰত বলিউদৰ অভিনেতা-অভিনেত্ৰীয়ে ছবিত গীত গোৱাৰ সংখ্যা কিছু বৃদ্ধি পাইছে।


এই সকলৰ ভিতৰত অন্যতম হৈছে প্ৰিয়ংকা চোপ্ৰা জ'নাছ। অভিনয়ৰ সমান্তৰালকৈ প্ৰিয়ংকা সংগীততো পাৰদৰ্শী। তেওঁৰ 'দেশী গাৰ্ল' শীৰ্ষক এলবামে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল। ইয়াৰ উপৰি প্ৰিয়ংকাই 'কৰিম' ছবিৰ বাবে গোৱা 'তিনকা তিনকা' শীৰ্ষক গীতটোৰেও প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল।

বলিউদৰ ছবিৰ অন্যতম প্ৰতিভাৱান অভিনেতাৰূপে পৰিচিত ফাৰহান আখতাৰ। 'ৰক অন' ছবিত ফাৰহানৰ অভিনয়ৰ সমান্তৰালকৈ তেওঁৰ গীতেও সকলোকে মুগ্ধ কৰিছিল। দেশৰ বিভিন্ন স্থানত সংগীত পৰিৱেশন কৰি ফাৰহানে নিজকে সংগীত শিল্পীৰূপেও প্ৰতিষ্ঠিত কৰিছে। বলিউদৰ আন এজন প্ৰতিভাৱান অভিনেতা আয়ুষ্মান খুৰানা। আয়ুষ্মানো এজন কণ্ঠশিল্পীৰূপে পৰিচিত। তেওঁৰ অভিষেক ছবি 'ভিকি ড'নাৰ'ৰ এটি গান 'পানী দ্য ৰং' আয়ুষ্মানৰ কণ্ঠত ছুপাৰহিট হৈছিল। উল্লেখ্য যে বলিউদৰ ছবিত আয়ুষ্মানে এই পৰ্যন্ত যিমান গান গাইছে, প্ৰতিটো গানেই ছুপাৰহিট হৈছে।



জ্যেষ্ঠ ভগ্নী প্ৰিয়ংকাৰ দৰেই মিঠা সুৰীয়া কণ্ঠৰ অধিকাৰিনী অভিনেত্ৰী পৰিণীতি চোপ্ৰা। 'মেৰী প্যাৰী বিন্দু' ছবিত পৰিণীতিয়ে প্ৰথম গান গাইছিল। ছবিখন হিট নহ'লেও পৰিণীতিৰ কণ্ঠৰ 'মানা কি হমে প্যাৰ নেহি' শীৰ্ষক গীতটো হিত হৈছিল। ইয়াৰ পাছত 'কেশৰী' ছবিতো পৰিণীতিয়ে গোৱা গীতৰ প্ৰশংসা কৰিছিল স্বয়ং প্ৰিয়ংকাই। তাৰকা অভিনেত্ৰী আলিয়া ভাটে প্ৰায়ে কয় যে অৰিজিৎ সিং তেওঁৰ প্ৰিয় কণ্ঠ শিল্পী। অৰিজিতৰ গীতৰ বিভিন্ন অনুষ্ঠানত আলিয়া উপস্থিত থাকে। 'হাম্পতি শৰ্মা কি দুলহনীয়া' ছবিত আলিয়াই নিজে এটি গীতত কণ্ঠদান কৰিছিল। 'ছমঝাৰাঁ' শীৰ্ষক গানটো দ্ৰুতগতিৰে জনপ্ৰিয় হৈছিল। ইয়াৰ উপৰি আলিয়াই গোৱা 'এক কুৰি', 'লাভ ইউ জিন্দেগী' আৰু 'হমছফৰ' শীৰ্ষক গীতকেইটিও জনপ্ৰিয় হৈছিল।

এটা সময়ত 'গোলাম' ছবিত আমিৰ খানে গীত গাইছিল। তেওঁৰ কণ্ঠৰ 'আতি ক্যা খাণ্ডালা' শীৰ্ষক গীতটো ছুপাৰহিট হৈছিল। পৰৱৰ্তী সময়ত আমিৰে অভিনয় কৰা 'দংগল' ছবিতো তাৰকাজনে এটা গীতত কণ্ঠদান কৰিছিল। এই ক্ষেত্ৰত পিছ পৰি থকা নাই ছলমান খানো। গীত গোৱাৰ বাবে ছলমান আনকি বিতৰ্কতো সোমাইছিল। তথাপি তেওঁ 'বডিগাৰ্ড', 'হেংঅ'ভাৰ', 'জগ ঘুমেয়া', 'ম্যে হু হিৰো তেৰা' শীৰ্ষক গীত কেইটি গাইছিল। ইয়াৰ উপৰি সোণাক্ষী সিনহাও ইতিমধ্যে ছবিত গীত গাইছে।







# শিশু নাট্য সাহিত্য সৃষ্টিৰ সেন্দূৰীয়া পথত বিতোপন দত্ত



**আজন্ম** সঞ্চিত প্ৰতিভাৰ লগত স্বনামধন্য গুৰুসকলে প্ৰদান কৰা শিক্ষাৰ সংমিশ্ৰণ ঘটাই স্বপ্ৰতিভাৰ স্ফুৰণ ঘটাবলৈ সক্ষম হোৱা এগৰাকী যুৱ প্ৰজন্মৰ নাট্যকাৰ-আবৃত্তিকাৰ-অভিনেতা তথা প্ৰগতিশীল কবি-লেখক বিতোপন দত্ত। উল্লেখ্য যে প্ৰথিতযশা নাট্যকাৰসকলে দেখুৱাই যোৱা নাট্য সাহিত্য সৃষ্টিৰ সেন্দূৰীয়া পথেদি বাট বুলিছে বিতোপনে। একাগ্ৰতা, সাধনা আৰু প্ৰচুৰ অধ্যয়নশীলতাৰ জৰিয়তে নীৰৱতাৰে নাট্য সাহিত্য সৃষ্টিৰ যাত্ৰা অব্যাহত ৰাখিছে। স্নাতক ডিগ্ৰীধাৰী বিতোপনৰ ঘৰ কৃষ্টি-সংস্কৃতিৰে জীপাল হৈ থকা গোলাঘাটৰ লক্ষীবাৰীৰ বৰজানত। শৈশৱৰ সোণোৱালী সময়ৰ পৰা অভিনয়-কবিতা সৃষ্টি কৰি শেহতীয়াকৈ কে'বাখনো শিশু উপযোগী একাংক নাট্য সাহিত্য ৰচনা কৰি অঞ্চলটোত সমাদৃত হৈছে। তেওঁ ৰচিত নাটক ফলক, পৰাজিত সৈনিক, অধিকাৰ, একে পথৰ যাত্ৰী, পৰিৱৰ্তন, ভুল পদক্ষেপ আদি। তদুপৰি মহাবিদ্যালয়ত অধ্যয়নৰত জীৱন পৰিক্ৰমাত শ্ৰেষ্ঠ সাহিত্যিক বঁটা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। গীত ৰচনাৰ ক্ষেত্ৰতো জড়িত বিতোপনে যুটীয়াভাৱে হাস্য-ব্যংগ ভিচিডি ছবি ৰামটাঙনৰ চিত্ৰনাট্য-কাহিনী আৰু সংলাপ ৰচনা কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ সমান্তৰালকৈ তেওঁ পূৰ্বতে গুৱাহাটীত সাংবাদিকতাৰ কৰ্মজীৱন আৰম্ভ কৰি বৰ্তমান সংশ্লিষ্ট বৃত্তি এৰি শিক্ষকতাৰ দৰে পবিত্ৰ সেৱাত ব্ৰতী হৈছে। যুৱ প্ৰজন্মৰ নাট্যকাৰজনৰ এই যাত্ৰা অবৰ্তমানলৈকে অব্যাহত থাকক এয়া অগ্ৰদূত গোষ্ঠীৰ পৰা আশীৰ্বাদ জ্ঞাপন কৰিলো।

# চয়নিকা বৈশ্যৰ কণ্ঠত নতুন গীত 'গোপনে গোপনে বহু কথা' শুভমুক্তিৰ বাবে সাজু

কবিতা প্ৰডাকচনৰ বেনাৰত নিৰ্মিত দেৱজিত বৰাৰ কথা, প্ৰশান্ত বৰদলৈৰ সুৰ আৰু ধ্ৰুৱজ্যোতি বৈশ্যই সংগীত পৰিচালনা কৰা চয়নিকা বৈশ্যৰ কণ্ঠত 'মনে মনে কিয় আহি' শীৰ্ষক গীতটি অভূতপূৰ্ব জনপ্ৰিয়তাৰ পাছত পুনৰ এটি নতুন গীত চয়নিকা বৈশ্যৰ কণ্ঠদানেৰে শুভমুক্তিৰ বাবে ইতিমধ্যে সাজু হৈ উঠিছে। পূৰ্বৰ দৰেই এইবাৰো ধ্ৰুৱজ্যোতি বৈশ্যই সংগীত পৰিচালনা কৰা 'গোপনে গোপনে বহু কথা' শীৰ্ষক গীতটিৰ কথা কবি, গীতিকাৰ দেৱজিত বৰাৰ। গীতটিৰ সুৰ কৰিছে যশস্বী সংগীত শিল্পী তথা জ্যেষ্ঠ সুৰকাৰ, সংগীত পৰিচালক জে পি দাসে। উল্লেখ্য যে ছ'চিয়েল মিডিয়া যোগে সংগীতৰ ক্ষেত্ৰখনত প্ৰতিভাৰ পৰিচয় দাঙি ধৰা যুৱ প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী চয়নিকা বৈশ্যই অতীতৰ গৰ্ভত হেৰাই যাব ধৰা বহু জনপ্ৰিয় গীত বুটলি আনি অসমীয়া সংগীতৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰাৰ লগতে এক নতুন মাত্ৰা প্ৰদান কৰিছে। দীৰ্ঘদিন সংগীতপ্ৰেমী শ্ৰোতা, দৰ্শকক সুৱদী কণ্ঠৰে মুগ্ধ কৰি অহা চয়নিকা বৈশ্যৰ কণ্ঠত পূৰ্বৰ দৰেই এইবাৰো 'গোপনে গোপেন বহু কথা'ৰ মাজত এক নতুনত্বৰ স্বাদ বিচাৰি পাব বুলি কবিতা প্ৰডাকচনৰ স্বত্বাধিকাৰী কবিতা বুঢ়াগোহাঁয়ে কাকতলৈ দিয়া এক প্ৰেছ বাৰ্তা যোগে জানিবলৈ দিয়ে। অতি শীঘ্ৰে মুক্তি লাভ কৰিব লগা শীৰ্ষক গীতটিৰ ভিডিঅ' Kabita Production আৰু Chayonika Baishya নামৰ ইউটিউব চেনেল যোগে উপলব্ধ হ'ব।



ক'ভিড-১৯ত আপোনজনক হেৰুৱাটো অতি বেদনাদায়ক।
এই কঠিন পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে কিঞ্চিত সহায়।

অসম চৰকাৰ

## মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধৱা সাহায্য আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

চলিত মহামাৰীৰ সময়ত বহুতে নিজৰ আপোনজনক হেৰুৱাইছে। ক'ভিড-১৯ৰ ফলত স্বামীহাৰা হোৱা সকলো মহিলাক সামাজিক আৰু বিত্তীয় সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যৰে অসম চৰকাৰে 'মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধৱা সাহায্য আঁচনি' নামেৰে এক বিশেষ পদক্ষেপ আৰম্ভ কৰিছে। আঁচনিখনৰ অধীনত এই সংকটৰ সময়ত এনে মহিলাসকলক ২,৫০,০০০ টকাৰ এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব।

### যোগ্যতাৰ চৰ্তাৱলী

- হিতাধিকাৰীগৰাকী অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।
- হিতাধিকাৰীগৰাকীৰ স্বামী মৃত্যুৰ সময়ত ক'ভিড পজিটিভ হৈ থকাৰ লগতে এই তথ্য ৰাজ্যিক পৰ্যায়ৰ 'ক'ভিড ডেথ্ অডিট বৰ্ড'ৰ দ্বাৰা প্ৰমাণীকৃত হ'ব লাগিব।
- হিতাধিকাৰীগৰাকী নিম্ন আয়ৰ পৰিয়ালৰ হ'ব লাগিব যাৰ বাৰ্ষিক উপাৰ্জন ৫ লাখ টকাৰ অধিক নহয়।
- 'অৰুণোদয়' আৰু 'বিধৱা পেঞ্চন' আঁচনিৰ হিতাধিকাৰীসকলেও এই আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব।
- চৰকাৰী কৰ্মচাৰীৰ বিধৱাসকলক এই আঁচনিৰ অধীনত সামৰি লোৱা নহ'ব। তেওঁলোকে চৰকাৰী নিয়মানুসৰি পাৰিবাৰিক পেঞ্চন লাভ কৰিব।

### ৰূপায়ণৰ প্ৰক্ৰিয়া

- উক্ত আঁচনিৰ অধীনত সেৱা লাভৰ বাবে হিতাধীকাৰী সকলে নিজ জিলা উপায়ুক্তসকলক পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰিব ।
- উপায়ুক্তসকলে ক'ভিডত মৃত্যু হোৱা ব্যক্তি সংক্ৰান্তীয় এনএইচএমৰ ডাটাবেছৰ পৰা যোগ্য হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিব। যোগ্যতাৰ চৰ্তাৱলী অনুসৰি তালিকাখন পৰীক্ষা কৰা হ'ব। প্ৰমাণীকৰণৰ পিছত, হিতাধিকাৰীৰ একাউণ্টলৈ ধন হস্তান্তৰ কৰা হ'ব।
- যোগ্যতাৰ চৰ্ত পূৰণ কৰা স্বত্বেও যদি কোনো ব্যক্তিৰ নাম তালিকাত উল্লেখ নাথাকে, তেন্তে তেওঁ সংশ্লিষ্ট উপায়ুক্তৰ ওচৰত প্ৰয়োজনীয় নথিপত্ৰৰ সৈতে অভিযোগ দাখিল কৰিব পাৰে।

### প্ৰয়োজনীয় নথিপত্ৰ

- হিতাধিকাৰীয়ে প্ৰতিটো যোগ্যতাৰ চৰ্ত পূৰণ কৰা বুলি উপায়ুক্তৰ প্ৰমাণপত্ৰ।
- বেঙ্কৰ বিৱৰণ যেনে একাউণ্ট নম্বৰ, বেঙ্কৰ নাম আৰু শাখা, আইএফএছচি ক'ড ইত্যাদি।

জনসংযোগ/ডিএফ/২৯১/২১



# ১০ জনৰে খেলি ছেমিফাইনেলত ব্ৰাজিল





## পাৰাগুৱেক হৰুৱাই কোপা আমেৰিকাৰ অন্তিম চাৰিত পেৰু

**ছাও পাওলো, ৩ জুলাই ঃ** 10 জনৰে খেলিও চলিত কোপা আমেৰিকা ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ব্ৰাজিল। আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত ডিফেণ্ডিং চেম্পিয়ন তথা নবাৰকৈ কোপা আমেৰিকাৰ খিতাপ লাভ কৰা ব্ৰাজিলে একমাত্ৰ গ'লত চিলিক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ব্ৰাজিলৰ হৈ খেলৰ 46 মিনিটত বিজয়সুচক গ'লটো কৰে লুকাছ পাকুৱেটাই। উল্লেখ্য যে খেলৰ প্ৰথমাৰ্ধ গ'লশূন্য হোৱাৰ পাছত দ্বিতীয়াৰ্ধৰ আৰম্ভনিতে ব্ৰাজিলে গ'লটো দিয়ে যদিও 46 মিনিটত জেছুছক ৰঙা কাৰ্ড দেখুওৱাত ব্ৰাজিলে 10 জনৰে খেলিব লগা হয়। কিন্তু ইয়াৰ সুযোগ চিলিক ল'ব নিদিলে ব্ৰাজিলে।



ছেমিফাইনেলত ব্ৰাজিল মুখামুখি হ'ব পেৰুৰ। আজি অনুষ্ঠিত আনখন কোৱাৰ্টাৰ ফাইনেলত পেৰুই টাইব্ৰেকাৰৰ জড়িয়তে 4–3 গ'লৰ ব্যৱধানত পৰাস্ত কৰে পৰাগুৱেক। নিৰ্ধাৰিত সময়ত মেচখন 3–3 গ'লত ড্ৰ হয় তথা উভয় দলৰ এজনকৈ খেলুৱৈয়ে ৰঙা কাৰ্ড লাভ কৰে। উল্লেখ্য যে ক্ৰমাগত 10 খন মেচত জয়লাভ কৰাৰ পাছত ব্ৰাজিলে অন্তিম মেচত ইকুৱেডৰৰ বিৰুদ্ধে 1–1 ত ড্ৰ খেলি জয়যাত্ৰাৰ যবনিকা পেলায়। কিন্তু দল এতিয়াও অপৰাজেয়। উল্লেখ্য যে 2019 ৰ 15 নবেম্বৰত ব্ৰাজিল অন্তিমবাৰৰ বাবে পৰাস্ত হৈছিল আৰ্জেণ্টিনাৰ বিৰুদ্ধে। তাৰপাছত ব্ৰাজিলে ক্ৰমাগত 10 খন মেচত জয়লাভ কৰিছিল। কিন্তু অন্তিম মেচত ব্ৰাজিলে খেলৰ 37 মিনিটত মিলিটাঅ'ৰ গ'লেৰে 1–0 ৰ অগ্ৰগতি লয় যদিও ইকুৱেডৰে 53 মিনিটত মেনাৰ গ'লেৰে মেচখন ড্ৰ কৰিবলৈ সক্ষম হয়। অৱশ্যে ব্ৰাজিল গ্ৰুপৰ শীৰ্ষ হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ব্ৰাজিলে 2–1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল কলম্বিয়াক। আনহাতে, ব্ৰাজিলে দ্বিতীয়খন গ্ৰুপ মেচত পেৰুক 4–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইয়াৰপূৰ্বে ডিফেণ্ডিং চেম্পিয়ন ব্ৰাজিলে কোপা আমেৰিকা ফুটবলৰ উদ্বোধনী মেচত জয়লাভ কৰি প্ৰত্যাসিত সাফল্যৰে অভিযান আৰম্ভ কৰিছিল। পাঁচবাৰৰ বিশ্ব চেম্পিয়ন তথা চলিত কোপা আমেৰিকাৰ আয়োজক ব্ৰাজিলে প্ৰথম মেচত 3–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভেনিজুৱেলাক। উল্লেখ্য যে ব্ৰাজিলে কোপা আমেৰিকাৰ পূৰ্বে দক্ষিণ আমেৰিকাৰ ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি ছয়খন মেচত অপৰাজেয় হৈ পইণ্ট তালিকাৰ শীৰ্ষত থাকি অভিযান সামৰিছিল। ইফালে, পেৰুই অন্তিম মেচত একমাত্ৰ গ'লত হৰুৱাইছিল ভেনিজুৱেলাক।

## ছুইজাৰলেণ্ডক টাইব্ৰেকাৰত হৰুৱাই ছেমিফাইনেলত স্পেইন



**ছেইণ্ট পীটাৰ্ছবাৰ্গ, ৩ জুলাই ঃ** পূৰ্বৰ বিশ্ব চেম্পিয়ন তথা ইউৰো কাপত তিনিবাৰকৈ খিতাপ লাভ কৰি অভিলেখ গঢ়া স্পেইনে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশাৰ ৰুদ্ধশ্বাস কোৱাৰ্টাৰ ফাইনেলত স্পেইনে টাইব্ৰেকাৰৰ জৰিয়তে 3–1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছুইজাৰলেণ্ডক। উল্লেখ্য যে নিৰ্ধাৰিত সময়ত মেচখন 1–1 গ'লত ড্ৰ হোৱাত প্ৰথমে অতিৰিক্ত সময় আৰু পাছত টাইব্ৰেকাৰ খেলোৱা হয়। জাকাৰিয়াৰ আত্মঘাতী গ'লৰ বাবে মেচত আঠ মিনিটতে 1–0 ৰ অগ্ৰগতি লৈছিল স্পেইনে। বিপক্ষৰ তীব্ৰ শ্বট ৰক্ষা কৰিবলৈ গৈ বল নিজৰে দুৰ্গত দুৰ্ভাগ্যজনকভাৱে সোমাই দিয়ে জাকাৰিয়াই। কিন্তু 68 মিনিটত ছুইজাৰলেণ্ডৰ হৈ মেচত সমতা স্থাপন কৰে ছাকিৰিয়ে। ছুইজাৰলেণ্ডে মেচ নিজৰ আয়ত্বলৈ অনাৰ সময়তে দলৰ ৰেমোক খেলৰ 77 মিনিটত ৰঙা কাৰ্ড দেখুৱাই ৰেফাৰীয়ে। কিন্তু ইয়াৰ সুযোগ স্পেইনে ল'ব নোৱাৰিলে। 10 জনৰে খেলিও নিৰ্ধাৰিত 12 মিনিট আৰু অতিৰিক্ত 30 মিনিটত স্পেইনৰ আক্ৰমণ বিফল কৰে ছুইজাৰলেণ্ডে। কিন্তু টাইব্ৰেকাৰত চাপৰ সন্মুখীন হয় দল। চাৰিটা শ্বটৰ তিনিটা শ্বটে গ'ল কৰাত ব্যৰ্থ হয় ছুইজাৰলেণ্ড। বিপৰীতে স্পেইনেও প্ৰথমে দুটা শ্বটত সফল নহ'ল যদিও পৰৱৰ্তী তিনিটা শ্বট গ'ল কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে স্পেইনৰ। ফিফা বিশ্ব কাপৰ চেম্পিয়ন স্পেইনে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। স্পেইনৰ সফলতা আন এক দৃষ্টিৰেও অনন্য। ক্ৰমাগত দুবাৰ ইউৰো কাপৰ খিতাপ লাভ কৰা একমাত্ৰ দলটো হ'ল স্পেইন। উল্লেখ্য যে স্পেইনে 2008 আৰু 2012 ত ক্ৰমাগত দুবাৰ ইউৰো কাপ লাভ কৰিছে। ইয়াৰপূৰ্বে স্পেইনে 1964 ত প্ৰথমবাৰৰ বাবে ইউৰোৰ চেম্পিয়ন হৈছিল।

## ইউৰ' কাপত বেলজিয়ামক বিদায় দি ছেমিত ইটালী



**মিউনিখ, ৩ জুলাই ঃ** নতুন খেলুৱৈৰে গঠিত ইটালী ফুটবল দলে পুনৰ স্বৰূপত আবিৰ্ভাব হৈছে বিশ্ব ফুটবলত। উল্লেখ্য যে গৌৰৱৰ ইতিহাস থকা ইটালীয়ে যোৱা এক দহক ধৰি বিশ্ব ফুটবলত ব্যৰ্থতাৰ সন্মুখীন হৈ আছিল। 2014 ৰ ব্ৰাজিল বিশ্বকাপৰ গ্ৰুপৰ পৰা বিদায় লোৱা ইটালীয়ে পৰৱৰ্তী 2018 ৰ ৰাছিয়া বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰাতে বিফল হয়। একেদৰে 2012 ৰ ইউৰো কাপৰ পাছত 2016 ৰ ইউৰোত হতাশাজনক প্ৰদৰ্শন কৰিছিল ইটালীয়ে। কিন্তু এইবাৰ ইটালীয়ে পুনৰ পূৰ্বৰ শক্তিৰে বিশ্ব ফুটবললৈ প্ৰত্যাৱৰ্তন কৰিছে। উল্লেখ্য যে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালী। চাৰিবাৰৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ইটালীয়ে যোৱানিশা 2–1 গ'লৰ ব্যৱধানত বেলজিয়ামক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে চলিত 16 সংখ্যক ইউৰো কাপত ইটালী এতিয়াও অপৰাজেয়। যোৱানিশা দলে কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হয় আন এটা অপৰাজেয় দল বেলজিয়ামৰ। হাইভ'ল্টেজ মেচখন অনুষ্ঠিত হৈছিল মিউনিখত। খেলৰ প্ৰথমাৰ্ধতে মেচৰ তিনিওটা গ'ল হয়। 31 মিনিটত বাৰেলাৰ গ'লেৰে ইটালীয়ে প্ৰথমে অগ্ৰগতি লোৱাৰ পাছত 44 মিনিটত ইটালীৰ হৈ দ্বিতীয়টো গ'ল কৰে ইনছিনিয়ে। 2–0 ত অগ্ৰগতি লোৱা ইটালীয়ে অৱশ্যে প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত পেনাল্টিৰ গ'ল হজম কৰিব লগা হয়। বেলজিয়ামৰ হৈ লুকাকুই পেনাল্টি গ'ল কৰি ব্যৱধান 2–1 কৰে। অগ্ৰগতি কিদৰে ধৰি ৰাখিব লাগে সেয়া ইটালীয়ে জানে। পুৰণি পৰম্পৰা। যাৰবাবে দ্বিতীয়াৰ্ধত চেষ্টা কৰিয়ো গ'ল কৰাত সফল নহ'ল বেলজিয়াম। অপৰাজেয় ধাৰা অব্যাহত ৰাখি ছেমিফাইনেলত প্ৰৱেশ কৰে ইটালী। যোৱা দহকত এয়া দলৰ শ্ৰেষ্ঠ সফলতা। ছেমিফাইনেলত ইটালী মুখামুখি হ'ব স্পেইনৰ।

## ব্যৰ্থতাই পিছ নেৰিলে বেলজিয়ামৰ

**মিউনিখ, ৩ জুলাই ঃ** ফিফা ৰেংকিঙত এহেজাৰ দিন শীৰ্ষত থাকি গৌৰৱময় সফলতা লাভ কৰা বেলজিয়ামে পুনৰ খিতাপ জয়ৰ পৰা বঞ্চিত হ'ল। উল্লেখ্য যে বেলজিয়ামৰ বৰ্তমানৰ দলটোক সোণালী যুগ বুলি বিশ্বই অভিহিত কৰে। কিন্তু 2018 ৰ ৰাছিয়া বিশ্বকাপৰ লগতে এইবাৰ ইউৰো কাপৰ ফেভাৰিট হোৱাৰ পাছতো দল বিমুখ হ'ল বৃহৎ প্ৰতিযোগিতাত খিতাপ দখলৰ পৰা। উল্লেখ্য যে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ইটালীয়ে যোৱানিশা 2–1 গ'লৰ ব্যৱধানত বেলজিয়ামক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। পুনৰ হতাশাৰ সন্মুখীন বেলজিয়াম। স্মৰ্তব্য যে বিগত বৰ্ষৰ চেম্পিয়ন পৰ্তুগালক বিদায় দিয়া বেলজিয়ামে কাইলৈ অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ মুখামুখি হৈছিল। কিন্তু দলৰ দুজন মুখ্য খেলুৱৈৰ আঘাতে বেলজিয়ামৰ সপোন ভংগ কৰি দিলে। উল্লেখ্য যে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত বেলজিয়ামৰ সফলতাত মূল ভূমিকা লৈছে হেজাৰ্ড আৰু ব্ৰুনিয়ে। কিন্তু অন্তিম মেচত আঘাত পোৱাৰ বাবে হেজাৰ্ডে যোৱানিশাৰ মেচত অংশ নল'লে। ব্ৰুনিয়ে খেলে যদিও ফিটনেছৰ অভাব প্ৰতিফলিত হয়। বেলজিয়াম লুকাকুৰ ওপৰতে নিৰ্ভৰশীল হয়। এটা গ'ল কৰিলেও দলক জয় দিব নোৱাৰিলে ইণ্টাৰ মিলানৰ অভিজ্ঞ ষ্টাইকাৰজনে। উল্লেখ্য যে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত সুসংঘবদ্ধ বেলজিয়ামে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ দল পৰ্তুগালক। খেলৰ 42 মিনিটত বেলজিয়ামৰ হৈ বিজয়সুচক গ'লটো দিছিল হাজাৰ্ডে।



ভাৰসাম্য দল বেলজিয়ামে লুকাকু, হেজাৰ্ড আৰু ব্ৰুনিৰ বুজাবুজি খেলেৰে নকআউট মেচখনত সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন মেচত বেলজিয়ামে 3–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰাছিয়াক। বেলজিয়ামৰ হৈ দুটাকৈ গ'ল কৰে তাৰকা ষ্ট্ৰাইকাৰ লুকাকুই। ফিনলেণ্ডৰ বিৰুদ্ধেও গ'ল কৰিছিল লুকাকুই। ইফালে, ডেনমাৰ্কৰ বিৰুদ্ধে খেলা মেচত বেলজিয়ামৰ হৈ হাজাৰ্ড আৰু কেভিন ব্ৰুনিয়ে গ'ল কৰিছিল।

## উইম্বলডনৰ পৰা প্ৰাক্তন চেম্পিয়ন মুগুৰুজাৰ বিদায়

**লণ্ডন, ৩ জুলাই ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ মহিলাৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ক'ক গফ। 6–3, 6–3 ৰ ব্যৱধানত জয়ী হয় গফ। ইফালে, এঞ্জেলিক কাৰ্বাৰে 2–6, 6–0, 6–1 ৰ ব্যৱধানত জয়ী হৈ তৃতীয় ৰাউণ্ডত স্থান নিশ্চিত কৰিছে। কিন্তু বিদায় লয় মুগুৰাজাই। 5–7, 6–3, 6–2 ৰ ব্যৱধানত পৰাস্ত হয় উইম্বলডনৰ মহিলাৰ একক শাখাৰ প্ৰাক্তন চেম্পিয়নগৰাকী। উল্লেখ্য যে ইয়াৰপূৰ্বে মহিলাৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ছাবালেনকা, প্লিছক'ভা আৰু ইগা। ছাবালেনকাই 6–0, 6–3 ৰ ব্যৱধানত, প্লিছক'ভাই 6–3, 6–3 ৰ ব্যৱধানত আৰু ইগাই 6–1, 6–0 ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, মহিলাৰ শাখাত বাৰ্টিয়ে দ্বিতীয় ৰাউণ্ডৰ মেচত 6–4, 6–3 ৰ ব্যৱধানত জয়লাভ কৰি তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। বাৰ্টিয়ে প্ৰথম ৰাউণ্ডৰ মেচত 6–1, 6–7, 6–1 ৰ ব্যৱধানত হৈছিল।



## নতুন শৈলীৰে প্ৰত্যাৱৰ্তন স্পেইনৰ



**মাদ্ৰিদ, ৩ জুলাই ঃ** স্পেইনে 2008 আৰু 2012 ত ক্ৰমাগত দুবাৰ ইউৰো কাপ লাভ কৰাৰ লগতে 2010 ত দলে দক্ষিণ আফ্ৰিকাত হোৱা ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। কিন্তু 2012 ৰ পাছত স্পেইনৰ প্ৰদৰ্শন তললৈ আহিছে। 2014 ৰ ব্ৰাজিল বিশ্বকাপ, পৰৱৰ্তী 2018 ৰ ৰাছিয়া বিশ্বকাপ তথা 2016 ৰ ইউৰো কাপত স্পেইনৰ টিকিটাকা ফুটবল কাৰ্যত আত্মঘাতী হৈছিল। এইবাৰ ইউৰোৰ প্ৰদৰ্শন দলৰ বাবে নতুন সঞ্জীৱনি। উল্লেখ্য যে বৰ্তমানৰ স্পেইন দলত নাই এজনো বিশ্বকাপ বিজয়ী দলৰ সদস্য। নতুন শৈলীৰে নতুন দল এটাই পুনৰ উৎজ্জীৱিত কৰিছে স্পেইনক। স্পেইনে চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশাৰ ৰুদ্ধশ্বাস কোৱাৰ্টাৰ ফাইনেলত স্পেইনে টাইব্ৰেকাৰৰ জৰিয়তে 3–1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছুইজাৰলেণ্ডক। ক্ৰমাগত দুখন মেচত দলে চাপ নিয়ন্ত্ৰণ কৰি সফল হৈছে। এয়া চেম্পিয়নৰ লক্ষন। উল্লেখ্য যে ইয়াৰপূৰ্বে 120 মিনিটৰ শ্বাসৰুদ্ধকাৰী প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্পেইনে 5–3 গ'লৰ ব্যৱধানত যোৱা বিশ্বকাপৰ ৰানাৰ্ছআপ ক্ৰ'ৱেছিয়াক পৰাস্ত কৰি অন্তিম আঠত প্ৰৱেশ কৰিছিল। মেচখনত স্পেইন সহজেই জয়ৰ দিশে আগবাঢ়িছিল যদিও হঠাত দল প্ৰত্যাহ্বানৰ সন্মুখীন হয়। কিন্তু অতিৰিক্ত সময়ৰ চাপ স্পেইনে নিয়ন্ত্ৰণ কৰি সফলতা লাভ কৰে। যোৱানিশাও স্পেইনে চাপ নিয়ন্ত্ৰণ কৰাৰ বাবে ছেমিফাইনেলত প্ৰৱেশ কৰাত সফল হ'ল। এইবাৰ স্পেইনে প্ৰথম দুখনত মেচত প্ৰত্যাসিত প্ৰদৰ্শন কৰিব পৰা নাছিল যদিও অন্তিম দুখন মেচত দহটা গ'ল কৰি যি চমক আৰু শক্তিৰ পৰিচয় দিছে নিশ্চিতভাৱে খিতাপৰ দাবীদাৰ। উল্লেখ্য যে স্পেইনে গ্ৰুপৰ প্ৰথম দুখন মেচ ড্ৰ খেলাৰ পাছত চমকপ্ৰদ খেলেৰে নিজৰ গ্ৰুপৰ অন্তিম মেচত 5–0 গ'লত শ্ল'ভাকিয়াক বিধ্বস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। গ্ৰুপ 'ই'ৰ নিজৰ প্ৰথম মেচত স্পেইনে গ'লশূণ্য ড্ৰ খেলিছিল ছুইডেনৰ বিৰুদ্ধে। আনহাতে, দ্বিতীয় গ্ৰুপ মেচত পোলেণ্ডৰ বিৰুদ্ধে 1–1 ত ড্ৰ খেলে স্পেইনে।





## ডক'ভিচৰ অগ্ৰগতি, বিদায় মাৰেৰ

**লণ্ডন, ৩ জুলাই ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পুৰুষৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে নভাক ডক'ভিচ। 6–4, 6–3, 7–6 ৰ ব্যৱধানত জয়লাভ কৰিছে শীৰ্ষ বাচনিৰ তাৰকাগৰাকীয়ে। উল্লেখ্য যে 13 বাৰৰ বাবে উইম্বলডনৰ পুৰুষৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে নভাক ডক'ভিচে। কিন্তু আজি উইম্বলডনৰ পৰা বিদায় লয় এণ্ডি মাৰে। 6–4, 6–2, 6–2 ৰ ব্যৱধানত পৰাস্ত হয় মাৰে। উল্লেখ্য যে 2017 ৰ পাছত এইবাৰ উইম্বলডনত সফলতা লাভ কৰিছিল এণ্ডি মাৰে। প্ৰথম ৰাউণ্ডৰ মেচত 6–4, 6–3, 5–7, 6–3 ৰ ব্যৱধানত জয়ী হয় মাৰে। আনহাতে, মাৰে 6–3, 4–6, 4–6, 6–4, 6–2 ৰ ব্যৱধানত জয়ী হৈ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, দ্বিতীয় ৰাউণ্ডৰ মেচত ডক'ভিচে 6–3, 6–3, 6–3 ৰ ব্যৱধানত জয়লাভ কৰিছিল। উল্লেখ্য যে শীৰ্ষ বাচনিৰ ডক'ভিছে ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত 4–6, 6–1, 6–2, 6–2 ৰ ব্যৱধানত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ জয়ী হয় 7–5, 6–3, 6–3 ৰ ব্যৱধানত। আনহাতে, জেৰভে 6–3, 6–4, 6–1 ৰ ব্যৱধানত জয়ী হৈ অভিযান আৰম্ভ কৰিছিল। ইফালে, 46 বছৰ বয়সত তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰি উইম্বলডনত অভিলেখ গঢ়িছে ৰ'জাৰ ফেডেৰাৰে। পুৰুষৰ একক শাখাৰ মেচত ফেডেৰাৰে 7–6, 6–1, 6–4 ৰ ব্যৱধানত জয় হয়। উইম্বলডনৰ আঠবাৰৰ চেম্পিয়ন ফেডেৰাৰে প্ৰথম ৰাউণ্ডৰ মেচত প্ৰতিদ্বন্দ্বীৰ আঘাতৰ বাবে 6–4, 6–7, 3–6, 6–2 ৰ ব্যৱধানত জয়ী হৈছিল।



## ফুটবলত হেৰুওৱা ঐতিহ্যক ঘূৰাই আনিছে ইটালীয়ে, ৰোমত আনন্দ উৎসৱ সমৰ্থকৰ

**ৰোম, ৩ জুলাই ঃ** বিগত 2018 ৰ ৰাছিয়া ফিফা বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰাত বিফল হোৱাৰ পাছত ইটালী ফুটবল দল ঘৰতে চৰম পৰ্যায়ৰ সমালোচনাৰ সন্মুখীন হৈছিল। চাৰিবাৰৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ইটালীয়ে বিশ্বকাপলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হোৱাটো আছিল এক অপ্ৰত্যাসিত ঘটনা। উল্লেখ্য যে 2014 ৰ ব্ৰাজিল বিশ্বকাপৰ গ্ৰুপৰ পৰা বিদায় লোৱা ইটালীয়ে পৰৱৰ্তী 2018 ৰ ৰাছিয়া বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰাতে বিফল হয়। একেদৰে 2012 ৰ ইউৰো কাপৰ পাছত 2016 ৰ ইউৰোত হতাশাজনক প্ৰদৰ্শন কৰিছিল ইটালীয়ে। তাৰপাছতে দলত ব্যাপক সালসলনি হয় আৰু নৱাগত খেলুৱৈক লৈ সাজু হয় ইটালী। পুৰনি ঐতিয্যক পুনৰ ঘূৰাই অনাৰ লক্ষ্য ইটালীৰ। 2022 ৰ কাটাৰ বিশ্বকাপলৈ যোগ্যতা অৰ্জনত সফল হৈছে দল। ইফালে, অপৰাজেয় হৈ চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালী। উল্লেখ্য যে আত্মবিশ্বাস আৰু দৃঢ়তাৰে অভিযান আৰম্ভ কৰিছিল দলে। উল্লেখ্য যে ইটালীয়ে গ্ৰুপৰ তিনিওখন মেচত জয়লাভ কৰি আত্মবিশ্বাসৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। অপৰাজেয় ইটালীয়ে অন্তিম গ্ৰুপ মেচত একমাত্ৰ গ'লত হৰুৱাইছিল ৱেলছক। ইটালীৰ হৈ বিজয়সুচক গ'লটো দিয়ে খেলৰ 39 মিনিটত পাছিনাই। উল্লেখ্য যে প্ৰথম মেচত ইটালীয়ে 3–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তুৰস্কক। আনহাতে, দ্বিতীয় মেচত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে 3–0 গ'লৰ ব্যৱধানত জয়ী হৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীয়ে 2–1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে অষ্ট্ৰিয়াক। লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচখনৰ ফলাফল নিৰ্ণয় হয় অতিৰিক্ত সময়ত। খেলৰ প্ৰথম 90 মিনিটত কোনো দলেই গ'ল কৰিব নোৱাৰাত নকআউট মেচখনৰ ফলাফল নিৰ্ণয়ৰ বাবে অতিৰিক্ত 30 মিনিট খেলোৱা হয়। অভিজ্ঞ দলৰ পৰিচয় দি চাপৰ মাজত সফল হ'ল ইটালী। খেলৰ 95 মিনিটত ইটালীৰ হৈ প্ৰথমটো গ'ল কৰে ফেডেৰিকোই। আনহাতে, ইটালীক 105 মিনিটত 2–0 ৰ অগ্ৰগতি দিয়ে পাছিনাই। খেলৰ 114 মিনিটত অষ্ট্ৰিয়াৰ হৈ ছাছাই গ'ল কৰে যদিও তেতিয়া ইটালীয়ে জয়ৰ আনন্দ ইতিমধ্যে আৰম্ভ কৰি দিছিল। উল্লেখ্য যে ইটালীয়ে চাৰিবাৰ ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছে যদিও ইউৰো কাপৰ খিতাপ (1968) এবাৰেই দখল কৰিছে। দলৰ সমৰ্থকে বিশ্বকাপৰ পূৰ্বে ইউৰো জয়ৰ সপোন দেখিছে।



অসম চৰকাৰ

বিত্ত বিভাগ
আৰু
উদ্যোগ আৰু বাণিজ্য বিভাগ

## অসম চাহ উদ্যোগ
## বিশেষ উদগনি আঁচনি, ২০২০ৰ
# আনুষ্ঠানিক উদ্বোধন

উদ্বোধন কৰিব
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
**ড° হিমন্ত বিশ্ব শৰ্মাদেৱে**

অনুষ্ঠানত উপস্থিত থাকিব

উদ্যোগ আৰু বাণিজ্য বিভাগৰ মাননীয় মন্ত্ৰী
**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী**

আৰু

বিত্ত বিভাগৰ মাননীয় মন্ত্ৰী
**শ্ৰীমতী অজন্তা নেওগ**

**তাৰিখঃ** ৪ জুলাই, ২০২১ | **সময়ঃ** বিয়লি ৫ বজা

**স্থানঃ**
অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়
খানাপাৰা, গুৱাহাটী – ২২

প্ৰচুৰ চাহিদাসম্পন্ন অৰ্থডক্স চাহপাত আৰু বিশেষ বৈশিষ্ট্যমান চাহপাতৰ উৎপাদন বৃদ্ধিয়েই এই আঁচনিৰ মূল উদ্দেশ্য।

### আঁচনিখনৰ বৈশিষ্ট্য

- অৰ্থডক্স আৰু বিশেষ চাহপাত প্ৰস্তুতকাৰী উদ্যোগৰ ক্ষেত্ৰত কাৰ্যকৰী মূলধনৰ বিপৰীতে বছৰি ৩% সুদ ৰেহাই। সৰ্বোচ্চ নিৰ্দিষ্ট ২০ লাখ টকা।
- প্ৰতি কেজি অৰ্থডক্স আৰু বিশেষ চাহপাত উৎপাদনৰ বিপৰীতে ৭ টকাকৈ ৰাজসাহায্য।
- প্ৰয়োজনীয় নতুন যন্ত্ৰ-পাতিৰ বাবে ব্যয় কৰা মূলধনৰ বিপৰীতে ২৫% ৰাজসাহায্য। সৰ্বোচ্চ নিৰ্দিষ্ট ৩০ লাখ টকা।
- তিনি বছৰৰ বাবে কৃষি আয়কৰ ৰেহাই।

### আঁচনিখন কাৰ বাবে

- নিম্নলিখিত চাহপাত প্ৰস্তুতকাৰী উদ্যোগসমূহ:
  ১. অৰ্থডক্স চাহপাত
  ২. গ্ৰীণ টি, ওলং টি, হোৱাইট টি, ইয়েল' টি আৰু পাৰ্পল টি আদি বিশেষ চাহপাত প্ৰস্তুতকাৰী উদ্যোগসমূহ
- ৰাজ্যখনত অৱস্থিত চাহপাত প্ৰস্তুতকাৰী উদ্যোগ

### আঁচনিখনৰ বলবৎ কাল

- আঁচনিখন ৩ বছৰৰ বাবে প্ৰযোজ্য হ'ব

### আবেদনৰ সবিশেষ

- মাননীয় মুখ্যমন্ত্ৰীৰ দ্বাৰা মুকলি কৰিবলগীয়া অনলাইন পৰ্টেলৰ জৰিয়তে পঞ্জীয়ন তথা ৰাজসাহায্যৰ বাবে আবেদন কৰক


ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম



জনসংযোগ/ডি/২০২৪/২১

---

সত্যমেৱ জয়তে

# আলাপ-আলোচনাঃ ধৰ্মীয় সংখ্যালঘুসকলৰ সবলীকৰণৰ দিশে
## বুদ্ধিজীৱী আৰু আগশাৰীৰ নাগৰিকসকলৰ এক পাৰস্পৰিক বাৰ্তালাপ



## অসমৰ মাননীয় মুখ্যমন্ত্ৰী
# ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ
সৈতে

তাৰিখ: ৪ জুলাই, ২০২১ || সময়: আবেলি ২ বজাৰ পৰা বিয়লি ৪ বজালৈ
স্থান: অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়, খানাপাৰা

আয়োজক
সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ, অসম চৰকাৰ

জনসংযোগ/ডি/১৯৯০/২১